# জাতি আৰু ধৰ্ম্ম।

শ্ৰীনিধি ৰাম দাস।

# জাতি আৰু ধৰ্ম্ম।

(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰী নিধি ৰাম দাসৰ দ্বাৰা

প্ৰণীত আৰু প্ৰকাশিত।

প্ৰথম সংস্কৰণ।

গুৱাহাটী।

শক ১৮৫০।

সৰ্ব্ব স্বত্ব সংৰক্ষিত।

মূল্য ।০ আঠ অনা।

GOVERNMENT OF ASSAM
Call No ........
DISTRICT LIBRARY.

গুৱাহাটী নিউ প্ৰেছত—
শ্ৰীপূৰ্ণচন্দ্ৰ কাকতীৰ দ্বাৰা ছপা হল।

# পাতনি ।

ঈশ্বৰৰ কোপ দৃষ্টিত তেত্রিশ কোটি ভাৰতবাসীৰ তেত্রিশ কোটি জাতি, তেত্রিশ কোটি ধৰ্ম্ম আৰু ধৰ্ম্মশাস্ত্র আছে। লিখকে নতুনকৈ জাতি সৃষ্টি কৰিব বা জাতি-ৰহস্য প্রকাশ কৰিব খোজা নাই। ধৰ্ম্ম বিষয়তো তেওঁৰ তিমান অধিকাৰ নাই। তেওঁ মোটা বস্তু দেখে আৰু মোটা কথা বুজে; আৰু বিশ্বাস কৰে যে তেওঁৰ নিচিনা মানুহৰ সংখ্যাই ভাৰতত বৰ বেচি · এবং তেওঁ বৰ্ত্তমান যুগত ভাৰতত বৰ্ত্তমান থকা জাতি আৰু ধৰ্ম্মৰূপী জাল দুখনৰ সূঁতা ভাঙ্গিব নোৱাৰি বৰ অসুবিধা পাইছে, উন্নাহ-নিম্নাহ নোপোৱা হৈছে; আৰু কেনেকৈ এই জাল ফালি বাহিৰ হৈ মুকলি পথাৰৰ মুকলি বায়ুত মন-প্রাণ এৰি দি এটা শান্তিৰ টোপনি মাৰিব পাৰে তাকে ভাবিছে। আৰু ভাবিছে,—এই দুখ অকল তেওঁৱে পোৱা নাই। তেওঁৰ নিচিনা মোটা বিদ্যা-বুদ্ধিৰ যিসকল আছে সেইসকলেও পাইছে। সেই নিমিত্তে নিজৰ নাকত তেল দিয়াৰ লগে লগে সেই সকলৰ নাকৰও সোপা ভাঙ্গি দিয়াৰ নিমিত্তে যৎকিঞ্চিৎ লিখিলে। স্বাধীন চিন্তা প্রকাশ কৰা বহুতৰ পক্ষে ঘোৰতৰ অপথ্য, ই কথাও লিখকৰ অবিদিত নাই। তেওঁ ইয়াকও ভালকৈ জানে যে তেওঁৰ চকুত থকা চচ্‌মা জোৰৰ নিচিনা চচ্‌মা বহুতৰ চকুত আছে কিন্তু অন্ধ বদনাম তেৱেঁহে পাব। কিন্তু কি কৰিব? অশান্তিৰ ঠেলাত, অবিচাৰৰ হেঁচাত মানৱ জাতিৰ তত নাইকিয়া অশান্ত অৱস্থা দেখি মনৰ ভাব গোপন কৰিবৰ উপায় নাপালে। ইয়াৰ দ্বাৰা এজনৰও মন সংস্কাৰ বিমুক্ত হলে তেওঁৰ পৰিশ্রম সাৰ্থক বুলি ভাবিব। ইতি—

শ্রীনিধিৰাম দাস।

# সূচীপত্ৰ ।


১ । জাতি … … ১

২ । জাতিভেদ আহিল কেনেকৈ ? … ২৬

৩ । জাতিভেদে কৰে কি ? … ৩৬

৪ । অতীত আৰু বৰ্ত্তমান … ৪৭

৫ । মানৱ ধৰ্ম্ম … ৫৮

৬ । উপাসনা … … ৭৮

৭ । কলৌ পৰাশৰ স্মৃতঃ … ৯৪

৮ । স্বাধীন চিন্তা … … ৯৯

৯ । ঈশ্বৰৰ স্বৰূপ, অৱস্থান আৰু তেওঁৰ লগত জগতৰ সম্বন্ধ ১০৬

PLEASE HANDLE THE BOOK CAREFULLY.

# জাতি আৰু ধৰ্ম্ম ।

—:—

## জাতি ।

গৰু-ছাগলী, হাঁহ-পাৰ, হাতী-ঘোঁৰা ইত্যাদি জাতি-বাচক শব্দ । এই শব্দবোৰৰ প্ৰতিটোৱে এক এক প্ৰকাৰৰ জীৱ সমূহক বুজাইছে । অৰ্থাৎ গৰু শব্দই পৃথিবীৰ পিঠিত থকা আটাইবোৰ গৰুকে বুজাইছে, ছাগলী শব্দটোৱে পৃথিবীৰ পিঠিত থকা আটাইবোৰ ছাগলীকে আৰু হাতী শব্দটোৱে পৃথিবীৰ পিঠিত থকা আটাইবোৰ হাতীকে বুজাইছে । গৰু বুলিলে হাতীক নুবুজায় আৰু ছাগলী শব্দেও হাতী বা ঘোঁৰাক নুবুজায় । গৰুৰ ভিতৰত ক'লা, বগা, পখৰা, ডাঙৰ সৰু নানা প্ৰকাৰৰ থাকিলেও সিহঁতৰ আটাইবোৰেই গৰু । এইবোৰৰ তাৰতম্য অনুসাৰে সিহঁতৰ ভিতৰত জাতি-ভেদ নাই । তেনেকৈ অন্যান্য জন্তুবোৰৰ ভিতৰতও এইবোৰৰ তাৰতম্য অনুসাৰে জাতি-ভেদ নাই । জীৱৰ এই জাতিভেদ কিহেৰে ঠিক কৰিব পাৰি ? হাতী আৰু ঘোঁৰা যে এক জাতীয় জীৱ নহয় ইয়াৰ প্ৰমাণ কি ? ঘোঁৰাৰ আকৃতিৰ লগত হাতীৰ আকৃতি নিমিলে আৰু ঘোঁৰাৰ আহাৰৰ লগত হাতীৰ আহাৰও কিছু পৰিমাণে নিমিলে, এইয়ে জাতি নিৰ্ণয়ৰ উপায় নে ?—হয়, ইও জাতি নিৰ্ণয়ত সহায় কৰে ; কিন্তু এই

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

উপায়েৰে নিৰ্ণয় কৰা অনেক সময়ত টান হৈ পৰে। বহু কুকুৰ আছে, যাৰ আকৃতি ঠিক বাঘৰ দৰে এবং উভয়ৰ খাদ্যও প্ৰায় একে, অথচ সিহঁত এক জাতীয় জীৱ নহয়। গতিকে এই প্ৰমাণটো চূড়ান্ত প্ৰমাণ নহয়। চূড়ান্ত প্ৰমাণ কি? আমি মোটা বুদ্ধিৰে দেখিছোঁ যে যি সকল জীৱৰ মতাৰ লগত যি সকল জীৱৰ মাইকীৰ স্ত্ৰী-পুৰুষভাবে কোনোৰূপ প্ৰতিবন্ধক নোহোৱাকৈ, প্ৰকৃতিৰ নিয়ম লঙ্ঘন নকৰাকৈ প্ৰেম-ভাবত সহবাস কৰি পুত্ৰ-কন্যা লভি সুখেৰে দিন কটাব পাৰে সেই সেই শ্ৰেণীৰ জীৱ এক জাতীয় জীৱ। মাইকী হাতীৰ লগত মতা ঘোৰাৰ বা মতা হাঁহৰ লগত মাইকী ছাগলীৰ সহবাস অসম্ভৱ। ঢেকুৰীৰ লগত বাঘৰ বা বাঘিনীৰ লগত পহুৰ গৃহবাস কোনো মতে সম্ভৱ নহয়, বৰং সিহঁতৰ পৰস্পৰৰ ভিতৰত খাদ্য-খাদক সম্বন্ধ। সুতৰাং হাতী-ঘোৰা, বাঘ-কুকুৰ আৰু পহু এক জাতীয় জীৱ নহয়; প্ৰত্যেকে স্বতন্ত্ৰ জাতীয় জীৱ। তেনেকৈ মানুহও এক স্বতন্ত্ৰ জাতীয় জীৱ। ই, কেতিয়াও গৰু, ঘোৰা, হাতী, বা মেকুৰি জাতীয় জীৱ নহয়। মানুহ মানুহেই। মতা মানুহৰ লগত মাইকী মানুহে প্ৰকৃতিৰ নিয়ম অনুসাৰে কোনো ৰকম বিঘ্ন-বাধা নোহোৱাকৈ প্ৰেমেৰে সহবাস কৰি ল'ৰা ছোৱালী জন্মাই গৃহবাস কৰা ভিন্ন আইন জাতীয় জীৱৰ লগত অসম্ভৱ। এই নিমিত্তে পৃথিবীত থকা সাৰতীয় মানুহ এক জাতীয় জীৱ,—ইয়াৰ নাম মানব জাতি।

আমাৰ ভাৰতবাসী হিন্দু সমাজৰ ভিতৰত ব্ৰাহ্মণ-ক্ষত্ৰিয়, শূদ্ৰ-বৈশ্যকে আদি কৰি যে অগণন জাতিৰ নাম শুনা যায় সেইবোৰ কি জাতি?—এই শব্দবোৰ জানো জাতি-বাচক নহয়? এইবোৰ জাতি-বাচক শব্দ নহয়—ব্যৱসা-বাচক শব্দ। যেনে,—পণ্ডিত-হাকিম, উকীল-কেৰাণী, দোকানী, ভিখাৰী ইত্যাদি। ব্ৰাহ্মণ শূদ্ৰতকৈ ভিন্ জাতীয় জীৱ হোৱা হলে কেতিয়াও ব্ৰাহ্মণ আৰু শূদ্ৰাণাৰ ভিতৰত দাম্পত্য প্ৰণয় নহলহেঁতেন। সিংহীনীক দেখিলে পাঠা ছাগলীৰ শৃঙ্গাৰ ৰস উদ্ৰেক হোৱাৰ পৰিবৰ্ত্তে যেনেকৈ প্ৰাণত আতঙ্কৰ উদ্ৰেক হয়, তেনেকৈ ব্ৰাহ্মণীক দেখিলে চণ্ডালৰ প্ৰাণত আতঙ্কৰ উদ্ৰেক হ'লহেঁতেন। কিন্তু ক'তা! তেনেকুৱা হোৱা দেখোঁ দেখা নাযায়? সংহিতা, মহাভাৰত, পুৰাণ-ৰামায়ণ আৰু বৰ্ত্তমানে চকুৰ আগত হোৱা ঘটনাবোৰৰ পৰা যি জনা যায় সি দেখোঁ ৰহস্যজনক? চলিত জাতি মতে হিন্দু-সমাজত বৰ্ণ শঙ্কৰৰ পিছত বৰ্ণ শঙ্কৰ, তস্য বৰ্ণ শঙ্কৰ, তস্য তস্য বৰ্ণ-শঙ্কৰ ইত্যাদি ইত্যাদি বৰ্ণ-শঙ্কৰে দেখোঁ আজি ভাৰত ভৰপূৰ? পক্ষান্তৰে গৰু ছাগলী, হাতী-ঘোঁৰাকে আদি কৰি জন্তুৰ ভিতৰত দেখোঁ এটাও বৰ্ণ-শঙ্কৰ হোৱা দেখা নাযায়? হিন্দুই হ'ক খৃষ্টিয়ানেই হ'ক, গাৰোই হ'ক মিকিৰেই হ'ক মানুহে দেখোঁ মানুহ জাতীয় জীৱৰ লগতহে দাম্পত্য সুখ উপভোগ কৰে? এই নীতি ভঙ্গ কৰি গৃহবাস কৰা দেখোঁ দেখা নাযায়? ইয়াৰ পিছতও কব খোজা নে এই শব্দবোৰ জাতি-বাচক,—

ব্যৱসায়-বাচক নহয় ? আৰু বাস্তৱতে এই আটাইবোৰ জীৱেই এক জাতীয় জীৱ নহয় ?—নোকোৱা। আমি জানোঁ তুমি কোৱা-গোৱাত মহা পণ্ডিত। তুমি এই আটাইবোৰ জীৱকে এক জাতীয় জীৱ বুলিয়ে ক্ষান্ত হোৱা নাই। পাণ্ডিত্য দেখুৱাব গৈ "যত জীৱ তত শিৱ" বুলি কবও বাকী এৰা নাই। অকল কৈও এৰা নাই, প্ৰমাণ কৰিবলৈও প্ৰাণপণে চেষ্টা কৰিছা। কিন্তু কৰিলে হব কি? পাণ্ডিত্য দেখাবৰ সময়তহে সেইবোৰ লাগে। কৰ্ম্ম-ক্ষেত্ৰত তেনেকৈ চলিব গলে যে স্বাৰ্থৰ হানি হয়, অথবা সন্মানৰ পৰা বঞ্চিত হোৱা! আৰু জাতি শ্ৰেণীবদ্ধ কৰোতাসকলৰ বিদ্যা যে তোমাৰ নাই। তেওঁ বা কৰিছিল কি ভাবে—তুমি বা পাৰিছা কি ভাবে? সমাজত পণ্ডিত, সমাজৰ বাহিৰত মুৰ্খ, যি ধৰ্ম্ম সেইয়ে জীৱিকাৰ উপায়; এই ভাবে চলোঁতে চলোঁতে যে এতিয়া জৰিকে সাপ বুলি ধৰি নিজেও মৰা, পৰকও মাৰা। তেওঁ-লোকৰ তৈয়াৰী জাতি কেইটা এতিয়া আচল জাতিত পৰিণত হৈছে। মানুহে বনোৱা জাতি কেইটাকে ঈশ্বৰে বনোৱা জাতি বুলি সাব্যস্ত কৰিবলৈ যত্নৰও ত্ৰুটি কৰা নাই। কিন্তু সুধিব পাৰোঁনে, ঈশ্বৰে এনেকৈ চিন্‌কচম্ নিদিয়াকৈ বিভিন্ন জাতীয় অথচ একে আকৃতি প্ৰকৃতি বিশিষ্ট ইমান জীৱ সৃষ্টি কৰিলে কিয়? এইবোৰ জীৱে তাঁনা তেওঁৰ পানী-খোৱা খালত বিহ দিছিল যে ভাবে প্ৰতিশোধ লবৰ নিমিত্তে এনে বেমেজেলীয়াকৈ সৃষ্টি কৰিলে? আৰু দিনে ৰাতিয়ে "মই

ডাঙ্গৰ, তই সৰু ; ই সেব্য, সি সেবক ; ই স্পৃশ্য, সি অস্পৃশ্য” এইবোৰ কথা লৈ কাজিয়া আৰু টঙ্গনা-টঙ্গনী লগাই দি ভাই ভাই ঠাই-ঠাই কৰি স্বৰ্গ সুখ—যোগী ঋষিৰ আৰাধ্য সুখ—সেই শান্তি সুখৰ পৰা বঞ্চিত কৰিবলৈ ? যদি সেইয়ে হয়, তেন্তে উচ্চ'দপি উচ্চ শাস্ত্ৰবোৰৰ মৰ্য্যাদা ক'ত ? আজিৰ চলিত ধৰ্ম্ম দেখি সেই শাস্ত্ৰবিলাক আমাৰ আমাৰ শাস্ত্ৰ যেন নালাগে। স্থাৱৰ-জঙ্গম-কীট-পতঙ্গকে আদি কৰি যাৱতীয় জীৱৰ জাতি সূচক চিন দিব পাৰিলে, প্ৰত্যেক জাতিকে বিভিন্ন বিভিন্ন আহাৰ বিহাৰৰ বিভিন্ন প্ৰণালী কৰি দিব পাৰিলে, নোৱাৰিলে আমাৰ এই হিন্দুৰ জাতি কেইটাৰ ? ঈশ্বৰও কি আমাৰ নিচিনা নিৰ্ব্বোধ ?— নহয়, আমি বনালোঁ। আমাৰ জাতি বিভাগ দেখি ঈশ্বৰে নিজৰ কাণ নিজে মলিব লগাত পৰিছে যেন লাগে। কাৰণ, তেওঁ স্বৰগ আৰু নৰকত জাতি অনুসাৰে ঠাই কৰাৰ খবৰ পোৱা নাযায়। পাপ আৰু পুণ্য অনুসাৰেহে কৰাৰ খবৰ পোৱা যায়। তেওঁ বোধকৰোঁ ভাবিছিল যে পৃথিবীত থকা আটাইবোৰ মানুহেই এক জাতীয় জীৱ।

গৰুৰ আকৃতি-প্ৰকৃতি, আহাৰ-বিহাৰৰ লগত বান্দৰৰ আকৃতি-প্ৰকৃতি আহাৰ-বিহাৰ নিমিলে। বান্দৰৰ আকৃতি-প্ৰকৃতি আৰু আহাৰ-বিহাৰৰ লগত হাতীৰ আকৃতি-প্ৰকৃতি আৰু আহাৰ বিহাৰৰে অকল মিল নাই এনে নহয় ; এই জীৱ কেই শ্ৰেণীৰ কাৰও বুদ্ধি বৃত্তিৰ লগত কাৰও বুদ্ধি বৃত্তিৰ

মিল নাই। কিন্তু ব্ৰাহ্মণৰ লগত চণ্ডালৰ আকৃতি-প্ৰকৃতি, আহাৰ-বিহাৰ, এনেকি বুদ্ধি বৃত্তিৰও অমিল নাই। সমাজে হেচি-ঠেলি পাৰ্থক্য দেখাবৰ চেষ্টা কৰিছিল দেখি পৃথক হৈ আছে। পৃথক যে নহয় তাৰ চাক্ষুষ প্ৰমাণৰ অভাৱ নাই। নহলে ব্ৰাহ্মণৰ লৰাক শাস্ত্ৰ অধ্যয়ন আৰু ব্ৰহ্ম দৰ্শনৰ শক্তিসম্পন্ন মগজ দি নদীয়ালৰ লৰাক মাছ মাৰিবৰ জোখাৰ বুদ্ধিসম্পন্ন মগজ দি বিধাতাই জন্ম দিলেহেঁতেন; কিন্তু দেখা গৈছে ব্ৰাহ্মণৰ ল'ৰাৰ মূৰত বিধাতাই যি মগজ দিছে চণ্ডালৰ ল'ৰাৰ মূৰতও সেই মগজকে দিছে। সেই নিমিত্তে ব্ৰাহ্মণৰ ল'ৰাকও মূৰ্খ হোৱা আৰু নদীয়ালৰ ল'ৰাকও বেদ-পাৰগ হোৱা দেখা যায়। কিন্তু সৃষ্টি পাতনিৰে পৰা আজিলৈকে বেদ পাৰগ ব্ৰাহ্মণৰ লগত থকা স্বত্বেও কোনো গৰুকে বেদাধ্যয়ন কৰা শুনা নাই আৰু যুদ্ধ-কুশল ক্ষত্ৰিয়ৰ ঘোৰাকও সদায় ক্ষত্ৰিয়ৰ লগত থকা স্বত্বেও যুদ্ধ-বিদ্যাত পণ্ডিত হোৱা দেখা নাই; যেহেতু ব্ৰাহ্মণ আৰু গৰু এক জাতীয় জীৱ নহয়;—যেহেতু ক্ষত্ৰিয় আৰু ঘোৰা এক জাতীয় জীৱ নহয়। কব খোজা হবলা, বিধাতাই ভাং খাই নদীয়ালৰ মগজ ব্ৰাহ্মণক আৰু ব্ৰাহ্মণৰ মগজ নদীয়ালক দিলে? চলিত জাতিভেদত বিশ্বাস থাকিলে জাতি ৰক্ষাৰ নিমিত্তে নিশ্চয় এই কথা সমৰ্থন কৰিলোঁহেঁতেন—বিধাতাৰ অৱস্থা যিয়ে নহক।

পৃথিবীৰ লোক সংখ্যা ১,৬৯৬,৫০৮,০০০। ভাৰতৰ

লোক সংখ্যা ৩৪৯,৩৬১,০০০ ; তাৰে ভিতৰত হিন্দুৰ সংখ্যা ২ ৬,৭১৪,৫৮৬। হিন্দুৰ ভিতৰত কিছুমান মানুহ আছে, যোনে জাতি নামানে। গতিকে, সেই সকলকও ইয়াৰ পৰা বাদ দিব লাগে; কিন্তু তাৰ সংখ্যা জনা নথকাত ইয়াৰ পৰা বাদ দিয়া নহল। হিন্দুৰ যি সংখ্যা দিয়া গৈছে তাকে শুদ্ধ বুলি ধৰিলেও পৃথিবীৰ লোক সংখ্যাৰ প্ৰায় আঠ ভাগৰ এক ভাগহে হিন্দু হয়। বিধাতাই কেৱল এই অল্প সংখ্যক ভাৰতৰ হিন্দু কেইটাৰ নিমিত্তে জাতি সৃষ্টি কৰিলে—পৃথিবীবাসী বাকী অধিক সংখ্যাক মানুহৰ নিমিত্তে নকৰিলে কিয়? যদি জাতিভেদ ভাল বস্তু হয়, তেন্তে বাকীবিলাকক ইয়াৰ পৰা বঞ্চিত কৰিলে কিয়? যদি ই বেয়া বস্তু হয়—সিবিলাকক নিদি অকল এই হিন্দু কেইজনক দিলে কিয়? বিধাতাৰ এই বিচাৰ কোন যুক্তিমূলক? ই, ভাল হক বেয়া হক, দিলে সকলোকে দিব লাগিছিল। নিদিয়াত ঈশ্বৰৰ ঈশ্বৰত্বত কলঙ্ক পৰে। কোনো কোনো হিন্দুৱে কয় যে পুণ্যাত্মা সকল ভাৰতত হিন্দু হৈ জন্মে। বিধাতাই পুণ্যাত্মা সকলৰ নিমিত্তে এই দেশখন তৈয়াৰ কৰিছে আৰু পুণ্যফল ভোগৰ সুবিধাৰ নিমিত্তে পুণ্যৰ মাত্ৰা অনুসাৰে জাতি সৃষ্টি কৰিছে। ভাল কথা; কিন্তু পুণ্যাত্মা সকলক ইয়াত কি ভোগ কৰিব দিলে? ইয়াত দেখোঁ দুখ ভিন্ন কোনো ৰকম সুখ তেওঁলোকক ভোগ কৰা দেখা নাযায়? আজি প্ৰায়বোৰ দেশৰ মানুহেই স্বৰ্গ সুখ ভোগ কৰিছে

কেৱল ভাৰতবাসীয়ে নৰক যন্ত্ৰণা ভুগিব লাগিছে । ইতিহাসে কয়, অতীততো এনেকৈ নৰক যন্ত্ৰণা ভুগিছিল । পুণ্যফলত যদি নৰক যন্ত্ৰণা ভোগ হয়, তেন্তে আমাৰ তৰ্ক নাই । পক্ষান্তৰে, এনেকৈ কলে কিবা দোষ হবনে যে পৃথিবীৰ আটাইবোৰ পাপীকে আনি বিধাতাই ইয়াতে হিন্দু কৰি জন্ম দিছে—ই, পৃথিবীৰ আন্দামান (ক'লা পান)। খুনি ডকাইতকে আদি কৰি মহা মহা অপৰাধীবোৰক ভাৰত গৱৰ্ণমেণ্টে যেনেকৈ আন্দামানলৈ পঠিয়ায়, তেনেকৈ ঈশ্বৰে পৃথিবীৰ আটাইবোৰ পাপীকে ভাৰতলৈ পঠিয়াইছে । উদ্দেশ্য, পৃথিবীৰ বাকীবিলাকক শান্তিত ৰখা । আন্দামানবাসী বিলাকৰ ভিতৰত যেনেকৈ কাৰো লগত কাৰো ৰক্ত-সম্বন্ধ নাই, জাতি-সম্বন্ধ নাই, ভাতৃভাব নাই, তেনেকৈ হিন্দুৰ ভিতৰতও কাৰো লগত কাৰো কোনো সম্বন্ধ নাই । গোটেইবোৰ অসাধু লগ হোৱাৰ নিমিত্তে যত যেনেকৈ শান্তিৰ মলয়া নবয়, তেনেকৈ গোটেইবোৰ পাপী জমা হোৱাৰ নিমিত্তে ভাৰতত শান্তিৰ মলয়া বব পৰা নাই । বিধাতাৰ বিচাৰ বোধকৰোঁ ঠিকেই হৈছে । সোণত সুৱগা দিলে যেনেকৈ সোণৰ ৰং বাঢ়ে, নৰকত জাতি নামক মচলা দিলে তেনেকৈ নৰকৰ নৰকত্ব বৃদ্ধি পায় । সেই নিমিত্তে বিধাতাই এই মচলা ভাৰতত ঢালি দিছে । আৰু পাপৰ মাত্ৰা অনুসাৰে নৰকৰ মাত্ৰা বঢ়াবলৈ এতিয়াও জাতি সৃষ্টি কৰিয়ে আছে ।

মনুমতে—ব্ৰাহ্মণ সেৱাই শূদ্ৰৰ একমাত্ৰ কৰ্ত্তব্য আৰু ধৰ্ম্ম । ইয়াত শূদ্ৰ কাক কোৱা হৈছে ? কায়স্থ, কলিতা, কোঁচ, সুৰি, ধোবা, নাপিত, কুমাৰ, হিড়া আৰু চড়াল শূদ্ৰ হয় নে নহয় ? এবং এইসকল হিন্দু হয় নে নহয় ? আজি কালি দুই চাৰিজন ব্যৱসাদাৰে শূদ্ৰক সন্তুষ্ট ৰাখিবলৈ এটা কথা কৈ তেওঁলোকৰ মনত সন্মান-বিজ্ঞাপক এটা সন্দেহ উপস্থিত কৰে । তেওঁলোকে কয় "এই সকল শূদ্ৰ সংহিতাত লিখা শূদ্ৰ নহয়" অৰ্থাৎ হিন্দু ৰজা থকাত ৰজাক হাতত লৈ দ্বিজাতিয়ে যি সকল শূদ্ৰৰ ওপৰত অমানুষিক হৃদয় বিদাৰক অত্যাচাৰ কৰিছিল, সেই শূদ্ৰ নহয় । এওঁলোকে পাৰিলে ব্ৰহ্মাই পাঁচটা জাতি সৃষ্টি কৰা বুলিও কব খোজে । সমাজে কিন্তু এই সকলোকে হিন্দু বুলি জানে আৰু হিন্দু বুলি ভাবে,—ভাবে কিয়, এইবিলাকক বাদ দিলে সমাজত শূদ্ৰ নোহোৱা হব আৰু তাৰ লগে লগে হিন্দু সমাজ লোপ হব । এই সকলৰ বাহিৰে শূদ্ৰ বুলি আন কোনো পৃথক এটা জাতি হিন্দু-সমাজত দেখা নাযায় । মনু সংহিতাত লিখিছে ;—

ব্ৰাহ্মণঃ ক্ষত্ৰিয়ো বৈশ্যস্ত্ৰয়ো বৰ্ণ দ্বিজাতয়ঃ ।
চতুৰ্থ একজাতিস্তু শূদ্ৰো নাস্তিস্তু পঞ্চমঃ ॥

মনু ১০ ম অধ্যায় ৪ শ্লোক ।

অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনি জাতি দ্বিজাতি হয় । চতুৰ্থবৰ্ণ শূদ্ৰ দ্বিজ নহয় । ইয়াক বাদে

পঞ্চম জাতি নাই । ব্ৰহ্মাৰ সৃষ্ট চাৰি জাতিৰ ভিতৰত যোনে নপৰে সি হিন্দু ধৰ্ম্ম, হিন্দু-শাস্ত্ৰ মানি চলিলেও হিন্দু হব নোৱাৰে । কাজেই, এই সকল শূদ্ৰই হিন্দু বুলি পৰিচিত আৰু এই সকলোই যে সেই ব্ৰাহ্মণ সেবী শূদ্ৰ তাত সন্দেহ নাই । কলিতা, কোঁচ, কেওট আদি জাতিবোৰ ব্ৰহ্মাৰ সৃষ্ট জাতি নহয় আৰু এইবোৰ নাম কেনেকৈ হল তাকো বুজিবৰ উপায় নাই । শূদ্ৰ বিধায়, এওঁলোকৰ ব্ৰাহ্মণ সেৱাই কৰ্ম্ম বুলি ধৰিব লাগিব ; কিন্তু কি সেৱা কৰিছিল, তাক বুজিবৰ উপায় নাই । সুতৰাং এইবোৰ নাম ব্যৱসা-বাচক বুলি নিৰ্ণয় কৰ নোৱাৰি । ধোবা, নাপিত, কুমাৰ আদিয়ে নিজ নিজ ব্যৱসায় দ্বাৰা দ্বিজাতিক সেৱা কৰিছিল, সেই নিমিত্তে এই কেইটা নাম ব্যৱসা-বাচক বুলি বিশ্বাস হয় । যিকি নহক, শূদ্ৰৰ ভিতৰত জাতি আৰু ব্যৱসাৰ আদিও নাই, অন্তও নাই । এওঁলোকৰ জাতি অনুসাৰে ব্যৱসা যে ব্যৱসা অনুসাৰে জাতি তাৰো কোনো চূড়ান্ত প্ৰমাণ নাই । চাৰি জাতি নহয় ব্ৰহ্মাৰ পৰা জন্মিল, ব্ৰহ্মায়ে তাৰ স্ৰষ্টা ; কিন্তু শূদ্ৰৰ ভিতৰত যে অসংখ্য জাতি হ'ল ইয়াৰ স্ৰষ্টা কোন ? উপশাস্ত্ৰবোৰৰ পৰা অনুমান কৰিব

---

* মূল শাস্ত্ৰ যেনে "গীতা" উপ শাস্ত্ৰ যেনে "অমূল্য-ৰতন" অমূল্য ৰতন লিখকে গীতা পঢ়ি পাপী-ৰাবে বৰ কষ্ট পৰ, এই কথা পাইছে আৰু তাকে অৱলম্বন কৰি যুক্তিৰ পিনে লক্ষ্য নাৰাখি নিজৰ আন্দাজ ও ৰুচি মতে পাপ পুণ্যৰ নমুনা ও নৰকৰ নমুনা দেখুৱাইছে আৰু তাৰে লগে লগে অপ্ৰাসঙ্গিক বহু কথা লিখিছে, যাৰ পৰা সত্য প্ৰকাশ কৰাৰ পৰিবৰ্ত্তে গোপনহে কৰিছে ।

পাৰি ইয়াৰ স্ৰষ্টা ব্ৰাহ্মণ। তেন্তে কলিতা, কোঁচ, কেওট, সুঁৰি, ধোবা, নাপিত, কুমাৰ ইত্যাদিৰ পক্ষে ব্ৰাহ্মণেই ব্ৰহ্মা। যি ব্ৰহ্মাই চাৰি জাতি সৃষ্টি কৰিব পাৰিলে, হাতীৰ পৰা চাহিলৈকে অগণন জীৱ সৃষ্টি কৰিব পাৰিলে, সেই ব্ৰহ্মাই বাকীবিলাক নোৱাৰিলে কিয়? ব্ৰহ্মাৰ এই অসমৰ্থতা স্বীকাৰ কৰা যুক্তিসঙ্গত নে উপৰৰ পৰা তললৈ আটাইবোৰ জাতিকে মানুহে তৈয়াৰ কৰা বুলি কোৱা যুক্তি-যুক্ত আৰু সন্মান-জনক? আৰু দেখা, আজি পৰ্য্যন্ত হিন্দু-সমাজত যতবোৰ জাতি আছে তাৰে যদি নিম্নতৰ জাতিৰ লগত নিম্নতম জাতিৰ শঙ্কৰ হয়, তেন্তে সমাজে তাক এটা জাতি দিবই দিব। সেই জাতিৰ পক্ষে সমাজেই ব্ৰহ্মা নহব নে? আৰু সমাজেই যে জাতিৰ স্ৰষ্টা এই কথা তাৰে পৰা প্ৰমাণ নহব নে? পাঠক! এইবোৰ হল যুক্তিৰ কথা। যি শাস্ত্ৰৰ দোহাই দি প্ৰায় বিলাক ব্যৱসাদাৰেই জাতি জন্মগত বুলি কৈ আহিছে, সেই শাস্ত্ৰেনো কি কয় তাকো এবাৰ দেখা বোধ কৰোঁ বেয়া নহয়।

"চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম্মবিভাগশঃ।"

—গীতা ৪ অ ১৩ শ্লোক।

এই ফাঁকি শ্লোকৰ অৰ্থ লৈয়ে যতবোৰ তৰ্ক, বাদ-বিতণ্ডা। ধৰ্ম্মব্যৱসায়ী সকলে ইয়াৰ অৰ্থ কৰে যে, "মই (শ্ৰীকৃষ্ণই) মানুহ (ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, বৈশ্য,) গুণ আৰু কৰ্ম্ম অনুসাৰে সৃষ্টি কৰিছোঁ।" অৰ্থাৎ চাৰি জাতিৰ মানুহ সৃষ্টি

কৰাৰ লগে লগে চাৰি প্ৰকাৰ কাৰ্য্যও সৃষ্টি কৰিছোঁ। গতিকে, জাতি জন্মগত আৰু ব্যৱসা তাৰ লগত অহা। আৰু সেই নিমিত্তে ইহঁতৰ প্ৰত্যেকে ভগৱান দত্ত ব্যৱসা কৰিবৰ বাধ্য; তাকে নকৰিলে জাতিভ্ৰষ্টৰ লগে লগে ধৰ্ম্ম-ভ্ৰষ্ট হব যেহেতু ই. ভগৱানৰ আদেশ বা ইচ্ছা। এই শ্লোকৰ অৰ্থ এনেকুৱা নকৰিলে আজি ভাৰতত জাতি-ভেদ নাথাকিল হেতেন। কিন্তু উপায়! ধৰ্ম্ম-ভাণ্ডাৰৰ চাবি যাৰ হাতত থাকিল, ক্ষত্ৰিয় যি ভাণ্ডাৰৰ পাহাৰাদাৰ, সি কৰা অৰ্থৰ বাহিৰে যাবৰ সাধ্য আছে কাৰ? কোনে ইয়াৰ বিপৰীতে মুখ মেলিব পাৰে? ভাগ্যে আজি সেই পাহাৰাদাৰ নাই। আৰু সেই সাহসতে আমি কব সাহ কৰোঁ যে ইয়াৰ অৰ্থ তেনে নহয়। আমাৰ মতে ইয়াৰ অৰ্থ এই;— "মই কৰ্ম্ম আৰু গুণ অনুসাৰে মানুহ বিলাকক চাৰি ভাগে বিভক্ত কৰিছোঁ। তাৰে এক ভাগৰ নাম ব্ৰাহ্মণ, এক ভাগৰ নাম ক্ষত্ৰিয়, এক ভাগৰ নাম বৈশ্য আৰু এক ভাগৰ নাম শূদ্ৰ। জাতি জন্মগত নহয়— ই ব্যৱসাগত।" গীতায়ে অকল হিন্দু শাস্ত্ৰ নহয় আৰু শাস্ত্ৰ আছে। গীতাতে অকল শ্ৰীকৃষ্ণৰ বাণী আছে আৰু আইন শাস্ত্ৰত নাই এনে নহয়। আৰু ভাৰতত এজনেই কৃষ্ণ আছিল, দ্বিতীয় নাই। সুতৰাং গীতাৰ এই বাক্যৰ অৰ্থ কি, নিঃসন্দেহে বুজিব লাগিলে অন্যান্য শাস্ত্ৰও দেখা উচিত। আৰু যদি দেখা যায় যে প্ৰত্যেক শাস্ত্ৰে বিভিন্ন

ৰকমৰ ব্যাখ্যা দিয়ে, কাৰো ব্যাখ্যাৰ লগত কাৰো ব্যাখ্যা মিলাবৰ কোনো উপায় নোলায়, তেন্তে গোটেইবোৰ শাস্ত্রৰ এই সম্বন্ধীয় বাক্যবোৰ প্রক্ষিপ্ত বুলি ধৰি লোৱা উচিত হব। যেহেতু সত্যক লৈ যি বিবাদ, তাত সত্যৰ মূল্যৰ হ্রাস-বৃদ্ধি নহয়, মাত্র বিবাদৰ অসাৰত্ব প্রকাশ পায়।

মহাভাৰতৰ শান্তি-পৰ্ব্বৰ মোক্ষ-ধৰ্ম্ম পৰ্ব্বত বর্ণ ( জাতি ) বিভাগ সম্বন্ধে আলোচনা কৰাত ভৃগুয়ে কলে,—

"ব্রাহ্মণানাং সিতোবর্ণঃ ক্ষত্রিয়াণাং তু লোহিতঃ।
বৈশ্যানাং পীতকো বর্ণঃ শূদ্রানামসিতস্তথা॥ ৫

ব্রাহ্মণৰ ৰং ( বর্ণ ) বগা, ক্ষত্রিয়ৰ ৰঙা, বৈশ্যৰ ত আৰু দ্রৰ ক'লা।" এই কথাত ভৰদ্বাজৰ মনত সন্দেহ হ'ল। তেখেতে ৰং অনুসাৰে জাত নেদেখে। ব্রাহ্মণও ক'লা, শূদ্রকও বগা দেখি সন্দেহ ভঞ্জনৰ নিমিত্তে প্রশ্ন কৰিলে,—

"চাতুৰ্ব্বণ্যস্য বর্ণেন যদি বর্ণো বিভজ্যতে।
সৰ্ব্বেষাং খলু বর্ণানাং দৃশ্যতে বর্ণসঙ্কৰঃ॥ ৬
কামঃ ক্রোধোভয়ং লোভঃ শোক চিন্তা ক্ষুধাশ্রমঃ।
সৰ্ব্বেষং নঃ প্রভবতি কৰ্ম্মাদ্বর্ণো বিভদ্যতে॥ ৭
স্বেদ মূত্র পুৰীষাণি শ্লেষ্মা পিত্তং সশোণিতম্।
তনুঃ ক্ষৰতি সৰ্ব্বেষাং কৰ্ম্মাদ্বর্ণো বিভদ্যতে॥ ৮

—মহাভাৰত মোক্ষধৰ্ম্ম ১৮৮ অধ্যায়।

অর্থাৎ চাতুৰ্ব্বণ্যৰ ( মানুহৰ ) ৰঙ অনুসাৰে যদি বর্ণ ( শ্রেণী বা জাতি ) বিভাগ কৰা হয়, তেনেহলে সকলো

বৰ্ণৰ ( শ্ৰেণীৰ ) ভিতৰতেই বৰ্ণ-শঙ্কৰ দেখা যায়। কাম-ক্ৰোধ, ভয়-লোভ, শোক-চিন্তা, ক্ষুধা আৰু শ্ৰমে আমাৰ সকলোৰে ওপৰত প্ৰভুত্ব কৰে, তেনেহলে ৰঙৰ দ্বাৰা শ্ৰেণী বিভাগ হয় কেনেকৈ ? আমাৰ সকলোৰে শৰীৰৰ পৰা ঘাম, মুত, গু, শ্লেষ্মা, তেজ মিশ্ৰিত পিত্ত ইত্যাদি বাহিৰ হয়; তেনেহলে ৰঙৰ দ্বাৰা বৰ্ণ বিভাগ হয় কেনেকৈ ? স্থাৱৰ আৰু জঙ্গমৰ ভিতৰতও অসংখ্য জাতি বিবিধ ৰঙৰ ; সেইবোৰৰ বৰ্ণ (শ্ৰেণী) বিভাগ কেনেকৈ হয় ।”

পাঠক ! একে আষাৰে কব লাগিলে, ভৰদ্বাজে ইয়াকে কলে যে আটাইবোৰ বাচনে একে ধাতুৰে একে সাঁচতে ঢলা এবং ঢালোতাজনে কোনোটোতে বিশেষ কোনো মাৰ্কাও দিয়া নাই ; সুতৰাং ইটোৰ লগত সিটোৰ কিবা পাৰ্থক্য আছেনে নাই—থাকিলেই বা চিনিবৰ উপায় কি ? তেতিয়া ভৰদ্বাজৰ এই প্ৰশ্নৰ উত্তৰত ভৃগু মুনিয়ে কলে,—

“ন বিশেষোঽস্তি বৰ্ণানাং সৰ্ব্বং ব্ৰাহ্মমিদং জগৎ ।
ব্ৰহ্মণা পূৰ্ব্ব সৃষ্টং হি কৰ্ম্মভিৰ্বৰ্ণতাং গতম্ ॥ ১০
কাম ভোগ-প্ৰিয়াস্তীক্ষ্ণাঃ ক্ৰোধনাঃ প্ৰিয় সাহসাঃ ।
ত্যক্ত স্বধৰ্ম্মাৰক্তাঙ্গাস্তে দ্বিজাঃ ক্ষত্ৰতাং গতাঃ ॥ ১১
গোভ্য বৃত্তিং সমাস্থায় পীতাঃ কৃষ্যুপজীবিনঃ ।
স্বধৰ্ম্মানানুতিষ্ঠন্তি তে দ্বিজা বৈশ্যতাং গতাঃ ॥ ১২
হিংসানৃত প্ৰিয়া লুব্ধাঃ সৰ্ব্বকৰ্ম্মোপজীবিনঃ ।
কৃষ্ণাঃ শৌচপৰিভ্ৰষ্টাস্তে দ্বিজাঃ শূদ্ৰতাং গতাঃ ॥ ১৩

—মহাভাৰত মোক্ষধৰ্ম্ম পৰ্ব্ব ১৮৮ অধ্যায় ।

অর্থাৎ বর্ণৰ কোনো বিশেষত্ব নাই । ব্ৰহ্মাই এই ব্ৰহ্মময় জগত সৃষ্টি কৰে । তাৰ পিছত কৰ্ম্ম অনুসাৰে ( জাতি ) বিভাগ আহি পৰে । কামভোগপ্ৰিয়, তীক্ষ্ণ, খঙাল, সাহস-প্ৰিয় আৰু স্বধৰ্ম্মত্যাগী ৰক্তাঙ্গ দ্বিজসকলে ক্ষত্ৰিয়ত্ব প্ৰাপ্ত হ'ল। গোপালনাদি বৃত্তি অৱলম্বন কৰা পীতবৰ্ণ আৰু কৃষিৰ দ্বাৰা জীৱিকা উপাৰ্জ্জন কৰা স্বধৰ্ম্মানুষ্ঠান নকৰা দ্বিজ সকলে বৈশ্যত্ব প্ৰাপ্ত হ'ল । হিংসা আৰু মিথ্যা প্ৰিয়, লোভী, সকলো ৰকমৰ কামৰ দ্বাৰা জীৱিকা কৰা কলা আৰু শৌচা-চাৰ পৰিভ্ৰষ্ট দ্বিজ সকল শূদ্ৰত্ব প্ৰাপ্ত হল ।"

পাঠক ! ভৃগুৰ উত্তৰৰ পৰা বুজা গল যে আদিতে সমুদায় মানুহেই ব্ৰাহ্মণ আছিল । আৰু আটাইবোৰে এক ধাতুৰে একে সাঁচতে ঢলা, কাৰো গাত কোনো মাৰ্কা নাছিল । যেতিয়া যোনে যি কামত লাগিছিল তেতিয়া সি সেই কাম অনুসাৰে মাৰ্কা অৰ্থাৎ জাতি পাইছিল । সুতৰাং কাম বদলালে মাৰ্কা অৰ্থাৎ জাতি বদলে । এবং এই অনুসাৰে বিচাৰ কৰিব গলে আজি বহু ব্ৰাহ্মণক শূদ্ৰ আৰু বহু শূদ্ৰক ব্ৰাহ্মণ মাৰ্কা দিব লাগিব ।

কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত শান্তিপৰ্ব্ব । এই শান্তিপৰ্ব্ব ভীষ্মপৰ্ব্বৰ পিছত । ভীষ্মপৰ্ব্বত শ্ৰীকৃষ্ণে অৰ্জ্জুনক যি গীতা কৈছিল উপৰত উল্লেখ কৰা শ্লোকটো সেই গীতাৰ শ্লোক । এই শ্লোকৰ অৰ্থ আজিৰ সমাজত যেনেকৈ প্ৰকাশ পাইছে বা ধৰ্ম্মৰ অধ্যক্ষ সকলে যেনেকৈ প্ৰচাৰ কৰিছে, তেনে

অৰ্থ ভৃগুৱে নজনাৰ কাৰণ কি ? কৃষ্ণ, অৰ্জ্জুন আৰু ভৃগু আদি এক সময়ৰ এক সমাজৰ মানুহ আছিল। তেওঁলোকৰ ভিতৰত বৰ প্ৰীতিভাব আছিল আৰু সদায় একে লগে একে সমাজত উঠা-বহা কৰিছিল। তথাপি ভৃগুয়ে জানো কুৰুক্ষেত্ৰত ভগৱানে গীতা কোৱা শুনা নাছিল ? গীতা যি ব্যাসদেৱে লিখিছিল তেওঁও সেই সমাজৰে মানুহ আছিল। বিশেষতঃ, তেওঁলোকে আজিৰ পণ্ডিতৰ নিচিনা অৱসৰ মতে অৰ্থৰ লোভত শাস্ত্ৰ ব্যাখ্যা বা ধৰ্ম্ম চৰ্চ্চা কৰা নাছিল। তেওঁলোকে ধৰ্ম্ম চৰ্চ্চাতে জীৱন অতিবাহিত কৰিছিল। ভৃগুৰ লগত শ্ৰীকৃষ্ণৰ এই সম্বন্ধে কি কোনো আলাপ হোৱা নাছিল ? ব্যাস সত্যবাদী নে ভৃগু সত্যবাদী, নে বৰ্ত্তমান ব্যাখ্যাৰ সমৰ্থক সত্যবাদী ? ভৃগু পণ্ডিত নে আধুনিক ব্যাখাৰ সমৰ্থকসকল পণ্ডিত ? কুৰুক্ষেত্ৰত বিচাৰ হোৱা কথা ভৃগুই জনা সম্ভৱপৰ নে আধুনিক ব্যাখ্যাকাৰ সকলে জনা সম্ভৱপৰ ? ভৃগু, ভৰদ্বাজ আৰু ব্যাসক মিথ্যাবাদী বা অপণ্ডিত বুলিবৰ সাধ্য আমাৰ নাই। জাতি সম্বন্ধে ভৃগুই ভৰদ্বাজৰ আগত যি কৈছে ব্যাসদেৱেও গীতাত তাকেই লিখিছে। জাতি জন্মগত বা বংশগত নহয়—ই ব্যৱসাগত। ই ধৰ্ম্মৰ কোনো অঙ্গ নহয়। ইয়াক মানুহে আৱশ্যকমতে পুনঃ পুনঃ বদলাব পাৰে। জাতি শব্দৰ অৰ্থ ব্যৱসা বা পেশা।

কলিৰ আদিতে ব্যাসদেৱৰ পুত্ৰ শুকদেৱে ৰজা পৰী-

ক্ষিতৰ আগত ভাগৱত কওঁতে ভগৱান শ্ৰীকৃষ্ণ আৰু ভক্ত উদ্ধৱৰ কথোপকথন উদ্ধৃত কৰি কৈছে,—

> ধৰ্ম্ম্য এষ তব প্ৰশ্নো নৈঃ শ্ৰেয়স্কৰো নৃণাং।
> বৰ্ণাশ্ৰমাচাৰবতাং তমুদ্ধৱ নিবোধমে ॥ ৭
>
> —ভাগবত ১১ শ স্কন্ধ ১৭ শ অধ্যায়।

অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণই কলে, হে উদ্ধৱ তোমাৰ প্ৰশ্নটো ধৰ্ম্ম-সঙ্গত, জন-সমাজৰ নিতান্ত হিতকৰ আৰু মোক্ষ-সাধক তাত সন্দেহ নাই। অতএৱ বৰ্ণাশ্ৰমোচিত ধৰ্ম্ম সম্বন্ধে কওঁ শুনা।

> আদৌ কৃত যুগে বৰ্ণো নৃণাং হংস ইতি স্মৃতঃ।
> কৃতকৃত্যাঃ প্ৰজা জাত্যা তস্মাৎ কৃতযুগং বিদুঃ ॥ ৮
>
> —ভাগবত ১১শ স্কন্ধ ১৭শ অধ্যায়।

অৰ্থাৎ সৃষ্টিৰ আদি কল্পত কৃত যুগত (সত্যযুগত) মনুষ্যসকলৰ এটা সাধাৰণ বৰ্ণ আছিল সি বৰ্ণক সেই সময়ত হংস নামেৰে অভিহিত কৰিছিল। সেই সময়ত লোকসকল জন্ম গ্ৰহণ কৰিয়ে কৃত্য কৃত্য অৰ্থাৎ কৃতাৰ্থ হৈছিল। সেই নিমিত্তে সেই যুগৰ নাম কৃত যুগ হৈছিল।

পাঠক! গীতা কোৱা শ্ৰীকৃষ্ণ আৰু এই শ্লোক কোৱা শ্ৰীকৃষ্ণ একে হয় নে নহয়? উপৰত কোৱা গীতাৰ শ্লোকৰ (চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং...ইত্যাদি) অৰ্থ আধুনিক পণ্ডিত সকলে কোৱা মতে ধৰিলে এই শ্লোক কোৱা শ্ৰীকৃষ্ণক অইন এজন শ্ৰীকৃষ্ণ বুলি ধৰিব লাগিব। কিন্তু সকলোৱে জানে গীতা কোৱা শ্ৰীকৃষ্ণই উদ্ধৱৰ লগত এই বিষয়ে কথা

হৈছিল। গীতাৰ লগত ভাগৱতৰ কথাৰ মিল নাৰাখিলে হয় গীতা, নহয় ভাগৱতক মিছা বুলিব লাগিব। গীতা লিখক ব্যাসদেৱ, ভাগৱত লিখক তেওঁৰ বংশধৰ শুকদেৱ। যদি দুয়ো শ্লোকৰ অৰ্থৰ মিল ৰাখিব নোখোজা, তেন্তে কাক মিথ্যাবাদী বুলিব খোজা বোলা। আমি কিন্তু গীতাৰ শ্লোকৰ ( শ্ৰীকৃষ্ণৰ শ্লোকৰ ) মহাভাৰতৰ শ্লোকৰ ( ভৃগুৰ শ্লোক ) ভাগৱতৰ শ্লোকৰ ( শুকদেৱৰ শ্লোকৰ ) মিল দেখিছোঁ আৰু মিল ৰাখিম। আৰু অমিল ৰখা পণ্ডিত সকলৰ সত্যানুসন্ধানত প্ৰবৃত্তি নাই বুলি কম। এনেকৈ নকৈ অমিল ৰখা জনৰ পক্ষ সমৰ্থন কৰিলে যুক্তিৰ মূৰত পদাঘাত কৰ হব; ঈশ্বৰক নীচমনা স্বাৰ্থান্ধ মানুহৰ শ্ৰেণীলৈ নমাই অনা হব। যেহেতু হিন্দুক এই বিশেষ দান ( জাতি ) দিয়া কথাটো সমৰ্থন কৰিবলৈ তেওঁৰ পক্ষে একো যুক্তি নাই। উপৰত কোৱা দুই শ্লোকৰ পিছত শ্ৰীকৃষ্ণে উদ্ধৱৰ আগত কোৱা বাক্যৰ পৰা আৰু দুই শ্লোক উদ্ধৃত কৰি দিয়া হল। তাৰপৰা আৰু পৰিষ্কাৰকৈ বুজিব যে সত্য যুগত জাতি ভেদ নাছিল; তাৰ শেষতহে জাতিভেদে সমাজত ঠাই পাইছে। ত্ৰেতাৰ পৰা জাতিভেদ সমাজত চলিছে।

'ত্ৰেতা-মুখে মহাভাগ প্ৰাণাম্মে হৃদয়াত্ৰয়ী।
বিদ্যা প্ৰাদুৰ্ভূতস্থা অহমাসং ত্ৰিবিদ্মখঃ॥" ১০
—ভাগৱত ১১শ স্কন্ধ ১৭শ অধ্যায়।

ত্ৰেতা যুগৰ প্ৰাৰম্ভতে বিৰাটৰূপী মদীয় হৃদয়-পদ্মৰ প্ৰাণ শক্তিৰ পৰা ঋক্, যজু ও শাম অবয়ব বিশিষ্ট মূল

বিদ্যা বেদ নির্গত হয় আৰু সেই ত্রয়ীৰূপ বেদৰ পৰা হোতা, অধ্বৰ্য্যু ও উদ্‌গাত্র এই ৰূপত্রয় বিশিষ্ট যজ্ঞৰূপে আত্ম-প্রকাশ কৰিছোঁ ।”

“বিপ্র-ক্ষত্রিয়-বিট-শূদ্র মুখবাহূৰুপাদজাঃ ।
বৈৰাজাৎ পুৰুষাজাতা য আত্মাচাৰ লক্ষণাঃ ॥ ১১
—ভাগৱত ১১ শ স্কন্ধ ১৭ অধ্যায় ।

অনন্তৰ মানসিক প্রবৃত্তি ও তদনুৰূপ শমাদি আচাৰ সহ ব্রাহ্মণ ক্ষত্রিয় বৈশ্য আৰু শূদ্র নামক চাৰিবর্ণ যথা-ক্রমে মদীয় বিৰাট মূর্ত্তিৰ মুখ, বাহু, উৰু আৰু ভৰিৰ পৰা উৎপন্ন হল ।”

পাঠক ! ভৃগু আৰু কৃষ্ণৰ পূর্ব্ববর্ত্তী বাক্যৰ পৰা দেখা যায় যে আদিতে অর্থাৎ সত্য যুগত জাতিভেদ নাছিল । এই সম্বন্ধে দুয়োৰো কথাৰ মিল ; কিন্তু ভগৱানৰ পৰবর্ত্তী বাক্যৰ পৰা দেখা যায় যে ত্রেতাৰ আদিতে ভগৱানৰ চাৰি অঙ্গৰ পৰা চাৰি জাতি বাহিৰ হ'ল । “সত্যযুগত জাতিভেদ নাছিল” লেখেতৰ এই বাক্য বিশ্বাস কৰিব কৈ “ত্রেতাৰ আদিতে মোৰ চাৰি অঙ্গৰ পৰা চাৰি জাতি বাহিৰ হ'ল” এই বাক্য অবিশ্বাস কৰিব কোৱা যুক্তিসঙ্গত নহয় আৰু ভৃগুৰ বাক্যৰ লগতও ইয়াৰ মিল নাথাকে, যুক্তিৰেও তাক সমর্থন কৰিব নোৱাৰি । তিনোটা কথাৰ মিল ৰাখিবৰ উপায় কি ? লৰাৰ পৰা বুঢ়ালৈ, মূর্খৰ পৰা পণ্ডিতলৈ, কাণখোৱাৰ পৰা বেদলৈ সকলোৱে কয় “সত্য যুগ বৰ ভাল আছিল ;” অর্থাৎ যি যুগত জাতি ভেদ নাছিল সেই যুগ বৰ ভাল আছিল ।

গীতাৰ ১১শ অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণে নিজে বৰ্ণন কৰিছে,—

পশ্য মে পাৰ্থ ৰূপানি শতশোঽথ সহস্ৰশঃ ।
নানা বিধানি দিব্যানি নানাবৰ্ণাকৃতীনিচ ॥ ৫
পশ্যাদিত্যান্ বসূন্ ৰুদ্ৰানশ্বিনৌ মৰুতস্তথা ।
বহূনাদৃষ্টপূৰ্ব্বাণি পশ্যাশ্চৰ্য্যাণি ভাৰত ॥ ৬
ইহৈকস্থং জগৎকৃৎস্নং পশ্যাদ্য সচৰাচৰম্ ।
মম দেহে গুড়াকেশ যচ্চান্যদ্ দ্ৰষ্টুমিচ্ছসি ॥ ৭
নতু মাং শক্যসে দ্ৰষ্টুমনেনৈব স্বচক্ষুষা ।
দিব্যং দদামি তে চক্ষুঃ পশ্য মে যোগমৈশ্বৰম্ ॥ ৮

(ভগৱানে কলে) হে পাৰ্থ ! তেন্তে মোৰ নানা প্ৰকাৰ, নানা বৰ্ণ ও বিবিধ প্ৰকৃতিবিশিষ্ট শত শত, সহস্ৰ সহস্ৰ অদ্ভুত ৰূপ দৰ্শন কৰা । ৫ । হে ভাৰত ! এই দেখা মোৰ শৰীৰৰ ভিতৰত আদিত্য মণ্ডল, বসুসকল, ৰুদ্ৰসকল, অশ্বিনী-কুমাৰদ্বয় আৰু বায়ুমণ্ডল অৱস্থান কৰিছে আৰু যাক আগেযে কেতিয়াও দেখা নাই এনেকুৱা বহু অদ্ভুত ৰূপও চাই লোৱা । ৬ । হে গুড়াকেশ ! মোৰ শৰীৰৰ মাত্ৰ একাংশতে স্থাবৰ জঙ্গমে সৈতে চৰাচৰ বিশ্ব আজি চোৱা আৰু যদি কিবা চাবলৈ ইচ্ছা কৰা তাকো চাই লোৱা । ৭ । তুমি নিজৰ এই সামান্য চৰ্ম্ম-চক্ষুৰে মোৰ এই ৰূপ দেখিব অক্ষম নহবা সেই নিমিত্তে মই তোমাক দিব্যচক্ষু দান কৰোঁ তাৰে তুমি মোৰ ঈশৰূপ চাই লোৱা । ৮ ॥

ইয়াৰ পিছত অৰ্জ্জুনে ভগৱানৰ বিশ্বৰূপ দেখি বৰ্ণন কৰিলে,—

*　　*　　*　　*

নান্তং ন মধ্যম্ নপুনস্তবাদিং ;
পশ্যামি বিশ্বেশ্বৰ বিশ্বৰূপং। ১৬

হে বিশ্বেশ্বৰ! তোমাৰ বিশ্বৰূপৰ আদি অন্ত আৰু মধ্য দেখা নাপাওঁ।

যি কৃষ্ণই অৰ্জ্জুনক এই মূৰ্ত্তি দেখুৱালে—যি কৃষ্ণই তেওঁৰ শৰীৰৰ মাত্ৰ এক অংশতে চৰাচৰ বিশ্ব থকা বুলি কলে আৰু পৃথিবী যি বিশ্বৰ তুলনাত এটা বালিৰ সমান সেই পৃথিবীৰ মানুহক চাৰি অঙ্গৰ পৰা প্ৰত্যেককে স্বতন্ত্ৰ জাতি বিশিষ্ট কৰি সৃষ্টি কৰা বুলি—সেই শ্ৰীকৃষ্ণই কলে?—বিশ্বাস নহয়। ঈশ্বৰৰ মুখৰ পৰা জন্মা হেতুকে ব্ৰাহ্মণ বেদো আৰু চৰণৰ পৰা জন্মা হেতুকে শূদ্ৰ সেৱক, ভাল কথা; বুজিব কৈছে গতিকে বুজিলোঁ। কিন্তু এনেকৈ জন্ম দিয়াৰ আগৈয়ে এই চাৰিজাতি এক জাতি আছিল নে ভিন্ ভিন্ জাতি আছিল? আৰু আছিল কত? ঈশ্বৰৰ শৰীৰৰ মাত্ৰ এক অংশতে চৰাচৰ বিশ্ব আছে। মানুহ সেই বিশ্বৰ ক্ষুদ্ৰাদপিক্ষুদ্ৰ পৃথিবী নামক অংশ এটাত থাকে। ভাৰতবাসী হিন্দু তাৰে এটা চুকত থাকে। চৰাচৰ বিশ্বই যদি বিশেষ কোনো অঙ্গৰ পৰা ওলোৱা নাই—পৃথিবীয়ে যদি বিশেষ কোনো অঙ্গৰ পৰা ওলোৱা নাই—ভাৰতবৰ্ষই যদি বিশেষ কোনো অঙ্গৰ পৰা ওলোৱা নাই তেন্তে হিন্দু কেনেকৈ চাৰি অঙ্গৰ পৰা ওলাল? হিন্দুৰ ভিতৰত থকা চাৰি জাতি নহয়

ভগৱানৰ চাৰি অঙ্গৰ পৰা জন্মিল,— মুচলমান, খৃষ্টিয়ান, গাবো-ভোট, নগা-কুকি, ইহুদি-কাফ্রিকে আদি কৰি যে পৃথিবীত আৰু বহু জাতি আছে সেইবোৰ ক'ৰ পৰা জন্মিল? হিন্দুক সৃজন কৰা ঈশ্বৰে সেইবোৰ সৃজন কৰিছে নে আইন কেনোবাই কৰিছে? যদি আমাৰ ঈশ্বৰে সেইবোৰ জন্মাদিয়া ঠিক হয় তেন্তে সিহঁত ক'ৰ পৰা জন্মিল নকলে কিয়? সেই বিলাক মানুহ নহয় জানো? সিহঁতক গুণ-কৰ্ম্ম অনুসাৰে বিভাগ নকৰিলে কিয়? আৰু তেনেকৈ বিভাগ নকৰাকৈ মুক্তিৰ কিবা উপায় দিছে জানোঁ? যদি দিছে তেন্তে সেই উপায় অবলম্বন কৰিলে হিন্দুৰ মুক্তি নহয় কিয়? আৰু ঈশ্বৰে যাক ব্ৰাহ্মণ কৰিলে সিয়ে বা কি পুণ্যৰ ফল আৰু যাক শূদ্ৰ কৰিলে সিয়ে বা কি পাপৰ পাপী আছিল তাৰ কিবা খবৰ কোনোবাই দিব পাৰেনে? কোনেও নোৱাৰে। তেন্তে ভগৱানৰ উল্লিখিত বাক্যৰ (উল্লিখিত ভাগৱতৰ ১১ শ্লোকৰ) অৰ্থ কি? কি কৰিলে ভৃগুৰ বাক্যৰ লগত, বিশেষকৈ যুক্তিৰ লগত ইয়াৰ মিল থাকে? ভগৱানে উক্ত শ্লোকত কৈছে,— "বৈৰাজাৎ পুৰুষা জাতা" অৰ্থাৎ বিৰাট পুৰুষৰ পৰা এই চাৰি জাতি জন্মিল। উপৰত যাৰ ৰূপ বৰ্ণন কৰা হৈছে সেই পুৰুষেই এই বিৰাট পুৰুষ। চৰাচৰ বিশ্ব এই বিৰাট পুৰুষত বিৰাজ কৰিছে। সুতৰাং হিন্দু সমাজও যে তাতে বিৰাজ কৰিছে তাক কোৱা বাহুল্য মাত্ৰ। হিন্দু সমাজ চাৰিভাগে বিভক্ত হোৱা বুলি কোৱা যেনে সেই

বিৰাট পুৰুষৰ পৰা ওলোৱা বুলি কোৱাও তেনে—সমুদায় নৰসমাজ সেই বিৰাট পুৰুষৰ পৰা ওলোৱা বুলি কোৱাও তেনে আৰু চাৰিভাগে বিভক্ত হোৱা বুলি কোৱাও তেনে। সেই নিমিত্তে ত্ৰেতাৰ আদিতে মাত্ৰ হিন্দুই চাৰি ভাগে বিভক্ত হোৱা বুলি নকৈ সমুদায় নৰসমাজ চাৰিভাগে বিভক্ত হোৱা বুলি ভগৱানৰ উল্লিখিত বাক্যৰ পৰা ধৰি লোৱা উচিত। আৰু ইয়াকে কৰিলে গীতা, ভাগৱত, মহাভাৰত আৰু যুক্তিৰ মিলন হয়। যুক্তি এক দিকে আৰু শাস্ত্ৰ এক দিকে। যুক্তিৰ লগত যি শাস্ত্ৰৰ মিল নাই সি শাস্ত্ৰ নহয়। পৰস্পৰ বিৰুদ্ধবাদী শাস্ত্ৰৰ প্ৰত্যেক খনেই শাস্ত্ৰ নহয়; হবও নোৱাৰে যেহেতু সত্য একেটা মাত্ৰ। গোটেই বোৰকে শাস্ত্ৰ বুলি মানিলে গোটেই বোৰৰে এটা অৰ্থ কৰিব লাগিব। আৰু দেখা যায় তাকে কৰিলে যুক্তিৰ লগতও এই শাস্ত্ৰবোৰৰ মিল থাকে এবং পৰিস্কাৰকৈ দেখা যায় যে জাতি জন্মগত নহয়,—কৰ্ম্মগত। কাজে কাজেই ই পৰিৱৰ্ত্তনশীল—ই ব্যৱসা বাচক শব্দ মাত্ৰ। তোমাৰ যদি এখন শাস্ত্ৰক মিছা বুলিবৰ স্বত্ব আছে—যুক্তি আছে তেন্তে গোটেইবিলাক শাস্ত্ৰকে মিছা বুলিবৰ স্বত্ব—মিছা বুলিবৰ যুক্তি আমাৰ কিয় নাই—বা নহব?

---

# জাতিভেদ আছিল কেনেকৈ ?

কেৱল হিন্দু সমাজতে যে জাতিভেদ আছে এনে নহয়, ই, পৃথিবীৰ সৰ্ব্বত্ৰ আছে। কৰ্ম্মভেদ য'ত আছে জাতিভেদ ত'তে আছে আৰু চিৰকাল থাকিব। কিন্তু অইন ধৰ্ম্মত, অইন দেশত কৰ্ম্মক্ষেত্ৰত ব্যবসায়ৰ নাম স্বৰূপে জাতিৰ উল্লেখ হয়। বিয়াত, শৰাধত কি অন্য যি কোনো সামাজিক খোৱা-লোৱা উৎসৱত আৰু উপাসনাৰ সৈতে জাতিৰ উল্লেখ নহয় ; ই, তাত কোনো উৎপাত কৰিব নোৱাৰে। কিন্তু আমাৰ ভাৰতৰ হিন্দু সমাজত ই অইন মূৰ্ত্তি ধাৰণ কৰিছে। ইয়াত কৰ্ম্মক্ষেত্ৰত তেমানকৈ জাতিৰ বিচাৰ নাই,—ব্ৰাহ্মণে শূদ্ৰৰ ব্যৱসা, শূদ্ৰে ক্ষত্ৰিয়ৰ ব্যৱসা, আৰু ক্ষত্ৰিয়ে বৈশ্যৰ ব্যৱসা—যাৰ যতে সুবিধা, যাৰ যতে অন্ন মিলে সি তাকে কৰিছে। অৰ্থাৎ এই সম্বন্ধে ঠিক অন্যান্য ধৰ্ম্মাবলম্বীৰ নিচিনা চলিছে। কিন্তু বিয়াৰ সময়, শৰাধৰ পৰত, তিথি-পৰ্ব্ব-উৎসৱাদিত, ঈশ্বৰ উপাসনাৰ সৈতে আৰু ভোজলৈকে ই, আচল মূৰ্ত্তি ধৰে। ব্ৰাহ্মণে ব্ৰাহ্মণোচিত ব্যবসা পৰিত্যাগ কৰি শূদ্ৰৰ ঘৰত বান্ধনি বা দুৱাৰী হৈ আছে কৈ, কিন্তু মালিকৰ পিতৃ-শ্ৰাদ্ধৰ সময়ত তেওঁৰ চৰণযুগল ধোৱা পানী খাবলৈ তেওঁ মালিকক চৰণ মেলি দিব পাৰে। অস্পৃশ্য শূদ্ৰ বন্ধুৰ লগত সমাজৰ অসাক্ষাতে বা অৰ্দ্ধ সাক্ষাতে মদ-পানী খাই বেশ্যা

গৃহত বাতি কটোৱাৰ পিছত আহি তেওঁ অবলীলাক্ৰমে ব্ৰাহ্মণ সমাজত বহি তেওঁৰ পৰম বন্ধুক অস্পৃশ্য অপবিত্ৰ বুলি ঘৰৰ বাহিৰ কৰি দি তিনি নওলাৰ মূৰত জলপান দিবলৈ তেওঁৰ সম্পূৰ্ণ যুক্তিসঙ্গত, শাস্ত্ৰসঙ্গত স্বত্ব আছে। তেওঁ নিৰক্ষৰ গোমূৰ্খ অলপ বয়সৰ লৰা হলেও পিতৃ কি পিতামহৰ বয়সৰ অস্পৃশ্য জাতীয় শাস্ত্ৰজ্ঞ বিচক্ষণ পণ্ডিত জনক তই বা তুমি বুলি মাতিব পাৰে,—নিজে উচ্চাসনত বহি থাকি তেওঁক ঘৰৰ বাহিৰত ধানখেৰ বা মাটিত বহিব দিব পাৰে,—তেওঁক তুচ্ছ-তাচ্ছিল্য কৰিব পাৰে,—আবশ্যক মতে ধৰ্ম্ম বিষয়ক বিচাৰত তেওঁক ব্যৱস্থাও দিব পাৰে। পণ্ডিতজন হাজাৰো শাস্ত্ৰ জানক, হাজাৰো জ্ঞানী হওক তেওঁৰ আগত মুখ মেলিবৰ অধিকাৰ তেওঁৰ নাই। ইয়াকে বোলে শালগ্ৰামে দি মচলা বটা আৰু পটাগুটিক শালগ্ৰাম কৰি পূজা কৰা। জাতীয় উন্নতিৰ মূৰত কুঠাৰাঘাত আৰু পদাঘাত একযোগে কৰা এনেকুৱা অমানুষিক, অযৌক্তিক কথাৰ প্ৰচলন আৰু ক'তো নাই। এই অস্বাভাৱিক, যুক্তি-বিৰুদ্ধ, জ্ঞান-বিজ্ঞান বিবৰ্জ্জিত জাতিভেদ আহিল কেনেকৈ ? এই ভেদ অনাৰ কাৰণ কি ?

সত্যৰ শেষত ত্ৰেতাৰ আদিতে যে এই ভেদ আহিল তাত বোধ কৰোঁ কোনেও প্ৰতিবাদ নকৰিব। এই ভেদ অনাৰ কাৰণ কি আৰু আহিল কেনেকৈ ইয়াৰ কোনো লিপিবদ্ধ ইতিহাস পোৱা নাযায়। যি পোৱা যায় তাৰে

পৰা অনুমান কৰা ভিন্ন ইয়াক জানিবৰ উপায় নাই। অনুমান অবশ্যে সকলোৰে একে নহব। অনুমান কৰিবলৈ পাঠকৰ সম্পুৰ্ণ স্বাধীনতা বাহাল ৰাখি লিখকৰ অনুমান প্ৰকাশ কৰিলে। আশা, পাঠকৰ ধৈৰ্য্যচ্যুতি নহব।

যি সময়ত যি ঘটনা ঘটে সেই সময়ৰ অবস্থাই হৈছে সেই ঘটনাৰ প্ৰধান সাক্ষী। সত্যৰ শেষ আৰু ত্ৰেতাৰ আদিতে এই ভেদৰ অৱতাৰণা সুতৰাং, এই সময়ৰ সামাজিক অবস্থাৰ পৰা ইয়াৰ অৱতাৰণাৰ কাৰণ অনুমান কৰিব লাগিব। সত্য যুগৰ সমাজত ধৰ্ম্ম-চৰ্চ্চা বৰ বেচি আছিল। সেই নিমিত্তে কৰ্ম্মোন্নতিৰ পিনে মানুহৰ লক্ষ্য বৰ কম আছিল। ঈশ্বৰ কি, জগত কি, জীৱ কি, জীৱৰ লগত ঈশ্বৰৰ কি সম্বন্ধ, জগতৰ লগতেই বা তাৰ কি ঘনিষ্ঠতা ইত্যাদি কথাৰ বিচাৰত তেতিয়াৰ সমাজ বৰ ব্যস্ত আছিল। যুগ বুলিলে একশ, দুইশ বা হাজাৰ বছৰক নুবুজায়, ই লক্ষ লক্ষ বছৰৰ সমষ্টি। ধৰ্ম্মৰ তত্ত্ব উদ্ঘাটন কৰোঁতে কৰোঁতে যেতিয়া ধৰ্ম্ম জগতৰ কথাৰ প্ৰায় অন্ত পৰি আহিল, প্ৰায়বোৰ কথাৰে এটা নহয় এটা কিবা সিদ্ধান্ত পালে তেতিয়া মনুষ্য-মগজৰ খোৰাক কম হল। পৃথিবীত ঈশ্বৰ সৃষ্ট পদাৰ্থৰ ভিতৰত যদি কিবা দেখিব লগীয়া, যদি কিবা ভাবিব লগীয়া বস্তু আছে তেন্তে ই, মানুহৰ মগজ। ঈশ্বৰৰ ব্ৰহ্মত্ব বা সৃজন শক্তি বুজাবলৈ যদি কিবা জ্বলন্ত আদৰ্শ দেখুৱাবৰ আবশ্যক হয় তেন্তে ই,

মানুহৰ ভিতৰত নিহিত থকা কৰ্ম্মকাৰক শক্তি। এই মগজ আৰু এই শক্তি একেলগে মানুহৰ গাত থকাত মানুহ বহি থাকিব নোৱাৰে। ইয়াৰ খোৰাক কাম। ই, ভাল হক বেয়া হক এটা নহয় এটা কামত আবদ্ধ থাকিবই থাকিব। ই, ভাল কামৰ অভাবত বেয়া কাম কৰে, বেয়াৰ অভাবত ভাল কৰে। সত্যৰ আৰম্ভ মানে নব-সমাজত জ্ঞানৰ প্ৰবেশ। সত্যৰ শেষ মানে নব-সমাজৰ ছাত্ৰ-জীৱনৰ শেষ। ত্ৰেতাৰ আগমন মানে নব-সমাজৰ গাৰ্হস্থ্য জীৱনত প্ৰবেশ। গাৰ্হস্থ্য জীৱন মানে কৰ্ম্মজীৱন। ঐশ্বৰিক তত্ত্ব মানক ভাণ্ডাৰৰ খোৰাক যেতিয়া অন্তপ্ৰায় হ'ল তেতিয়া স্বাভাবিকে এই শক্তিয়ে কৰ্ম্ম জগতত মন দিলে। অৰ্থাৎ সৎ গুণৰ ঠাইতে তেতিয়া হেঁচি ৰজোগুনে যৎকিঞ্চিৎ ঠাই ললে। এই সময়খিনিয়ে সত্য আৰু ত্ৰেতাৰ সীমা সূচক সময়। এই পৰিবৰ্ত্তনেই যুগৰ নাম বদলাবৰ মূল কাৰণ। ব্যক্তিগত জীৱনৰ লগত মিলাই চালেই সামাজিক জীৱনৰ এই পৰিবৰ্ত্তনৰ কাৰণ সহজে বুজা যাব পাৰে। ব্যক্তিগত জীৱনত যেনেকৈ মানুহে এটাৰ পিছত এটা কামত মন দিয়ে ঠিক তেনেকৈ সমাজৰও সময়ে সময়ে একো একোটা কামলৈ বৰ ধাউতি হয়। বৰ্ত্তমান সভ্য জাতিসকলে ধ্বংসকাৰক কলকাৰখানাত ৰবকৈ মন দিছে, ইয়াৰ আগেয়ে তেনেকুৱা নাছিল। এই কথা চিন্তা কৰিলেও সমাজৰ এই কৰ্ম্ম পৰিবৰ্ত্তনৰ ইচ্ছাৰ ক্ৰম বুজা যাব পাৰে। সত্য যুগত ধৰ্ম্ম

চৰ্চ্চা আছিল বুলিয়ে যে মানুহবিলাকে সেই যুগত কেবল শাস্ত্ৰ লৈয়ে বহি আছিল, ঘৰ বন্ধা, কাপোৰ বোৱা, ভাত ৰন্ধা, খেতিকৰা ইত্যাদি কাম নকৰিছিল এনে নহয়। জীবন ধাৰণৰ নিমিত্তে যি পৰিমাণ কৰাৰ আবশ্যক আছিল সেই পৰিমাণে কৰিছিল আৰু এইবোৰ কাম আৱশ্যক মতে প্ৰত্যেক মানুহে নিজ হাতে কৰিছিল। এই সময় ধৰ্ম্ম চৰ্চ্চা মুখ্য আৰু কৰ্ম্ম চিন্তা গৌণ থকায় কৰ্ম্মৰ উন্নতি তিমান নহৈছিল। ঐশ্বৰিক তত্ত্বৰ প্ৰায় অন্ত পোৱাত স্বাভাবিকে কৰ্ম্মোন্নতিৰ পিনে যেতিয়া তেওঁলোকে মন দিলে তেতিয়া দেখিলে যে কৰ্ম্ম অনুসাৰে কৰ্ম্মী বিভাগ নকৰিলে কামৰ উন্নতি নহয়। সকলো মানুহে সকলো কামতে হাত দিলে কোনো কামতে বিশেষকৈ মনোযোগ দিব নোৱাৰে সেই নিমিত্তে কোনো কামৰে শ্ৰীবৃদ্ধি নহয়। সেই নিমিত্তে নিয়ম কৰিলে যে কোনেও বিশেষ ৰকমৰ কামবোৰৰ এটাৰ বেচি হাতত লব নোৱাৰিব। অৱশ্যে ধৰ্ম্ম চৰ্চ্চাটো তাৰে লগতে থাকিব। এই সময়তে কৰ্ম্ম মুখ্য আৰু ধৰ্ম্ম গৌণ হৈ পৰিল। অৰ্থাৎ গাৰ্হস্থ্য জীবনৰ কামত বেচিকৈ মন দিব লগা হোৱা স্বত্বেও ছাত্ৰ জীৱনৰ কাম একেবাৰে বন্ধ নহল। এনেকুৱা কৰি তেওঁলোকে কৰ্ম্ম আৰু কৰ্ম্মী চাৰি ভাগত বিভাগ কৰিলে। সত্যত ঐশ্বৰিক তত্ত্বৰ অন্তপ্ৰায় হলেও তেওঁলোকে অন্ত পৰা বুলি বিশ্বাস কৰা নাছিল। সেই নিমিত্তে জানো পিছে কামত মন দিওঁতে ঐশ্বৰিক তত্ত্বৰ জানিব লগীয়া কথা

নব সমাজৰ জ্ঞানৰ বাহিৰত বৈ যায় এই আশঙ্কাত তেওঁ-লোকে এক দল মানুহক একেবাৰে সেই কামৰ নিমিত্তে এফ-লীয়াকৈ থৈ দিলে। তেওঁলোকে জ্ঞান বিজ্ঞানৰ অনুশীলন ভিন্ন অইন কাম কৰিব নোৱাৰিব। সেই দলেই হ'ল ব্ৰাহ্মণ। বৰ্ত্তমান যুগৰ সভ্য জাতি সকলেও তেনেকৈ কিছুমান মানু-হক বিজ্ঞানৰ অনুশীলনৰ নিমিত্তে ৰাজ চৰকাৰৰ পৰা দৰমহা দি ৰাখিব লাগিছে। সকলোৱে ৰাজ্য ৰক্ষা আৰু শান্তি ৰক্ষাত মন দিলে ৰাজ্য ৰক্ষা আৰু শান্তি ৰক্ষা নহৈ বৰং সমাজত অশান্তিৰ উদয় হয় গতিকে সকলোকে সেই কাম কৰিব নিদি এদল মানুহৰ হাতত সেই কাম সমৰ্পণ কৰিলে। এই দলেই হ'ল ক্ষত্ৰিয়। এওঁলোকৰও মুখ্য কাম শান্তি ৰক্ষা, গৌণ কাম ধৰ্ম্ম চৰ্চ্চা। তেনেকৈ বৈশ্যক বাণিজ্য আৰু কৃষি এবং শূদ্ৰক উপৰৰ তিনি জাতিৰ কামত সহায় কৰিব দিলে।

প্ৰশ্ন হব,—এনেকুৱা বিভাগত পৰস্পৰৰ ভিতৰত বিৰোধ নহল কিয় ? আজিৰ নিচিনা সমাজত উচানীচা ভাব থাকিলে বা ভবিষ্যতে হব বুলি আশঙ্কা কৰিবৰ কাৰণ থাকিলে নিশ্চয় হ'ল হেতেন। কিন্তু তেতিয়া সমাজত তেনেকুৱা নাছিল আৰু আশঙ্কাৰও কোনো কাৰণ নাছিল। আজিৰ গবৰ্ণমেণ্টে যাক বিজ্ঞানৰ অনুশীলনত বেতন দি ৰাখিছে অনুপযুক্ত হলে তাৰ লৰাই সেই কাম নাপাব। আৰু যাক আজি ৰখা নাই উপ-যুক্ত হলে তাৰ লৰাইও সেই কাম পাব। আজিৰ চিপাহিৰ লৰা কালি খেতিয়ক হব পাৰে আৰু খেতিয়কৰ লৰাও চিপাহি

হব পাৰে। আৰু তেওঁলোকৰ ব্যৱসা একে নোহোৱা স্বত্বেও তেওঁলোকৰ ভিতৰত খোৱা-লোৱা, বিয়া, বিহু নচলাৰ কোনো নিয়ম হোৱা নাই আৰু নচলাকৈও থকা নাই। ধৰ্ম্ম কাজ আৰু সামাজিকতাত সকলোৱে সমান ভাবে চলি আছে। আৰু সেই নিমিত্তে এইসকলৰ ভিতৰত কোনো বিৰোধ হোৱা নাই। ঠিক তেনেকৈ তেতিয়াৰ সমাজতো মানুহ গুণ-কৰ্ম্ম অনুসাৰে উন্নত বা অবনত হব পাৰিছিল। মূৰ্খ হলে ব্ৰাহ্মণৰ সন্তানেও শূদ্ৰৰ কাম কৰিছিল আৰু পণ্ডিত হলে শূদ্ৰৰ লৰাও ব্ৰাহ্মণ হব পাৰিছিল। আৰু এই বিভাগ থকা স্বত্বেও তেওঁলোকৰ ভিতৰত খোৱা-লোৱা, বিয়া-বিহু, চলি আছিল। জাতি জন্মগত আৰু সেই নিমিত্তে কোনো জাতি ডাঙৰ আৰু কোনবাটো সৰু আৰু কোনবাটো স্পৃশ্য কোনবাটো অস্পৃশ্য এই ভাব তেওঁলোকৰ ভিতৰত অহা নাছিল। জাতি জন্মগত বুলি ধৰি ললে সমাজত শালগ্ৰাম নজন্মিব, পটাগুটিৰে সমাজ পৰিপূৰ্ণ হব, এই কথা তেওঁলোকে ভালকৈ জানিছিল। আৰু সেই নিমিত্তে সমাজ উন্নত অৱস্থাত আছিল আৰু এই বিভাগত বিৰোধ হোৱা নাছিল। আজিৰ সমাজে শালগ্ৰামৰ জাতি, কুল আৰু বংশ-মৰ্য্যাদা বিচাৰে আৰু ঠিক মতে নাপালে শালগ্ৰাম হলেও তাক পূজা নকৰে। ফলত ঠিক তেনেকুৱাই হৈছে।

আজিৰ দিনত পাঁচ ভাইৰ ভিতৰত এজন হাকিম, এজন পণ্ডিত, এজন কাঠ-মিস্ত্ৰি, এজন খেতিয়ক আৰু অইন

এজন বেপাৰী হলেও তেওঁলোকৰ ভিতৰত যেনেকৈ সদ্ভাৱ থাকে, স্পৃশ্য-অস্পৃশ্য ভাব নাথাকে আৰু আটাইবোৰে একে জাতিতে থাকে ঠিক তেনেকৈ সত্যযুগৰ কৰ্ম্মভেদ নথকা অৱস্থাৰ পৰা ত্ৰেতাৰ আৰম্ভতে কৰ্ম্মভেদ হোৱাত সমাজত কৰ্ম্মভেদে বিৰোধ কৰিব নোৱাৰিছিল—কোনো ৰকমৰ ক্ষুণ্ণ ভাব আহিব দিয়া নাছিল। উল্লিখিত পাঁচ ভাইৰ ভিতৰত কৰ্ম্মভেদ থকা স্বত্বেও বিশেষ কোনো ভেদ নহলেও তেওঁলোকৰ পুত্ৰ বা নাতিৰ দিনত এটা কিবা ভেদ অহা দেখা যায়। নাতি-পুতিবিলাকে পৰস্পৰক বিভিন্ন জাতিৰ মানুহ বুলি নাভাবিলেও সামাজিক অৱস্থাত সৰু ডাঙৰ ভাব পোষণ কৰে। আৰু একেলগে খোৱা, লোৱা, বহা মিলা কৰিব এনেকি এক বংশৰ বুলি পৰিচয় দিবও বেয়া পোৱা হোৱা দেখা যায়। অবশ্যে যাৰ অৱস্থা উন্নত সি বেয়া পোৱা হয়, আৰু যাৰ অৱস্থা বেয়া সি হকে নহকে ৰিডিয়াই ৰিডিয়াই তাৰ ক্ষোভ প্ৰকাশ কৰিয়ে থাকে। সেই নিমিত্তে কিছুমান মানুহে কয় যে, আটাইবোৰ সন্তানকে পাৰিলে বিদ্যা, বুদ্ধি, ধন-সম্পত্তিত সমান কৰি দিব লাগে ; নহলে পৰস্পৰৰ ভিতৰত সদ্ভাৱ আৰু সম্বন্ধ নাথাকে। ঠিক তেনেদৰে কৰ্ম্ম বিভাগৰ কিছুকাল পিছলৈ কৰ্ম্ম বিভাগে কৰ্ম্মক্ষেত্ৰত ভেদভাব দেখুৱালেও ধৰ্ম্মক্ষেত্ৰত আৰু সামাজিকতাত ভেদভাৱ দেখুওৱা নাছিল। কিন্তু যিমানে দিন গৈ আহিব ধৰিলে তিমানে লাহে লাহে পাঁচ ভাইৰ নাতি-পুতিৰ ভাবৰ নিচিনা ভাবে সমাজত দেখা দিলে।

কৰ্ম্মভেদে জাতি ভেদ আৰু সমাজ ভেদ আনি সমাজ ছিন্ন-ভিন্ন কৰি পেলালে। যি ৰজো গুণে হেচি-ঠেলি কোনো-মতে সৎগুণৰ ওচৰত বহিবৰ ঠাই পাইছিল সেই ৰজোগুণে এতিয়া ৰাজ্য বিস্তাৰ কৰিলে। মই ডাঙ্গৰ, তই সৰু, মই সেৱ্য তই সেৱক ভাবে সমাজত ভৰি দিলে। উন্নত ভাইৰ বংশধৰে অনুন্নত ভাইৰ বংশধৰক ঘৃণা কৰাৰ নিচিনা উন্নত কৰ্ম্মীৰ বংশধৰসকলে অনুন্নত কৰ্ম্মীৰ বংশধৰসকলক ঘৃণা কৰিব আৰম্ভ কৰিলে। কালৰ গতিত এনে সময় আহিল যে তেওঁ-লোকৰ বংশধৰসকলে এওঁলোকৰ বংশধৰসকলক একে জাতিৰ জীৱ বুলি স্বীকাৰ কৰিব অপমান পোৱা হ'ল।

প্ৰশ্ন হব পাৰে;—যেতিয়াই এনে অৱস্থা আহিল তেতিয়াই বিদ্ৰোহ নহল কিয়? তেতিয়াই বিদ্ৰোহ হোৱা হলে আজিলৈকে এই আপদ নাথাকিল হেতেন। কথা সঁচা, কিন্তু বিৰোধ কৰে কেনেকৈ? ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ হাতত থাকিল শাসন ভাৰ। ব্যৱসায়ী হিচাবেও তেওঁলোকৰ ঘনিষ্ঠ সম্বন্ধ যেহেতু ব্ৰাহ্মণ মন্ত্ৰী, ক্ষত্ৰিয় ৰজা। দুয়োৰও ভিতৰত বৰ মিল। এই বুদ্ধি আৰু এই তৰোৱালৰ আগত মূৰ তোলে সাধ্য কাৰ? যেতিয়াই সমাজলৈ এই ভাব আহিল তেতিয়াই শ্ৰীমান মনুৱে সংহিতা খনি লিখি কৰ্ম্ম বিভাগ জাতি অনুসাৰে হোৱা বুলি ঘোষণা কৰিলে আৰু জাতি জন্মগত বুলি প্ৰমাণৰ সৃষ্টি কৰিলে। শূদ্ৰৰ সুখ সমুন্নতি বন্ধ কৰাৰ লগে লগে নিজৰ ভৰিত কুঠাৰ মাৰিলে। গছৰ ৰস নোহোৱা

PLEASE HANDLE THE BOOK CAREFULLY



ল গছ ভাঙি পৰে, লগে লগে ৰসমালাৰ যে (ৰঘুমালাৰ) মৰণ হয় পাহৰি গ'ল। সেইদিনাই ভাৰতৰ শান্তি দেবীয়ে বিদায় ললে, এতিয়ালৈ আৰু ফিৰি অহা নাই। তাৰ পিছত সত গুণে যেতিয়া সমাজৰ পৰা একেবাৰে অন্তৰ্দ্ধান কৰিলে, ৰজ গুণৰ কাষত তমো গুণে ঠাই ললে তেতিয়াৰে নাম দ্বাপৰ। ভাগৱত মহাশক্তিয়ে ক্ৰোধান্ধ হৈ ভাৰত পৰিত্যাগ কৰিলে। তাৰ পিছতে ৰাজলক্ষ্মী অতি কাতৰেৰে কান্দি কান্দি ভাৰত এৰিলে। সমাজ পটাগুটিৰে ভৰা, শালগ্ৰাম থাকিলেও তাৰ পূজা নাই। এতিয়াও পটাগুটিয়ে শালগ্ৰাম নজন্মাৰ নোলেকে পাৰেমানে যত্ন কৰিয়ে আছে — যনো পিছে সি পূজাৰ পৰা বঞ্চিত হয় এই ভয়ত। এনেকৈয়ে এই অস্বাভাৱিক জাতিভেদ সমাজলৈ অহা বুলি লেখকে অনুমান কৰে। লক্ষ লক্ষ বৎসৰ এই ভাৱ বুকত বান্ধিলৈ চলোঁতে চলোঁতে এতিয়া ই সংস্কাৰত পৰিণত হৈছে। গুটিয়াৰ শিকলি মাৰিতে আনিব পাহৰিলেও হাতীয়ে নাপাহৰে। অনাবশ্যক, পুৰণা বুলি মাউতে পেলাই দিলেও হাতীয়ে অতি আদৰেৰে পেঠিত লৈ বেগ দিয়ে। এই সংস্কাৰৰ ওচৰত যুক্তি পাগল, দৰ্শন বলীয়া, শাস্ত্ৰ নিৰ্ব্বোধ।

---

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

দুই নম্বৰী টনা ব্যাখ্যা গ্ৰহণ কৰিব প্ৰস্তুত নাই বুলি লিখকৰ বিশ্বাস। তৰ্কৰ খাতিৰত ধৰা দুই নম্বৰী ব্যাখ্যাটো সচা। ভগৱানে চাৰি জাতিক চাৰিটা ব্যৱসা দিলে, প্ৰত্যেকে নিজ নিজ ব্যৱসা বংশপৰম্পাৰায় পুৰুষানুক্ৰমে কৰোঁতে কৰোঁতে ব্যৱসাৰ চৰম উৎকৰ্ষ সাধিত হব। আৰু সেয়ে হলেহে ঐহিক উন্নতি হব। ভাল কথা;— ব্যৱসায়ৰ উৎকৰ্ষ সাধাটোৱে ভগৱানৰ উদ্দেশ্য না মানুহৰ উন্নতি সাধাই তেখেতৰ মুখ্য উদ্দেশ্য ? ব্যৱসায়ৰ উৎকৰ্ষ সাধন যদি তেখেতৰ মুখ্য উদ্দেশ্য বুলি কোৱা তেন্তে আমাৰ তৰ্ক শেষ। আমি মানুহতকৈ ব্যৱসা ঈশ্বৰৰ প্ৰিয় আৰু নিকটবৰ্ত্তী বুলি কব প্ৰস্তুত নাই। যদি কোৱা ব্যৱসায়ৰ উৎকৰ্ষ সাধন হলেহে মানুহৰ উন্নতি হয় তেন্তে আমাৰ জবাব নাই। এই কথা আমি মূৰ পোতাই স্বীকাৰ কৰিম। কিন্তু বৰ্ণাশ্ৰমতো এই কথা খাতিৰনে ? বৰ্ণাশ্ৰমে ব্যক্তিগত উন্নতিৰ মূৰত এনেকৈ লোহাৰ ঢাকনি দিছে যাতে সি যুগ যুগান্তৰেও গা কৰিব নোৱাৰে। শূদ্ৰৰ দাস্য বৃত্তি আছিল। দাসত্বৰ চৰম উৎকৰ্ষ কি ? বাচন মলাৰ, ভৰি ধুওৱাৰ উৎকৰ্ষ সাধন কি ? এই উৎকৰ্ষ সাধনৰ দ্বাৰা উৎকৰ্ষ সাধকৰ উন্নতি কেনেকৈ হয় ? কোনো শূদ্ৰকে দেখোঁ দাসত্বৰ উৎকৰ্ষ সাধনৰ পুৰস্কাৰ স্বৰূপে বৈশ্য, ক্ষত্ৰিয় কি ব্ৰাহ্মণৰ বৃত্তি কৰিবলৈ আদেশ দিয়া হোৱা নাছিল ? তাক শাস্ত্ৰত, জ্ঞান-বিজ্ঞানত, এনেকি ঈশ্বৰ উপাসনাতও

দেখোঁ। দখল দিয়াৰ বিধি দেখা নাযায় ? পক্ষান্তৰে কোনো-বাই সমৰ্থ হৈ নিজে নিজে সেইবোৰত দখল লব খুজিলেও দেখোঁ তাক কেনেকৈ দখলৰ পৰা বঞ্চিত কৰি অঙ্কুৰতে নিধন কৰিব লাগে তাৰেহে ব্যৱস্থা দেখা যায়। অকল ব্যক্তিগত হিচাবে নহয়, জাতিগত হিচাবে বৰ্ণাশ্ৰমে কোটি কোটি মানুহক পুৰুষানুক্ৰমে বজ্ৰ কঠিন শাসনৰ দ্বাৰা মনুষ্যত্বৰ পৰা বহু দূৰত ৰাখিছিল। জানো পিছে মনুষ্যত্বৰ গন্ধ পাই—জানোঁ পিছে মনুষ্যত্বৰ গন্ধ পাই দাসত্বৰ জঙ্গলী কান্ধৰ পৰা পেলায় দিয়ে এই আশঙ্কাতে বৰ্ণাশ্ৰমে আশঙ্কিত হৈ যত ৰকমৰ কঠোৰ শাসন হব পাৰে—যত প্ৰকাৰৰ যুক্তি বিৰহিত, ন্যায় বিৰহিত, মনুষ্যত্ব বিবৰ্জ্জিত উপায় হব পাৰে শূদ্ৰ জাতিৰ বিৰুদ্ধে চলাইছিল। বৰ্ণাশ্ৰম অতি অনুদাৰ ধৰ্ম্ম। ইয়াৰ নিচিনা স্বাৰ্থপৰ ধৰ্ম্ম পৃথিবীত নাই বুলি কব পাৰি। ই, দ্বিজাতিৰ পক্ষে যেনেকৈ ঐহিক সুখদায়ক তেনেকৈ শূদ্ৰ জাতিৰ পক্ষে ঐহিক পাৰত্ৰিক উভয় সুখৰে পৰিবোধক। এই নিমিত্তেই কওঁ, এই দুই নম্বৰী ব্যাখ্যা আধুনিক। বৰ্ণাশ্ৰম সৃষ্টিৰ সময়ত স্ৰষ্টা সকলৰ মনত এই ভাব কেতিয়াও অহা নাছিল।

আজি বৰ্ণাশ্ৰম ধৰ্ম্ম নাই বুলি কলে যিমান মিছা কোৱা হব, আছে বুলি কলে তাৰ সহস্ৰ গুণ মিছা কোৱা হব। আজি সমাজত কাজতে হ'ক বা কথাতেই হ'ক জাতিভেদ আছে, আৰু জাতিভেদেই বৰ্ণাশ্ৰমৰ ভিত্তি সুতৰাং

বৰ্ণাশ্ৰম ধৰ্ম্ম নাই বুলি কলে এটা মিছা কোৱা বুলি ধৰিব পাৰি। অৰ্থাৎ তৰোৱালৰ খাপৰ বাহিৰত নাল ওলাই আছে, খাপৰ ভিতৰত তৰোৱাল নাই; এই অৱস্থাত তৰোৱাল নাই বুলিলে যিমানখিনি মিছা কোৱা হব, জাতি ভেদ থকা স্বত্বেও বৰ্ণাশ্ৰম নাই বুলি কলে তিমানখিনি মিছা কোৱা হব। সকলো জাতিৰ শতকৰা ৯৯.৯ জন মানুহেই জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো জাতিৰ ব্যৱসা কৰি, সকলো জাতিৰ পোষাক পিন্ধি আৰু সেই ৰকম কাম কৰা সকলৰ সংসৰ্গত থাকিও জাতিভেদ মনা কাৰণে বৰ্ণাশ্ৰম ধৰ্ম্ম আছে বুলিলে একশ মিছা কোৱা হব। অৰ্থাৎ ভেৰাৰ গাত সিংহৰ ছাল মেৰুৱাই দি তাক সিংহ বুলিলে যিমান মিছা কোৱা হব, তিমান মিছা কোৱা হব। জ্ঞান-বিজ্ঞান, শাস্ত্ৰ আৰু ধৰ্ম্ম-চৰ্চ্চাত আজি শূদ্ৰৰ যি অধিকাৰ দেখা যায় সেই অধিকাৰ বৰ্ণাশ্ৰম পূৰামাত্ৰাই চলন থকা কালত নাছিল। সেই সময়ত দণ্ডবিধিয়ে বোলা বা কাৰ্য্যবিধিয়ে বোলা সমাজচালক শাস্ত্ৰ মাত্ৰ মনু আছিল। সেই শাস্ত্ৰই শূদ্ৰক জ্ঞান-বিজ্ঞান, শাস্ত্ৰ আৰু ধৰ্ম্ম-চৰ্চ্চাত আজিৰ অধিকাৰ খিনিও দিয়া নাছিল। শূদ্ৰবিলাক যে মানুহ আছিল এই বিষয়েও কোনো বিৰোধ থকা দেখা নাযায়। এই খিনি কথা মনত ৰাখি দেখা বৰ্ণাশ্ৰমে মানুহক ঈশ্বৰ লাভত কেনেকৈ সহায় কৰিছিল। কোটি কোটি মানুহক এটা জাতিবাচক নাম দি যি ধৰ্ম্মই তাৰ মনুষ্যত্বৰ বাট বন্ধ কৰাৰ নিমিত্তে ন্যায়-অন্যায় আটাইবোৰ

উপায়কে কাজত লগাইছিল সেই ধৰ্ম্মে উপৰৰ জাতি-কেইটাকে বা ঈশ্বৰ লাভত কেনেকৈ সহায় কৰিছিল ? কোটি কোটি মানুহক যি ধৰ্ম্মই মনুষ্যত্ব দানত সহায় কৰাৰ পৰিবৰ্ত্তে মনুষ্যত্ব গ্ৰহণত বাধা জন্মাইছিল সেই ধৰ্ম্মই ঈশ্বৰ লাভত সহায় কৰাৰ স্বপক্ষে দুৰ্বোধ্য যুক্তি দিয়া মানুহৰ অভাব নহব জানোঁ, কিন্তু যোনে দিয়ে তেওঁ ধৰ্ম্মৰ নামে, ঈশ্বৰৰ নামে সেই যুক্তি নিজে বুজা বুলি কব পাৰিব নে ? শূদ্ৰক লিখা-পঢ়া শিকাই মানুহ কৰিব লাগে বা কৰা উচিত এনেকুৱা কথা বৰ্ণাশ্ৰমে কেতিয়াবা কৈছে নে ? বৰং সি যাতে তেনেকুৱা কৰিব নোৱাৰে তাৰেহে ব্যৱস্থা কৰা দেখা যায়। দ্বিজাতিৰ উন্নতিৰ নাম যদি জাতীয় উন্নতি, শূদ্ৰৰ অবনতিৰ নাম জাতীয় অবনতি নাছিল কিয় ? ইয়াৰ যুক্তি কি ? শূদ্ৰবিলাকক তেওঁলোকৰ সমাজৰ ভিতৰুৱা ধৰা নহৈছিল, এয়ে নহয় নে তাৰ কাৰণ ?

এতিয়া বৰ্ণাশ্ৰম নাই সেই নিমিত্তে শূদ্ৰৰ পক্ষে জ্ঞান-বিজ্ঞান আৰু ধৰ্ম্ম-চৰ্চ্চাৰ বাট মুকলি হৈছে। থাকিলে কি হ'লহেঁতেন ভাবি চোৱা। এতিয়া আছে জাতিভেদ। এই ভেদে আগেয়ে কি কৰিছিল তাকো জানা, আজি কি কৰিছে তাকো জানা, কিন্তু কিমানখিনি কি কৰিছে একত্ৰ কৰি জানিবৰ আৱশ্যক বোধ কৰা নাই সেই নিমিত্তে তিমান ভয় পোৱা নাই। আটাইবোৰ অহিত একত্ৰে কৰি দেখুওৱা অসম্ভব তথাপি কিছু তলত দিয়া হ'ল। চাই, চিন্তা কৰিবা ই, থকা উচিত নে অনুচিত।

১। জাতিভেদে ঈশ্বৰ বিশ্বাসত অবিশ্বাস জন্মায়। যেতিয়া ভবা যায় যে দ্বিজাতিৰ সুখৰ নাম শূদ্ৰৰ সুখ, দ্বিজাতিৰ উন্নতিৰ নাম শূদ্ৰৰ উন্নতি, বিধাতাই শূদ্ৰৰ বিৰুদ্ধে দাসত্ব ডিক্ৰী দিছে, তেতিয়া ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে সন্দেহ হয়। থাকিলেও দ্বিজাতিৰে কোনবা ভাগি-জ্ঞাতি বুলি বিশ্বাস হয়।

২। যেতিয়া শুনা যায় যে শূদ্ৰ দ্বিজাতিৰ সমকক্ষ হলে অৰ্থাৎ তেওঁলোকৰ নিচিনা বিদ্যাবুদ্ধি সম্পন্ন হলে ধৰ্ম্মৰ গ্লানি হব, দেশ ৰসাতললৈ যাব, তেতিয়াই ঈশ্বৰৰ সমদৰ্শিতাত আৰু নিঃস্বাৰ্থপৰতাত সন্দেহ হয়। তেতিয়া মানুহ আৰু ঈশ্বৰৰ প্ৰভেদ বুজিবলৈ একো নাথাকে।

৩। জাতিয়ে স্পৃশ্য জাতিৰ ঘৰত হোৱা দুৰ্গা পূজাত গৈ অস্পৃশ্য জাতিক অঞ্জলি দিব আৰু অস্পৃশ্য জাতিৰ ঘৰত হোৱা দুৰ্গা পূজাত গৈ স্পৃশ্য জাতিক অঞ্জলি দিব বাধা দিয়ে। আৰু ইয়াৰে মানুহৰ মনত বিশ্বাস জন্মায় যে স্পৃশ্যৰ ঘৰৰ দুৰ্গা আৰু অস্পৃশ্যৰ ঘৰৰ দুৰ্গা একে নহয়। ব্ৰাহ্মণৰ ঘৰৰ দুৰ্গা ব্ৰাহ্মণী, কলিতাৰ ঘৰৰ দুৰ্গা কলিতানী আৰু কাটনীৰ ঘৰৰ দুৰ্গা কাটনী বুলি বুজাই দিয়ে। দুৰ্গাৰ পতিতপাবনী, কলুষনাশিনী জগতজননী আদি যিবোৰ বিশেষণ আছে সেইবোৰ মিছা বুলি ঘোষণা কৰে।

৪। ই, উপাসকক উপাসনাৰ ফলৰ পৰা বঞ্চিত কৰে। নাবালক, বিকৃতাঙ্গ, ৰুগ্ন, অপক্কবুদ্ধি, অকৰা, অজলা সন্তানৰ প্ৰতি মাতৃস্নেহ প্ৰবল হাজাৰো মলিন হ'ক, হাজাৰো

পণ্ডিত হ'ক, ইয়াক ওচৰলৈ আহিব দিবই দিব। কোলাত লৈ গা মূৰ পিহিবই পিহিব, লগত লৈ খাবই খাব। ই, মাতৃস্নেহৰ স্বাভাৱিক সোঁত। বৎসৰৰ শেষত জগত জননীক মাতৃ অনাৰ পিছত ই (জাতিয়ে) গৈ ব্ৰাহ্মণক ভোগ ঘৰত, কলিতাক কাষত, কোচক চোঁতালত, কাটনীক পদূলিত খাব দি জননীৰ ওচৰলৈ সিহঁতক যাব নেদি তেওঁৰ মনত কষ্ট দিয়ে। আৰু পূজা গ্ৰহণ নকৰি তাৰ পৰিবৰ্ত্তে শাপ দি যাবলৈ বাধ্য কৰে। তেওঁ শাপ দিয়ে—"তহঁত হতশ্ৰী হবি, তহঁতৰ মিল কেতিয়াও নহব, পৰস্পৰে পৰস্পৰৰ ভিতৰত কাজিয়া কৰি চিৰকাল অশান্তিত থাকিবি।" গতিকে শক্তি পূজা কৰিও উপাসকে শক্তিলাভ নকৰি উপাসনাৰ ফলৰ পৰা বঞ্চিত হয়।

৫। ই, সমাজত মানুহ জন্মিব নেদিয়ে। মূৰ্খ হলেও ব্ৰাহ্মণৰ ল'ৰাই ব্ৰাহ্মণ বিধায়, ক্ষত্ৰিয়ৰ ল'ৰাই ক্ষত্ৰিয় বিধায় পূৰা সন্মান পাবই। আৰু পণ্ডিত হলেও শূদ্ৰৰ ল'ৰাই শূদ্ৰ বিধায়, অস্পৃশ্যৰ ল'ৰাই অস্পৃশ্য বিধায় লাঞ্চিত হবই। সুতৰাং গুণী হবলৈ, জ্ঞানী হবলৈ আগ্ৰহৰ কাৰণ নথকাত সমাজ মূৰ্খে পৰিপূৰ্ণ হবই। এনেকৈয়ে সমাজ বৰ্ত্তমান অৱস্থালৈ আহিছে।

৬। শাস্ত্ৰে কয়,—"পুণ্য কৰিলে সৰগ পায় আৰু পাপ কৰিলে নৰকলৈ যায়।" জাতি অনুসাৰে তাত ঠাই আছে নে নাই ইয়াৰ উত্তৰ ই, (জাতিয়ে) দিব নোৱাৰাত শাস্ত্ৰত অবিশ্বাস জন্মে।

৭। ই, মানুহক দুৰ্ব্বল আৰু অল্পায়ু কৰে। যি মাটিত যি শস্য জন্মে সেই মাটিতে যদি সেই মাটিত জন্মা সেই শস্যৰ বীজ পুনঃ পুনঃ বপন কৰা যায় তেন্তে শস্য ক্ৰমান্বয়ে বেয়া হৰ ধৰে ইয়াক খেতিয়ক মাত্ৰেই জানে। জাতিৰ বন্ধনত স্বজাতিৰ ভিতৰত অনন্ত কালৰ পৰা বিবাহ চলাৰ পৰা যে বংশধৰ সকলৰ ক্ৰমান্বয়ে শাৰীৰিক অৱস্থাৰ অবনতি নহব ইয়াৰ নিশ্চয়তা কি ?

৮। ই, (জাতিয়ে) ভোজলৈ যোৱা মানুহক অনেক সময় ভোজ খাব নেদি কটা মূৰে, কটা কাণে ঘৰলৈ যাব বাধ্য কৰে ।

৯। ই, (জাতিয়ে) শ্ৰাদ্ধলৈ গৈ নিমন্ত্ৰিত সকলৰ আগত সাজিলোৱা বোকা চাউলৰ দোনাবে কুবোৱাকুবি লগাই দি শ্ৰাদ্ধকৰ্ত্তাৰ বাপেকক আধাখোৱা পিণ্ড এৰি পলাব বাধ্য কৰে ।

১০। ই, শ্মশানলৈ গৈ মৰাশ লৈ টনাটনি কৰি যম-দূতকও নিষ্ঠুৰতাত পৰাভব কৰে ।

১১। ই, (জাতিয়ে) বিয়ালৈ গৈ হোমবাৰি, হোম খৰিৰে টঙনা টঙনী লগাই দি নব দম্পতিৰ ফুল-শয্যা প্ৰেত-শয্যাত পৰিণত কৰে ।

১২। ই, নাদৰ পাৰত আৰু পুখুৰীৰ ঘাটত গৈ পিপাসাৰ্ত্ত পথিকক পানী চুৱা কৰা অপৰাধত বান্ধি ধৰি কিলায় ।

১৩। ই, জাহাজত গৈ লুকুৱাই খালাসীৰ ৰন্ধা খাব দিয়ে আৰু সমাজত আহি লোহাজত যাওঁতে নির্জ্জলা একাদশী কৰা বুলি কব দিয়ে। লুকুৱাই খোৱা আৰু মিছা কোৱা এই দুই পাপৰে ই প্রবর্ত্তক।

১৪। ই, হৰি মন্দিৰত গৈ হৰিক চুৱা কৰে, প্রায়শ্চিত্ত কৰে। হৰিৰ সৃষ্ট মানুহে চুলে হৰি চুৱা যোৱা বুলি ঘোষণা কৰি হৰিৰ মহিমা লোপ কৰে।

১৫। ই, নামঘৰলৈ গৈ ঈশ্বৰৰ নাম চুৱা কৰে, প্রসাদ চুৱা যোৱা বুলি কৈ ঈশ্বৰৰ মহিমাত অবিশ্বাস জন্মায়। প্রসা-দৰ পৰিবর্ত্তে তালে কটা কাণ হাতত লৈ আহিব বাধ্য কৰে।

১৬। ই, দোভাগ ৰাতিৰ ভোকে পিয়াহে কাতৰ অতিথিক টেটুত ধৰি নি তিনি নঙলাৰ মুৰত উলিয়াই দি গৃহস্থক মহা সুখে শোৱাই থয়।

১৭। ই, এজমালীতে নাদ পুখুৰী খান্দিব বাধা দি অসমর্থ সকলক পচা খালৰ পানী খাবলৈ বাধ্য কৰি স্বাস্থ্য ভঙ্গত সহায় কৰে।

১৮। ই, ডাক্তৰক দেখুৱাবলৈ মুমূর্ষু ৰোগীক ঘৰৰ ভিতৰৰ পৰা কাথিলৈ আনোঁতে মাৰে। যেহেতু অকুলীন ডাক্তৰক ই, ঘৰত সোমাব নিদিয়ে চৰু চুৱা যোৱাৰ ভয়ত।

১৯। ই, দোষী হলেও স্বজাতিৰ পক্ষে কাজিয়াত যোগ দিব আৰু সাক্ষ্য দিব বাধ্য কৰে।

২০। ই, কাকো ব্যৱসা কৰি ধন ঘটিব নিদিয়ে।

"ঐহিক সুখৰ কোনো আৱশ্যকতা নাই। হাৰে-চালে, জৰাজীৰ্ণ হৈ চুৰি-ডকাইতি, জাল-জুৱাচুৰি অথবা জাতি সন্মান-জনক ভিক্ষা বৃত্তিৰ দ্বাৰা কোনোমতে জাতি ৰক্ষা কৰি কটোৱা, পৰকালত সুখ পাবা" মাত্র এই উপদেশ বিজ্ঞিয়াই বিজ্ঞিয়াই দিবই লাগিছে। আৰু কব লাগিছে, "লোক ৰক্ষাৰ নিমিত্তে যিবোৰ ব্যৱসা তুমি কৰিব নোৱাৰা তাক নকৰিবা কিন্তু দুবেলা দুমুঠা ভাতৰ নিমিত্তে সেই ব্যৱসা কৰা মানুহৰ ঘৰত লাগিলে চাকৰ থাকিবা অথবা সসম্মানে তাৰ ঘৰত ভিক্ষা কৰিবা। চাকৰি তোমাৰ পৈত্রিক ব্যৱসা—ভিক্ষা তোমাৰ গৌৰৱৰ ধন।"

২১। ই, স্বাধীনতা হাৰক। মুষ্টিমেয় দ্বিজাতিয়ে যেতিয়া দেশ সেৱা, সমাজ সেৱাৰ মূল্য পাহৰি ভোগবাসনাত মগ্ন হ'ল অথচ তেওঁলোকৰ শাসনত কোটি কোটি শূদ্র নিৰক্ষৰ হৈ থাকিল, দেশ কি, সমাজ কি, স্বাধীনতাৰ সুখ কি, মনুষ্যত্ব কি তাৰ গন্ধ নোপোৱা হৈ থাকিল তেতিয়াই ভাৰতত আত্ম কলহ আহিল। ভাৰতক কোনেও ৰাজ্য-লালসাত জয় কৰিব আহিম বুলি অহা নাছিল। ভাৰতবাসীৰ আত্ম-কলহত, স্বদেশ প্রেমিকতাৰ অভাৱত ই পৰাধীন হৈছে।—ইতিহাস তাৰ সাক্ষী।

# অতীত আৰু বৰ্ত্তমান

সত্য যুগৰ খবৰ আমি বেচিকৈ নাপাওঁ। যি পোৱা যায় তাৰ পৰা নৰসমাজত জাতিভেদ নথকা বুলিয়ে বুজা যায়। তেতিয়া সমাজত জ্ঞানৰ আদৰ, বিদ্যাৰ আদৰ বৰ বেচি আছিল। পৃথিৱীখনকে বৈকুণ্ঠত পৰিণত কৰিবলৈ যোনে যিমান পাৰে ঐশ্বৰিক তত্ত্ব উদ্ভাবন কৰিছিল। তেওঁলোক বৰ উদাৰ আছিল—তেওঁলোক নমস্য আৰু সনাতন ধৰ্ম্মৰ প্রতিষ্ঠাতা। তেওঁলোকৰ দিনত যেনেকৈ জাতিভেদ নাছিল তেনেকৈ পশু-বলৰ আধিপত্য, ধন-বল আৰু জন-বলৰ আধিপত্যও নাছিল। আৰু সেই নিমিত্তে সমাজক যুদ্ধ-বিগ্রহাদি অশান্তিজনক কামে বিষাদিত কৰিবও নোৱাৰিছিল। "যত জীৱ তত শিব" এই বাক্য সেই যুগৰ মানুহৰ মগজুৰ পৰাই ওলাইছিল। তেওঁলোকে ঈশ্বৰ থাকিবলৈ মঠ-মন্দিৰ বনোৱাৰ আৱশ্যকতা নেদেখিছিল, যেহেতু সৃষ্টিৰ প্রত্যেক জীৱ-জন্তুকে, প্রতিদাল তৰু-তৃণকে তেওঁলোকে ঈশ্বৰৰ মন্দিৰ বুলি বুজিছিল। এবং সেই নিমিত্তে তেওঁলোকে এই মন্দিৰৰ প্রতি অসদ্ব্যবহাৰ কৰিব নোৱাৰাত তেতিয়া ৰজো আৰু তমো গুণে গা কৰিব নোৱাৰিছিল। ত্রেতাৰ আদিতে ৰজোগুণে সমাজৰ ঘাড়ত উঠি বহাত সেব্য-সেৱক, পাল্য-পালক, স্পৃশ্য-অস্পৃশ্য প্রভু-ভৃত্য, শাসিত-শাসক ইত্যাদি কথাৰ ধূলি মিশ্রিত পথোৰাই

সমাজৰ শান্তিৰ মলয়া ধুৰুলী-কুৰুলী কৰি পেলালে। ইয়াৰ কিঞ্চিত খবৰ আমি ৰামায়ণৰ জৰিয়তে পাওঁ। ৰামায়ণত "সম্বুকবধ" নামে এটা উপাখ্যান আছে। শূদ্ৰই ঈশ্বৰ আৰাধনা কৰা অপৰাধত ৰামে নিজ হাতে তৰোৱাল ধৰি সম্বুকক কাটি সমাজত ধৰ্ম্ম অক্ষুণ্ণ ৰখা বুলি তাত লিখিত আছে। আৰু সেই সৎকাৰ্য্য কৰাৰ নিমিত্তে ব্ৰহ্মাকে আদি কৰি ব্ৰাহ্মণ সকলে ৰামৰ মূৰত পুষ্পবৃষ্টি কৰিছিল। সম্বুকে ঈশ্বৰ আৰাধনা কৰাটো ৰাম ৰাজ্যত ইমান ধৰ্ম্ম-বিৰুদ্ধ কাৰ্য্য বুলি পৰিগণিত হৈছিল যে তাৰ ফলত ব্ৰাহ্মণৰ পাঁচ বছৰীয়া লৰাৰ অকাল মৃত্যু হৈছিল। সম্বুকৰ ঈশ্বৰ উপাসনাৰ লগত ব্ৰাহ্মণৰ লৰাৰ পৰমায়ুৰ সম্বন্ধ কি? কোন শাস্ত্ৰ, কোন যুক্তি দি ইয়াক সমৰ্থন কৰিব পাৰি? সি যি কি নহক ৰামৰাজ্যত শূদ্ৰৰ ঠাই ক'ত আছিল? এই সময়ৰ আইন কি আছিল?— আইনৰ কৰ্ত্তা কোন আছিল? ৰামে যেতিয়া পাত্ৰ-মন্ত্ৰী লৈ ব্ৰাহ্মণৰ লৰাৰ অকাল মৃত্যুৰ কাৰণ বিচাৰ কৰে তেতিয়া তাত দেৱৰ্ষি নাৰদৰ উপস্থিতি দেখা যায়। আৰু শূদ্ৰৰ ঈশ্বৰ আৰাধনাৰ ফলত ব্ৰাহ্মণৰ লৰাৰ অকাল মৃত্যু হোৱা বুলি তেখেতেই কোৱা দেখা যায়। দেৱৰ্ষিৰ এই বিচাৰ কোন যুক্তিমূলক? তাৰ পিছত ব্ৰহ্মাকে আদি কৰি ব্ৰাহ্মণমণ্ডলী ৰামৰ মূৰত পুষ্প বৃষ্টি কৰা মানে ৰামৰ কাৰ্য্য সমৰ্থন কৰা। তেওঁ-লোকেই বা ৰামৰ এই কৰ্ম্ম কি যুক্তিৰে সমৰ্থন কৰিছিল? এই যুক্তি কি বাস্তৱিকে মূৰৰ পৰা ওলাইছিল? ক্ষুদ্ৰ মগজৰ

পৰা এনেকুৱা মোটা যুক্তি ওলোৱা সম্ভৱপৰ নহয় । সম্ভৱতঃ ই পেটৰ পৰা ওলাইছিল । এতিয়াও অনেকৰ পেটৰ পৰা ওলাব যে ৰামে সম্বুকক হত্যা কৰা কথাটোৰ অইন কিবা অৰ্থ থাকিব পাৰে, নহলে তেওঁ গুহক চণ্ডালৰ লগত মিত্ৰতা কৰা কথা সম্ভৱপৰ নহয় । আমি যদি কওঁ "ৰামে গুহকৰ লগত মিত্ৰতা কৰা গল্পৰ অইন কিবা অৰ্থ থাকিব পাৰে—সম্বুক বধেই তাৰ প্ৰমাণ" তেনেহলে যুক্তিবিৰুদ্ধ হব নে কি ? গুহক ৰজা আছিল, ৰজাই ৰজাৰ লগত মিত্ৰতা কৰা ৰাজনীতিৰ কাম । বিশেষতঃ তেতিয়া ৰামে আত্মীয়স্বজন এৰি গৈ নিঃসহায় অৱস্থাত গুহকৰ ৰাজ্য পাইছিল । তেতিয়া গুহকৰ লগত মিত্ৰতা কৰা ভিন্ন তেখেতৰ উপায় কি আছিল ? পাঠক ! সম্বুক বধ হ'ল বিচাৰ, মনু সংহিতা হ'ল আইন । কাৰ্য্যৰ গতি বেয়া দেখি এতিয়া বামসাদায় সকলৰ ভিতৰত যোনে মানুহকে নিজে বুদ্ধিমান বুলি ভাবে সেইয়ে কব আৰম্ভ কৰিছে যে সম্বুক-বধ উপাখ্যানটো কোনবা স্বাৰ্থান্ধ মানুহৰ প্ৰক্ষিপ্ত । তাৰ উত্তৰত যদি আমি কওঁ যে জাতি-ভেদ বিষয়ক যতবোৰ বাক্য শাস্ত্ৰত লিখা আছে সেই আটাইবোৰেই স্বাৰ্থান্ধ মানুহৰ প্ৰক্ষিপ্ত বাক্য, ইয়াত কিবা দোষ হব নে ? তেখেতে যি যুক্তিৰে সম্বুক-বধ উপাখ্যানটো প্ৰক্ষিপ্ত বুলিব, আমিও সেই যুক্তিৰে জাতিভেদ সমৰ্থক শ্লোকবোৰ প্ৰক্ষিপ্ত বুলিম । তেখেতৰ কথা বিশ্বাস কৰিলে আমাৰ কথা বিশ্বাস নকৰাৰ কাৰণ কি ?

পাঠক! ইয়াৰ বাদেও কেইখনমান সংহিতাৰ কেইটা-মান শ্লোক অসমীয়া ভাঙ্গনিয়ে সৈতে তলত দিয়া হল। তাৰে পৰা অতীতৰ শূদ্ৰৰ অৱস্থা কি আছিল বুজিবৰ চেষ্টা কৰিব।

"উচ্ছিষ্টমন্নং দাতব্যং জীর্ণানি বসনানিচ।
পুলকাশ্চৈব ধান্যানাং জীর্ণশ্চৈব পৰিচ্ছদাঃ।

মনু ১০ম অ, ১২৫

ব্ৰাহ্মণে শূদ্ৰৰ ভোজনৰ নিমিত্তে উচ্ছিষ্ট অন্ন, পৰিধানাৰ্থ জীর্ণ বসন, শয়নাৰ্থ জীর্ণ শয্যা আৰু ধান-খেৰ দিব।"

"মাৰ্জ্জাৰনকুলৌ হত্বা চাষং মণ্ডুকমেব চ।
শ্বগোধোলূককাকাংশ্চ শূদ্ৰহত্যা ব্ৰতং চৰেৎ॥

মনু ১১শ অ, ১৩২

বিড়াল, নকুল, চাষ পক্ষী, ভেকুলী, কুকুৰ, গোধা আৰু পেচা এইবোৰৰ একোটা হত্যা কৰিলে ব্ৰাহ্মণৰ শূদ্ৰহত্যাৰ সমান প্ৰায়শ্চিত্ত লাগিব।"

"অস্থিমতান্তু সত্বানাং সহস্ৰস্য প্ৰমাপণে।
পূৰ্ণে চানস্যনস্থ্নান্তু শূদ্ৰহত্যা ব্ৰতং চৰেৎ॥

মনু ১১শ অ, ১৪১

কৃকলাস অৰ্থাৎ মণিকাবাজাতীয় হাৰ থকা প্ৰাণীৰ এক হাজাৰ বধ কৰিলে এজন শূদ্ৰ বধ কৰাৰ সমান প্ৰায়শ্চিত্ত লাগে। হাৰ নথকা উৰহ জাতীয় প্ৰাণীৰ এক গাড়ী পৰিমিত বধ কৰিলে এজন শূদ্ৰহত্যাৰ সমানেই প্ৰায়শ্চিত্ত লাগে।"

"খৰোষ্ট্ৰহয়নাগান্ সিংহ শাৰ্দ্দূল গৰ্দ্দভান্।
হত্বাচ শূদ্ৰহত্যায়াঃ প্ৰায়শ্চিত্তং বিধীয়তে॥

অত্ৰি ২২২

শৰভ, উষ্ট্ৰ, অশ্ব, হস্তী, সিংহ, ব্যাঘ্ৰ বা গৰ্দ্দভ হত্যা-কাৰী ব্ৰাহ্মণৰ শূদ্ৰহত্যাৰ সমান প্ৰায়শ্চিত্ত লাগিব।"

"শক্তেনাপি শূদ্ৰেণ ন কাৰ্য্যো ধনসঞ্চয়ঃ।
শূদ্ৰোহি ধনমাসাদ্য ব্ৰাহ্মণানেৱ বাধতে॥

মনু ১০ম অ, ১২৯

অৰ্থ উপাৰ্জ্জন কৰিব সক্ষম হলেও শূদ্ৰে অৰ্থ সঞ্চয় কৰিবলৈ যত্ন কৰা উচিত নহয়; কাৰণ শাস্ত্ৰজ্ঞানবিহীন শূদ্ৰই ধনমদে মত্ত হৈ ব্ৰাহ্মণক অৱজ্ঞা কৰিব পাৰে।"

শাস্ত্ৰ শিকাই লোৱাত বাধা কি আছিল? ব্ৰাহ্মণৰ লৰাই শাস্ত্ৰ শিকা নাছিল নে? শিকি উঠি অত্যাচাৰী হৈছিল জানো? না জাতি পোৱাৰ নিচিনা মাতৃগৰ্ভতে শাস্ত্ৰ জানি আহিছিল?

"অকুলীনেহসদ্‌বৃত্তে জড়ে শূদ্ৰে শঠে দ্বিজে।
এতেষ্বেব ন দাতব্যমিদং শাস্ত্ৰং দ্বিজোত্তমৈঃ॥

অত্ৰি ৮

শ্ৰেষ্ঠ ব্ৰাহ্মণসকলে অসদ্বংশীয়, অসচ্চৰিত্ৰ, মূৰ্খ, খলস্বভাৱ ব্ৰাহ্মণক আৰু শূদ্ৰক শাস্ত্ৰ শিক্ষা নেদিব।"

পণ্ডিতৰ সংখ্যা বাঢ়িলে আৰু মূৰ্খৰ সংখ্যা কমিলে পৃথিবীত শান্তি অহাৰ সম্ভৱ। তথাপি এনেকুৱা উলটা ব্যৱস্থা কিয়?

"বধ্যো ৰাজ্ঞা সবৈ শূদ্ৰো জপ হোম পৰশ্চয়ঃ।
ততো ৰাষ্ট্ৰস্য হন্তাসৌ যথা বহ্নেশ্চবৈজলম্॥

অত্ৰি ২৯

জপ হোম প্ৰভৃতি কৰ্ম্মনিৰত শূদ্ৰক ৰজাই বধ কৰিব; কাৰণ, পানীয়ে যেনেকৈ জুইক নষ্ট কৰে তেনেকৈ জপ হোম পৰায়ণ শূদ্ৰই ৰাজ্য নষ্ট কৰে।"

ধাৰ্ম্মিকে ৰাজ্য নষ্ট কৰা কথা ইয়াতেহে শুনা গ'ল। ধৰ্ম্ম কি দুই প্ৰকাৰ? কোন প্ৰকাৰে দেশ ৰাখে আৰু কোন প্ৰকাৰে দেশ মাৰে?

"জপস্তপ তীৰ্থযাত্ৰা প্ৰব্ৰজ্যা মন্ত্ৰসাধনম্।
দেৱতাৰাধনঞ্চৈব স্ত্ৰী শূদ্ৰ পতনানি ষট্॥

অত্ৰি .৩৫

জপ, তপস্যা, তীৰ্থযাত্ৰা, সন্ন্যাস, মন্ত্ৰ সাধন, দেৱতাৰাধন এই ছয়টা কামে স্ত্ৰী আৰু শূদ্ৰক পতিত কৰে।"

"শূদ্ৰাণাং দ্বিজ শুশ্ৰূষা পৰোধৰ্ম্মঃ প্ৰকীৰ্ত্তিতঃ।
অন্যথা কুৰুতে কিঞ্চিৎ তদ্ভবেৎ তস্য নিস্ফলম্॥

পৰাশৰ ১ম অ, ৬১

শূদ্ৰসকলৰ দ্বিজ সেৱাই শ্ৰেষ্ঠ ধৰ্ম্ম। ইয়াক বাদে সিহঁতে যি কৰিব সেই সমুদায় নিস্ফল হব।"

"বাণিজ্যং কাৰয়েদ্বৈশ্যং কুসীদংকৃষিমেৱচ।
পশুনাং ৰক্ষণঞ্চৈব দাস্যং শূদ্ৰং দ্বিজন্মনাম্॥

মনু ৮ম অঃ ৪১০।

ৰজাই বৈশ্যক বাণিজ্য, কুসীদ, কৃষি আৰু পশু পালন কামত এবং শূদ্ৰক দ্বিজাতিৰ সেৱাত নিযুক্ত কৰিব।"

"দাস্যন্তু কাৰয়ন্ লোভাদ ব্ৰাহ্মণঃ সংস্কৃতান্ দ্বিজান্।
অনিচ্ছতঃ প্ৰাভৱত্যাদ্ ৰাজ্ঞা দণ্ডাঃ শতানিষট্॥

শূদ্রন্তু কাৰয়েদ্দাস্যং ক্রীত মক্রীত মেব বা।
দাস্যায়ৈব হি সৃষ্টোঽসৌ ব্রাহ্মণস্য স্বয়ম্ভুবা॥
মনু ৮ম, অঃ ৪১২, ৪১৩।

ব্রাহ্মণে যদি প্রভুত্ব বা লোভৰ দ্বাৰা অনিচ্ছুক সংস্কাৰ-যুক্ত দ্বিজসকলক স্বীয় পদ প্রক্ষালনাদি ৰূপ দাস্য কামত লগায় তেন্তে ৰজাই তেওঁক ছয়শ পণ দণ্ড কৰিব। কিন্তু ক্রীতই হক বা অক্রীতই হক, শূদ্রৰ দ্বাৰা দাস্য কৰ্ম্ম কৰাব; যেহেতু বিধাতাই দাস্য কৰ্ম্ম কৰাৰ নিমিত্তেই ইয়াক জন্ম দিছে।”

আজিকালি দেখোঁ তেনে দেখা নাযায়? বিধাতা বদলিল জানো? বদলিলে তাৰ কাৰণ কি?

“নস্বামিনা নিস্‌সৃষ্টোপি শূদ্রো দাস্যাদ্বিমুচ্যতে।
নস্বর্গজং হি তৎ তস্য কস্তস্মাৎ তদপোহতি॥
মনু ৮ম অ, ৪১৪

শূদ্র স্বামী কৰ্ত্তৃক বিমুক্ত হলেও দাসত্বৰ পৰা বিমুক্ত নহয়। দাসত্ব কৰ্ম্ম তাৰ স্বাভাৱিক, অতএব ইয়াক কোনে মুক্ত কৰিব পাৰে?”

“বিশুদ্ধং ব্রাহ্মণং শূদ্রাদ্ দ্রব্যোপাদান মাচৰেৎ।
নহি তস্যাস্তি কিঞ্চিৎ স্বং ভৰ্ত্তৃহাৰ্য্যধনোহি সঃ॥
মনু ৮ম অ, ৪১৭

ব্রাহ্মণে বিশুদ্ধ চিত্তেৰে দাস শূদ্রৰ ধন আত্মসাৎ কৰিব পাৰে; যেহেতু তাৰ নিজস্ব কিছুই নাই। ইয়াৰ সমুদায় ধনেই ভৰ্ত্তৃহাৰ্য্য। (প্রভুই বা মালিকে হৰণ কৰিব লগা)”

“অগুপ্তে ক্ষত্রিয়া বৈশ্যে শূদ্রাং বা ব্রাহ্মণো ব্রজন।
শতানি পঞ্চ দণ্ডঃ স্যাৎ সহস্রন্তন্ত্যজস্ত্রিয়াম্॥
মনু ৭ম অ, ৩৮৫

অৰক্ষিতা ক্ষত্ৰিয়া, বৈশ্যা বা শূদ্ৰা গমন কৰিলে ব্ৰাহ্মণৰ সহস্ৰ পণ দণ্ড হব। চাণ্ডালাদিৰ স্ত্ৰীগমন কৰিলেও ব্ৰাহ্মণৰ ঐ দণ্ড হব।"

"শূদ্ৰো গুপ্তমগুপ্তং বা দ্বৈজাতং বৰ্ণমাবসন্।
অগুপ্তমঙ্গ সৰ্ব্বস্বৈ গুপ্তং সৰ্কেন হীয়তে॥

মনু ৮ম অ, ৩৭৪

যত্ন ৰক্ষা যুক্তই হ'ক বা অৰক্ষিতাই হ'ক শূদ্ৰে দ্বিজাতি স্ত্ৰীগমন কৰিলে অৰক্ষিতা গমনত শূদ্ৰৰ লিঙ্গচ্ছেদ আৰু সৰ্ব্বস্ব হৰণ দণ্ড আৰু ভৰ্ত্তাদি কৰ্ত্তৃক ৰক্ষিতা গমন কৰিলে প্ৰাণবধ আৰু সৰ্ব্বস্ব হৰণ দণ্ড হব।"

কাৰো হৰণত সতীত্ব বেচিকৈ নষ্ট হয় আৰু কাৰো হৰণত কম হয় নেকি? এই পাৰ্থক্যভাৱ যুক্তি কি?

"একজাতি দ্বিজাতিংস্তু বাচা দাৰুণয়া ক্ষিপন।
জিহ্বায়াঃ প্ৰাপ্নুয়াচ্ছেদং জঘন্য প্ৰভবোহিনঃ॥

মনু ৮ম অ, ২৭০

একজাতি অৰ্থাৎ শূদ্ৰই যদি দ্বিজাতিৰ প্ৰতি কঠিন বাক্য প্ৰয়োগ কৰে, তেন্তে শূদ্ৰৰ জিহ্বাচ্ছেদন ৰূপ দণ্ড হব; কাৰণ ইয়াৰ জন্ম জঘন্য ঠাইৰ পৰা হৈছে।"

হৰি হৰি! ঈশ্বৰৰ চৰণ জঘন্য? হে মনু! এই কথা তুমি নকলে কব কোনে? ঈশ্বৰৰ ভৰিৰ পৰা ওলোৱা গঙ্গা শুদ্ধ হল কেনেকৈ? একে ভৰিৰ পৰা দুটা বস্তুৰ সৃষ্টি; তাৰে এটা শুদ্ধ আৰু আনটো অশুদ্ধ? এই শুদ্ধাশুদ্ধৰ বিচাৰক পেট নহয়নে?

ইয়াক বাদেও আৰু বহু সংহিতা আছে আৰু প্ৰায়বোৰতে এনেকুৱা ব্যৱস্থা বহু আছে, যাৰ পৰা অতীতত শূদ্ৰৰ অৱস্থা কি আছিল ভালকৈ বুজা যায়। এনেকুৱা ব্যৱস্থাৰেই বোধ কৰোঁ ৰামে সম্বুকক বধ কৰিছিল। আৰু বুজা যায় যে অতীতত অৰ্থাৎ যেতিয়া হিন্দু ৰজাসকল প্ৰবল প্ৰতাপান্বিত আছিল আৰু ব্ৰাহ্মণসকল তেওঁলোকৰ মন্ত্ৰদাতা আছিল, তেতিয়া শূদ্ৰসকল দ্বিজাতিৰ ঘৰত গৰু ছাগলী আৰু কুকুৰ মেকুৰীৰ দৰে আছিল। আটাইবোৰ শূদ্ৰক দ্বিজাতিসকলে আপোষে ভগাই লৈ চাকৰ ৰাখিছিল।

শূদ্ৰৰ অতীতত গৌৰৱ কৰিব পৰা বস্তু কি আছিল তাক বিধাতাইহে জানে। যাৰ ধৰ্ম্মত অধিকাৰ নাছিল—জ্ঞান-বিজ্ঞানত অধিকাৰ নাছিল—ভাতৰ চৰুও যাৰ নাছিল—উচ্ছিষ্ট খাওঁতে যাৰ জনম গৈছিল—যাৰ নিজৰ শৰীৰৰ ওপৰতো স্বত্ব নাছিল,—তাৰ আছিল কি? উপশাস্ত্ৰবোৰত লিখিছে "কলিকালত মানুহে জাতি মানিবৰ নহয়, শাস্ত্ৰ মানিবৰ নহয়, ইত্যাদি ইত্যাদি"—অৰ্থাৎ লিখকসকলে বুজিছিল যে এই আধিপত্য চিৰকাল থাকিবৰ নহয়। ক্ৰমোন্নতি জগতৰ ৰীতি। প্ৰকৃতিৰ গতিত এই শূদ্ৰ পালৰ যে এদিন চকু নুখুলিব এনে নহয়। এনে এদিন আহিব যিদিনা সিহঁতে কান্ধৰ জঙ্গলী পেলাই দি দৌৰ মাৰিব। গতিকে ধৰ্ম্মৰ দোহাই দি—পাপ-পুণ্যৰ দোহাই দি দাসত্বৰ মন্ত্ৰটো সংস্কাৰত পৰিণত কৰিবলৈ প্ৰাণপণে চেষ্টা কৰি অনেকেই

উপশাস্ত্ৰ লিখি গৈছে। উপশাস্ত্ৰৰ জোৰ কম নহয়;—ঠিক ফল দিছে। "জাতি মিছা" এই কথাত ব্ৰাহ্মণে আপত্তি নকৰিব পাৰে, ক্ষত্ৰিয়েও আওকাণ কৰিব পাৰে, বৈশ্যইও কাণ নকৰিবৰ সম্ভৱ, কিন্তু শূদ্ৰৰ ভিতৰত দাসত্ব সংস্কাৰান্ধ বহুতলাৰ যোনে তৎক্ষণাৎ কৈ উঠিব "বোপা! শাস্ত্ৰত কৈছে নহয় কলিত মানুহে জাতি নমনা হব।" এনেভাবে তেওঁ কথাটো কব যেন বিধাতাই জাতিৰ মাৰ্কাটো দিওঁতে তেওঁ আগতে আছিল আৰু জাতি নামানিলে ধৰ্ম্ম-কৰ্ম্ম আজিয়ে ৰসাতললৈ যাব। তেওঁ নাজানে যে শূদ্ৰৰ পক্ষে সত্যযুগ কলিকাল আছিল আৰু কলিকাল সত্যযুগ হৈছে। আজি শূদ্ৰৰ পক্ষে ৰাম ৰাজ্য। কালৰ গতিত দ্বিজাতিয়ে নিজ নিজ ক্ষমতা হেৰুৱাত শূদ্ৰই মুক্তি পাইছে। এই মুক্তি ব্ৰাহ্মণে দিম বুলি দিয়া নাই—ক্ষত্ৰিয়ই দিম বুলি দিয়া নাই—প্ৰকৃতিয়ে তেওঁলোকক দয়া কৰি দিছে। শূদ্ৰৰ দুৰৱস্থা দেখি—ধৰ্ম্মৰ গ্লানি দেখি ভগৱানে বুদ্ধদেৱৰ জৰিয়তে যি ধৰ্ম্মৰ সোঁত ভাৰতব্যাপী বোৱালে, তাৰ ফলত শূদ্ৰে অক্ষৰত অধিকাৰ পাইছে। গীতা-ভাগৱত, বেদ-বেদান্তত এতিয়াও অধিকাৰ পোৱা নাই। অইন ধৰ্ম্মী ৰজাই ভাৰত শাসন কৰাত শূদ্ৰে গাৰ বলেৰে বেদ-বেদান্ত, গীতা-ভাগৱত পঢ়িব ধৰিছে। হিন্দু ৰজা থকা হলে—দ্বিজাতিৰ সেই আধিপত্য থকা হলে নিশ্চয় শূদ্ৰৰ মুণ্ডপাত কৰিলেহেঁতেন। তথাপি তুমি জাতি মিছা বুলি কলে মূৰ্চ্ছা যাব খোজা। কালৰ সোঁতত শাৰীৰিক

দাসত্বৰ পৰা মুক্ত পালেও মানসিক দাসত্বৰ পৰা মুক্ত পোৱা নাই। এই মানসিক দাসত্বৰ পৰা মুক্ত পোৱা নাই বুলিয়ে আজিও সুখ-শান্তি পোৱা নাই। অতীতত অক্ষৰত শূদ্ৰৰ অধিকাৰ থকা হলে তেতিয়া শূদ্ৰৰ কি দুখ আছিল তাৰ কাহিনী জানিব পাৰিলাহেঁতেন। ক্ষত্ৰিয়ৰ তৰোৱালৰ কোবত তেনেকুৱা কোনো মানুহ ওলাব পৰা নাছিল। নিৰক্ষৰ অৱস্থাত একতৰফা বিচাৰ শুনোঁতে শুনোঁতে জাতিভেদৰ সংস্কাৰ এটাই এনেভাবে মনত ঠাই লৈছে যে তাক দূৰ কৰা টান হৈছে। "জাতি ব্যৱসাগত, ই জন্মগত নহয়" এই কথা পুনঃ পুনঃ চিন্তা নকৰিলে, যুক্তিৰ দ্বাৰা ইয়াক সমৰ্থন কৰিবলৈ বা উকুৱাবলৈ চেষ্টা নকৰিলে এই সংস্কাৰ দূৰ নহব। ইয়াক যেতিয়ালৈ দূৰ কৰিব নোৱাৰিব তেতিয়ালৈ ঐহিক, পাৰত্ৰিক উভয় সুখৰ অধিকাৰী হব নোৱাৰিব। সংস্কৃত শ্লোক মাত্ৰকে শাস্ত্ৰৰ বচন বুলি ভবা, ধোঁৱা-লগা সাঁচিপতীয়া পুথি মাত্ৰকে শাস্ত্ৰ বুলি মনা, বিশ্বাস নথকা সত্ত্বেও বিশ্বাসীৰ ভাও কৰা আৰু ভক্তিভাব নথকা সত্ত্বেও ভক্তিভাব দেখুৱাতো স্বাধীন চিন্তাৰ কাম নহয়। চিন্তা যাৰ পৰাধীন, সি শাৰীৰিক কি মানসিক কোনো ৰকমৰ স্বাধীনতাৰ সুখ নাপায়—পাবৰ অধিকাৰী নহয়।

# মানৱ-ধৰ্ম্ম ।

আজি পর্য্যন্ত যতবোৰ জন্তু আমাৰ জ্ঞান-গোচৰ হৈছে সেই আটাইবোৰেই কেইটামান সাধাৰণ ধৰ্ম্মৰ দাস। যেনে, জন্ম মৃত্যু, আহাৰ-নিদ্ৰা, মৈথুন আৰু ভয়। আৰু এই কেই-টাৰ আনুসঙ্গিক ক্ৰোধ, লোভ, মোহ আদি ৰিপুবোৰও আছে। মানুহও এই জন্তুবোৰৰ ভিতৰৰ এটা আৰু প্ৰধান। গৰুক আহাৰ লাগে, যেতিয়ালৈ তাৰ পেট নভৰে তেতিয়ালৈ সি আহাৰ বিচাৰিয়ে থাকে। পেট ভৰাৰ পিছত ৰাশি ৰাশি আহাৰ পালেও তাক নালাগে; পিছে খাবলৈ জমা কৰি নথয়। কিন্তু মানুহক যে অকল পেট ভৰাই খোৱাৰ নিমি-ত্তেই আহাৰ লাগে এনে নহয়,—তাৰ লৰা-ছোৱালীৰ নিমিত্তে লাগে—আত্মীয়-স্বজনৰ নিমিত্তে লাগে—নাতি-পুতিৰ নিমিত্তে সাঁচি থবলৈও লাগে। সুতৰাং এই ক্ষেত্ৰত মানুহ অন্যান্য জন্তুতকৈ ডাঙৰ অর্থাৎ মানুহত পশুত্ব বেছিকৈ আছে। আহাৰ আৰু পানীয় লৈ জন্তুবোৰৰ ভিতৰত যি বিৰোধ দেখা যায় সি অল্প কালস্থায়ী, কিন্তু এই বিষয়ত মানুহৰ ভিতৰত যি বিৰোধ সি সময়ত অল্প-কালস্থায়ী, সময়ত জীৱন-ব্যাপী। সুতৰাং এই ক্ষেত্ৰতও মানুহত পশুত্ব বেছিকৈ দেখা যায়। জন্তুৰ ভিতৰত পৰশ্ৰীকাতৰতা ৰোগ থকাৰ সন্ধান পোৱা নাযায় বৰং নথকাৰহে প্ৰমাণ আছে; কিন্তু মানুহত এই ৰোগ অত্যন্ত প্ৰবল;—ই, মানুহক দিনে-ৰাতিয়ে জীৱনভৰ

পুৰি মাৰে । এই ৰোগ পশুত্ব জ্ঞাপক হয়নে নহয় কব নোৱাৰি সঁচা, কিন্তু ই, মানুহক পশুত্বে দিয়া দুখতকৈও বেচি দুখ দিয়ে । এই নিমিত্তে ইয়াক ডাঙৰ পশুত্ব বুলি ধৰা উচিত আৰু এই বিষয়ত মানুহৰ গাত ডাঙৰ পশুত্ব থকা বুলিও কোৱা উচিত । পশু-জীৱনত কাম প্ৰবৃত্তি চৰিতাৰ্থ কৰিবৰ প্ৰবৃত্তি আছে । সিহঁতে ঋতুমতে সেই প্ৰবৃত্তি চৰিতাৰ্থ কৰে, কিন্তু মানুহৰ নিচিনা বাৰ মাহে, ত্ৰিনশ পয়ষট্টি দিনে সেই প্ৰবৃত্তি চৰিতাৰ্থ নকৰে । মতা পশুৱে এজনী মাইকী পশুৰ লগত থাকিয়ে সন্তুষ্ট হয়, কিন্তু মানুহ এজনীতে তৃপ্ত নহয় । যিমানেই দেখে সিমানেই তাক লাগে । সুতৰাং এই ক্ষেত্ৰতও মানুহত পশুত্ব বৰ প্ৰবল দেখা যায় । এনেকৈ অন্যান্য প্ৰবৃত্তিবোৰতও পশুতকৈ মানুহৰ গাত পশুত্ব বেচিকৈ থকা দেখা যায় । পশুৰ পশুত্ব সীমাবদ্ধ, অপৰিবৰ্ত্তনীয় । জন্মোতে যিখিনি পশুত্ব তাৰ গাত থাকে তাৰ কম বেচি কৰিবৰ উপায় নাই । কিন্তু মানুহৰ পশুত্ব অসীম । ইয়াক যেনেকৈ কমাব পাৰি তেনেকৈ বঢ়াবও পাৰি ।

আমি দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ পৰা বুজিব পাৰিছোঁ,—পশুত্ব ভাল, যদি পশু শৰীৰত থাকে । মানুহৰ গাত পাশৱ-বৃত্তি যিমানেই প্ৰবলভাবে নাথাকক, সি মানুহ । তাৰ এই পাশৱ-বৃত্তিৰ লগত এটা জ্ঞান-বিবেকৰ বীজ নিহিত আছে,—ই, বৰ্দ্ধনশীল । অইন জন্তুৰ গাত ইয়াৰ বীজ নাই সঁচা, কিন্তু এটা সহজ-জ্ঞান আছে । কোন বস্তু তাৰ খাদ্য আৰু

কোন বস্তু তাৰ অখাদ্য সি ঘ্ৰাণেৰে বুজিব পাৰে। এই বুজিব পৰা শক্তি সীমাবদ্ধ, জাতিগত আৰু জন্মগত। ইয়াৰ হ্ৰাসবৃদ্ধি কৰিবৰ উপায় নাই। এই বিষয়ত দামুৰীৰ যি জ্ঞান বুঢ়া কালুৰাবো সেই একেই জ্ঞান। এটাৰ যি পৰিমিত জ্ঞান আটাইবোৰৰে সেই পৰিমিত জ্ঞান। নৰ শৰীৰত যি জ্ঞান-বিবেকৰ বীজ নিহিত আছে তাৰ বাঢ়িবৰ ঠাই অসীম-অনন্ত। সি পশুজ্ঞান পৰিমিত কম হবও পাৰে, আৰু অনন্তকও ধাৰণ কৰিব পৰা দ. দীঘল, বহল হব পাৰে। এই বিবেকিতা থকাৰ নিমিত্তে নৰ শৰীৰত পশুত্ব সুখদায়ক বুলি বিবেচিত নহয়। ইয়াত যিমানেই জ্ঞান কম হয়, বিবেক কম হয়, তিমানেই পশুত্ব সুখদায়ক বুলি বিবেচিত হয়। আৰু যিমানেই বিবেকিতা বাঢ়ি যায়, তিমানেই পশুত্ব অহিতকৰ আৰু দুখদায়ক, এনেকি, সময়ত নিৰৰ্থক বুলিও বিবেচিত হয়। এবং সেই নিমিত্তেই এই সীমাবিহীন পশুত্ব থকা সত্বেও মানুহ পশু নহয় আৰু মানুহে নিজকে নিজে পশুতকৈ শ্ৰেষ্ঠ জীৱ বুলি ভাবে। হাতভৰি বিশিষ্ট নৰাকৃতি ৰক্তমাংসৰ শৰীৰধাৰী হৈও বানৰ মানুহ নহয়, যেহেতু তাৰ গাত অকল পশুত্বহে আছে। পশুত্বৰ লগতে জ্ঞান-বিবেকৰ বীজ নিহিত থকা জীৱৰ নাম মানুহ। এই দুটা একেলগে যাৰ গাত নিহিত নাই তাৰ নাম মানুহ নহয়।

পশু শৰীৰত পশুত্ব একছত্ৰী ৰজা। সুখ হ'ক, দুখ হ'ক, সম্পদ হ'ক, বিপদ হ'ক, পশুত্বৰ আদেশ অনুসাৰে

পশু চলিবই ; তাৰ এদাল চুলিৰ পৰিমাণেও ইপিনে সিপিনে যাবৰ সাধ্য নাই । নৰ-শৰীৰ পশুত্ব আৰু বিবেকিতাৰ কুৰুক্ষেত্ৰ । এপিনে পশুত্বই ঘাৰত বহি দুই হাতে চকু ঢাকি ধৰি কয়,—"অন্ন-বস্ত্ৰ, ধন-সম্পত্তি উপাৰ্জ্জন কৰ, কিন্তু অকল তোৰ নিমিত্তে নকৰিবি, অকল শৰীৰ ৰক্ষাৰ জোখাৰে কৰিয়ে ক্ষান্ত নাথাকিবি, লৰা-ছোৱালী, আত্মীয়-স্বজনক কুলোৱাৰ জোখাৰে কৰিবি, নাতি-পুতিলৈ সাঁচি থোৱাৰ জোখায় কৰিবি ; বিলাসিতাৰ চূড়ান্ত কৰিবৰ জোখায় কৰিবি । সৎ-অসৎ, ন্যায়-অন্যায় যি কোনো উপায়েৰে পাৰ সেই উপায়েৰে কৰিবি ।" অইন পিনে বিবেকিতাই মূৰৰ ওপৰত বহি চেঁচা পানীয়ে চকু দুটি ধুই দি কাণে কাণে কয় ;—"তোমাৰ নিমিত্তে,—পাৰিলে আত্মীয়-স্বজনৰ নিমিত্তে,—পাৰিলে সমাজৰ নিমিত্তে,—পাৰিলে দেশৰ নিমিত্তে—কেৱল শৰীৰ ৰক্ষাৰ নিমিত্তে সৎ উপায়েৰে ন্যায়-পথত থাকি উপাৰ্জ্জন কৰিবি ; বিলাসিতাৰ নিমিত্তে নকৰিবি । নাতি-পুতিলৈ ধন-সম্পত্তি সাঁচি থৈ যোৱাৰ পৰিবৰ্ত্তে এখন মনুষ্য-সমাজ গঠন কৰি থৈ যাবলৈ চেষ্টা কৰিবি ।" এপিনে পশুত্বই চকুত আকনৰ আঠা, কাণত আল্‌কাটাৰা ঢালি দি ক্ষন্তেকও ভাবিবৰ সময় নিদি পিঠিত চাপৰ মাৰি ইঙ্গিতেৰে কয়,—"স্ত্ৰী-সম্ভোগ কৰ, যিমানলৈ ইচ্ছা যায় তিমানলৈ কৰ, যিমানৰ প্ৰতি মন ধাবিত হয় তিমানকে সম্ভোগ কৰ ; শাৰীৰিক কষ্ট, স্বাস্থ্য-ভঙ্গ, সামাজিক শাসন একোৰে প্ৰতি ভ্ৰূক্ষেপ নকৰিবি, একান্ত

মনে সম্ভোগ কৰি গৈ থাক।” অইন পিনে বিবেকিতাই বুকত চেঁচা হাত বুলাই অতি গোপনে নিৰ্জ্জনত বহি কাণে কাণে কয়;—“সম্ভোগৰ ইচ্ছাত স্ত্ৰী সম্ভোগ নকৰিবা। সন্তান কামনাৰে সময় মতে স্ত্ৰীৰ লগত থাকিবা। নিজৰ বিবাহিতা স্ত্ৰীৰ লগত থাকিবা; মাত্ৰ এজনী বিয়া কৰিবা। সন্তান কামনাত স্ত্ৰীৰ লগত থকা ভিন্ন অইন সময়ত কাম-ভাব মনলৈ আহিবই নিদিবা। স্বাস্থ্য, সমাজ, কৃষি-ৰোজগাৰ হিচাব কৰি চাই চলিবা। তুমি কামৰ দাস নহবা, তাকেহে তোমাৰ দাস কৰিবা।” এনেকৈ প্ৰত্যেক বিষয়তে নৰ-শৰীৰত পশুত্ব আৰু বিবেকিতাৰ যুদ্ধ চলিবই লাগিছে। কেতিয়াবা পশুত্বৰ জয়, কেতিয়াবা বিবেকিতাৰ জয়। এপিনে কামোপভোগৰ সময়ত পশুত্বৰ জয়, অইন পিনে ধন-সম্পত্তি উপাৰ্জ্জনত বিবেকিতাৰ জয়। এপিনে দানত বিবেকিতাৰ জয়, অইন পিনে ক্ৰোধত পশুত্বৰ জয়। সেই নিমিত্তে মানুহ কেতিয়াও পশুতকৈ অধম হব নোৱাৰে আৰু সেই নিমিত্তেই নৰ-শৰীৰত পশুত্বই একছত্ৰী ৰজা হব নোৱাৰে,—নিজেও হব নোৱাৰে বিবেকিতাকও ৰজা হোৱাত প্ৰতিবন্ধক জন্মায়। প্ৰতিবন্ধক জন্মালেও, কোনো কোনো মানুহৰ গাত ই অকৃতকাৰ্য্য হয় এবং সৰ্বশেষত গৈ বিবেকিতা একছত্ৰী ৰজা হয়। আৰু তেতিয়াই মানুহ সঁচাকৈয়ে মানুহ হয়। মানুহৰ এই অৱস্থাৰ নাম মনুষ্যত্ব। প্ৰায়বিলাক মানুহেই মনুষ্যত্বৰ পৰা বহুত তলত থাকে আৰু থকা সত্ত্বেও নিজকে মানুহ

বুলি ভাবে; সেই নিমিত্তে কেতিয়াবা প্রকৃত মানুহ এজন লগ পালে তাক দেৱতা বা অৱতাৰ বুলি আখ্যা দিয়ে।

কি লৈ বিবেকিতাই পশুত্বৰ যুদ্ধত পদার্পণ কৰে? ইয়াৰ অস্ত্র কি? আৰু কিহেৰেই বা ই ভাল-বেয়া, হিত-অহিত, কৰ্ত্তব্য-অকৰ্ত্তব্য, পাপ-পুণ্য ইত্যাদি কথাৰ বিচাৰ কৰে? এইবোৰ জুখিবৰ যন্ত্র কি? অস্ত্রই বোলা বা যন্ত্রই বোলা মাত্র একেটা বস্তু। ই বৰ সৰু অথচ বৰ ডাঙৰ। বট গছৰ গুটিৰ ভিতৰত থকা ক্ষুদ্র গুটিৰ ভিতৰত যেনেকৈ সুবৃহৎ বট গছ সোমাই থাকে ঠিক তেনেকৈ ইয়াৰ ভিতৰত যাবতীয় অস্ত্র শস্ত্র, গীতা ভাগৱত সোমাই আছে। ই কয়,—"আত্মবৎ মন্যতে জগত।" "তোমাৰ ধন-সম্পত্তি চুৰ কৰি নিলে যদি তুমি দুখ নোপোৱা তেন্তে তুমিও চুৰ কৰিবা। তোমাৰ স্ত্রী অইনে হৰিলে যদি তুমি দুখ নোপোৱা তেন্তে তুমিও হৰণ কৰিবা। পিয়াহত পানী, ভোকত ভাত, জাৰত কাপোৰ দিলে যদি তুমি সুখ নোপোৱা তেন্তে তুমিও কাকো নিদিবা। তোমাক ঘৃণা কৰিলে, জোৰ কৰি চাকৰ বালে, ধুমুহা, শিল-বৰষুণত ভিজি মৰিলেও তোমাক অস্পৃশ্য বুলি মোৰ ঘৰত সোমাব নিদিলে যদি তুমি ভাল পোৱা, তেন্তে তুমিও মোৰ প্রতি তেনেকুৱা ব্যৱহাৰ কৰিবা। জাল দলীল, জাল উইল কৰি তোমাৰ ন্যায্য সম্পত্তি নিলে, মিছা সাক্ষ্য দি তোমাক ফাটকলৈ পঠিয়ালে, তোমাক মাৰি-পিটি ন্যায্য দখলৰ পৰ বেদখল কৰিলে যদি তুমি ভাল পোৱা, তেন্তে

তুমিও অইনৰ প্ৰতি এনেকুৱা ব্যৱহাৰ কৰিবা ।” গছৰ তলত চলন শক্তি ৰহিত হৈ পৰি থকা গৰুটোক অইন গৰুৱে ঘাহ-পানী আনি নিদিয়ে । কিন্তু মানুহৰ ভিতৰত শুই থকা বিবেকিতাই চলন শক্তি ৰহিত হৈ পৰি থকা মানুহলৈ আহাৰ-পানী আনিবলৈ কয় । যেহেতু সি তাৰ নিজৰ প্ৰতিও তেনেকুৱা ব্যৱহাৰ পছন্দ কৰে ।

পাঠক ! “আত্মবৎ মন্যতে জগত”—ই হ'ল জ্ঞানৰ গুটি । ই প্ৰত্যেক মানুহৰ ভিতৰতে আছে ; ই প্ৰত্যেক মানুহৰ ভিতৰতে গজে, ই প্ৰত্যেক মানুহকে পশুত্বৰ যুজত লগায় । ই. কাৰো ভিতৰত গজিয়ে মৰে, কাৰো অন্তৰত কিছু ডাঙৰ হৈ কুমাৰ অৱস্থাতে পশুত্বৰ ধুমুহাত ভাঙি পৰি মৰি যায় । কিন্তু গুটি হলে অমৰ । ই, পুনঃ পুনঃ গজে পুনঃ পুনঃ মৰে, পুনঃ পুনঃ দাল-পাত ধৰে, পশুত্বৰ ধুমুহাত পুনঃ পুনঃ ভাঙি পৰে । কেতিয়াবাহে কোনবা এজনৰ অন্তৰত সুবৃহৎ বৃক্ষ হৈ শাখা-প্ৰশাখা বিস্তাৰ কৰি ফুলে-পাতে, পুষ্পে-ফলে জগতৰ শান্তিপ্ৰদ হয় । তেতিয়া কোটি কোটি নৰ নাৰী গৈ এই গছৰ তলত বিশ্ৰাম কৰি শান্ত হয়, ইয়াৰ অমৃতোপম ফল খাই তৃপ্ত হয় । যাৰ অন্তৰত এই গছৰ সম্পূৰ্ণ বৃদ্ধি হয় তেওঁৱেই মানুহ, তেওঁৱেই অৱ-তাৰ । কাৰো অন্তৰত ই যে গজিয়ে মৰে, কাৰো অন্তৰত যে ই কুমাৰ অৱস্থাতে নিপতিত হয় আৰু কাৰো অন্তৰত যে সুবৃহৎ বৃক্ষে পৰিণত হয় ইয়াৰ কাৰণ কি ? তোমাৰ

ধন-সম্পত্তি চোৰে নিলে তুমি দুখ পোৱা অতএব পৰৰ সম্পত্তি তুমি চুৰ নকৰা, ই, হ'ল "আত্মবৎ মন্যতে জগত" ইয়াৰ উপদেশ। তুমি যুক্তিযুক্তও দেখিলা ; কিন্তু যেতিয়া তোমাৰ নচলা হ'ল—অন্ন নাই, বস্ত্ৰ নাই, জীৱন যায় যায়, তেতিয়া উপায় কি ? হাত মেলিলে বা সামান্য এক আষাৰ কথা লকুৱাই কলেই তোমাৰ এই দুখ নাথাকে, তোমাৰ প্ৰাণ বাচে, তেতিয়াই মৃত্যুৰ ভয়ে আহি কলে,—"আনা পৰৰ বস্তু হাত মেলি, কোৱা এক আষাৰ মিছা। পৰস্ত্ৰী হৰণ কৰিলে পৰে দুখ পাব বুলি তুমি জানা ; কিন্তু যেতিয়া পৰস্ত্ৰীৰ ৰূপ-যৌৱন চকুত পৰিল, যেতিয়া কাম-ভাবে তোমাক বাতুলপ্ৰায় কৰিলে, তেতিয়া জ্ঞান-বিবেকৰ বীজে বা ইয়াৰ কোমল বয়সৰ গছে তোমাক সহায় কৰিব অসমৰ্থ হ'ল। তেতিয়াই তুমি পশুত্বৰ যুজত পৰাস্ত। মৃত্যুৰ বিভাষিকা আৰু ৰূপ-যৌৱনৰ মোহিনী শক্তিৰ ওচৰত পৰাস্ত হৈ লাজে অপমানে নিৰ্জ্জনত বহি বিবেকিতাই ভাবে—"হ'ল কি ? কিহে এনেকুৱা কৰালে ? ইয়াৰ ভিতৰত আছে কি ? মৃত্যুনো কি ? ৰূপ-যৌৱননো কি ? তাৰ উপভোগজনিত সুখনো কি ? ভাবোঁতে ভাবোঁতে বিবেকিতাই যি দেখে তাক ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত বিশদৰূপে বৰ্ণন কৰিছে। পাঠকৰ সুবিধাৰ নিমিত্তে তলত সেই বাক্যবোৰ তুলি দিয়া হ'ল।

## গীতা ২য় অধ্যায়।

"ন ত্বেবাহং জাতু নাশং ন ত্বং নেমে জনাধিপাঃ।
ন চৈব ন ভবিষ্যামঃ সর্ব্বে বয়মতঃপৰম্॥ ১২
দেহিনোঽস্মিন্ যথা দেহে কৌমাৰং যৌবনং জৰা।
তথা দেহান্তৰপ্রাপ্তির্ধীৰস্তত্র ন মুহ্যতি॥ ১৩
মাত্রাস্পর্শাস্তু কৌন্তেয় শীতোষ্ণসুখদুঃখদাঃ।
আগমপায়িনোঽনিত্যাস্তাং স্তিতিক্ষস্ব ভাৰত॥ ১৪
যং হি ন ব্যথয়ন্ত্যেতে পুৰুষং পুৰুষৰ্ষভ।
সমদুঃখসুখং ধীৰং সোঽমৃতত্বায় কল্পতে॥ ১৫
নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ।
উভয়োৰপি দৃষ্টোঽন্তস্তনয়োস্তত্ত্বদর্শিভিঃ॥ ১৬
অবিনাশি তু তদ্বিদ্ধি যেন সর্ব্বমিদং ততম্।
বিনাশমব্যয়স্যাস্য ন কশ্চিৎ কর্ত্তুমৰ্হতি॥ ১৭
অন্তবন্ত ইমে দেহা নিত্যস্যোক্তাঃ শৰীৰিণঃ।
অনাশিনোঽপ্রমেয়স্য তস্মাৎ যুধ্যস্ব ভাৰত॥ ১৮
য এনং বেত্তি হন্তাৰং যশ্চৈনং মন্যতে হতম্।
উভৌ তৌ ন বিজানীতো নায়ং হন্তি ন হন্যতে॥ ১৯

ন জায়তে ম্রিয়তে বা কদাচি-
ন্নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে॥ ২০

বেদাবিনাশিনং নিত্যং য এনমজমব্যয়ম্।
কথং স পুৰুষঃ পাৰ্থ কং ঘাতয়তি হন্তি কম্॥ ২১

বাসাংসি জীর্ণানি যথা বিহায়
নবানি গৃহ্ণাতি নৰোঽপৰাণি।

তথা শৰীৰাণি বিহায় জীৰ্ণা-
ন্যন্যানি সংযাতি নবানি দেহী ॥ ২২
নৈনং ছিন্দন্তি শস্ত্ৰাণি নৈনং দহতি পাবকঃ
ন চৈনং ক্লেদয়ন্ত্যাপো ন শোষয়তি মাৰুতঃ ॥ ২৩
অচ্ছেদ্যোঽয়মদাহ্যোঽয়মক্লেদ্যোঽশোষ্য এবচ ।
নিত্যঃ সৰ্ব্বগতঃ স্থাণুৰচলোঽয়ং সনাতনঃ ॥ ২৪
অব্যক্তোঽয়মচিন্ত্যোঽয়মবিকাৰ্য্যোঽয়মুচ্যতে ।
তস্মাদেবং বিদিত্বৈনং নানুশোচিতুমৰ্হসি ॥ ২৫
অথ চৈনং নিত্যজাতং নিত্যং বা মন্যসে মৃতম্ ।
তথাপি ত্বং মহাবাহো নৈনং শোচিতুমৰ্হসি ॥ ২৬
জাতস্য হি ধ্ৰুবোমৃত্যুৰ্ধ্ৰুবং জন্ম মৃতস্য চ ।
তস্মাদপৰিহাৰ্য্যেঽৰ্থে ন ত্বং শোচিতুমৰ্হসি ॥ ২৭
অব্যক্তাদীনি ভূতানি ব্যক্তমধ্যানি ভাৰত ।
অব্যক্তনিধনান্যেব তত্ৰ কা পৰিদেবনা ॥ ২৮
দেহী নিত্যমবধ্যোঽয়ং দেহে সৰ্ব্বস্য ভাৰত ।
তস্মাৎ সৰ্ব্বাণি ভূতানি ন ত্বং শোচিতুমৰ্হসি ॥ ৩০

"মই কেতিয়াও নাছিলোঁ এনেকুৱাও নহয়। তুমি আৰু এই ৰাজন্যবৰ্গ যে আগেয়ে নাছিলা তেনেও নহয়; আৰু এনেও হব নোৱাৰে যে ইয়াৰ পিছত আমি সকলোৱে নাথাকিম। ১২। যেনেকৈ দেহধাৰীসকলে এই দেহতে বাল্য, যৌৱন আৰু বাৰ্দ্ধক্য পায়, তেনেকৈ এই দেহা এৰি অন্য দেহাও পায়। অতএব এই বিষয়ত (মৃত্যুত) জ্ঞানী মানুহে মোহ প্ৰাপ্ত নহয়। অৰ্থাৎ ল'ৰাই

ল'ৰাকাল এৰি ডেকা হোৱাত যদি শোক নকৰা, ডেকাই ডেকাকাল এৰি বুঢ়া হলে যদি নাকান্দা, জগতৰ গতিত হৈ থাকে বুলি প্ৰবোধ দিব পাৰা, তেন্তে এই দেহা এৰি অইন দেহা লোৱাতো শোক নকৰিবা । ১৩ । হে কুন্তি পুত্ৰ ! সুখ-দুখপ্ৰদ মাত্ৰাসকলৰ অৰ্থাৎ বাহ্য জগতৰ পদাৰ্থসকলৰ ইন্দ্ৰিয়ৰ সৈতে যি সংযোগ হয়, তাৰ উৎপত্তি আৰু বিনাশ আছে, ই অনিত্য আৰু বিনশ্বৰ। হে ভাৰত ! তুমি তাক সহ্য কৰা । ১৪ । কাৰণ, হে নৰশ্ৰেষ্ঠ ! সুখ আৰু দুখ যি জ্ঞানীৰ ওচৰত সমান তেওঁয়েই ব্যথা নাপায় । তেওঁয়েই অমৃতত্ব অৰ্থাৎ অমৃত ব্ৰহ্মৰ অৱস্থা লাভ কৰিবলৈ সমৰ্থ হয় । ১৫ । (ইন্দ্ৰিয়বোৰৰ দ্বাৰা যাক মাপ কৰা যায় সেইবোৰ অৰ্থাৎ বাহ্য পদাৰ্থবোৰৰ নাম মাত্ৰা। এই বাহ্য পদাৰ্থবোৰৰ লগত ইন্দ্ৰিয়ৰ যি স্পৰ্শ তাৰ নাম মাত্ৰাস্পৰ্শ । ইন্দ্ৰিয়বোৰে বাহ্য পদাৰ্থৰ শব্দ আৰু ৰূপাদি গ্ৰহণ কৰে । এই শব্দ আৰু ৰূপাদি গ্ৰহণ হেতুকে কেতিয়াবা সুখ আৰু কেতিয়াবা দুখ অনুভৱ কৰে । এই শব্দ আৰু ৰূপাদি যি শৰীৰত থাকে সেই শৰীৰেই অস্থায়ী আৰু অনিত্য সুতৰাং শব্দ-ৰূপাদি স্থায়ী বা নিত্য হব কেনেকৈ ? যি নিজে স্থায়ী নহয়, বা নিত্য নহয় সি দিয়া সুখ-দুখেই নো স্থায়ী বা নিত্য হব কেনেকৈ ? যি অস্থায়ী, যি অনিত্য তাৰ নিমিত্তে কাতৰ হোৱা উচিত নহয়। ) যি নাই (অসত) সি হব নোৱাৰে, যি আছে (সত) তাৰ অভাৱ হব

নোবাৰে; তত্বজ্ঞানী পুৰুষে সত আৰু অসতৰ অন্ত চাই লৈছে অৰ্থাৎ অন্ত দেখি ইয়াৰ স্বৰূপ নিৰ্ণয় কৰিছে। ১৬। স্মৰণ ৰাখা উচিত যে, এই সম্পূৰ্ণ জগত যোনে ব্যক্ত কৰিছে বা ব্যাপী আছে তেওঁৰেই (মূল আত্মাস্বৰূপ ব্ৰহ্ম) অবিনশ্বৰ। এই অব্যয় তত্ব বিনষ্ট কৰিবলৈ কোনেও সমৰ্থ নহয়। (১৬শ শ্লোকত কোৱা সত বস্তু এওঁৰেই)। ১৭। শৰীৰ স্বামী (আত্মা) যোনে, তেওঁ নিত্য, অবিনাশী ও অচিন্ত্য, তেওঁ (আত্মাই) যি শৰীৰ পাইছে সেইটো নশ্বৰ অৰ্থাৎ অনিত্য। অতএব হে ভাৰত! তুমি যুদ্ধ কৰা। ১৮। যোনে (শৰীৰৰ প্ৰভু আত্মাক) আত্মাক হত্যাকাৰী বোলে, হত (মাৰা) কৰা বোলে, এই উভয়ৰ প্ৰকৃত জ্ঞান হোৱা নাই। (কাৰণ) এই আত্মাই নামাৰেও নমৰেও। (কাৰণ, আত্মা নিত্য সেই নিমিত্তে নমৰে আৰু আত্মা কৰ্ত্তা নহয়, যি কিছু কৰে প্ৰকৃতিয়ে কৰে সুতৰাং আত্মাই নামাৰেও।) ১৯। ই (আত্মা) কেতিয়াও নজন্মে, নমৰেও আৰু এনেও নহয় যে ই (একবাৰ) হব আৰু নহব। ই অজ, নিত্য, শাশ্বত ও পুৰাণ আৰু শৰীৰ নিহত হলেও ই নমৰে। ২০। হে পাৰ্থ যোনে জানে যে এই আত্মা অবিনশ্বৰ, নিত্য, অজ ও অব্যয় সি কাক কেনেকৈ হত্যা কৰাব বা কাক কেনেকৈ বধ কৰিব? ২১। যেনেকৈ মানুহে পুৰাণ কাপোৰ এৰি নতুন কাপোৰ লয়, তেনেকৈ দেহী অৰ্থাৎ শৰীৰৰ স্বামী আত্মাই পুৰাণ শৰীৰ ত্যাগ কৰি অইন নতুন

শৰীৰ গ্ৰহণ কৰে । ২২ । ইয়াক (আত্মাক) শস্ত্ৰে কাটিব নোৱাৰে, জুয়ে পুৰিব নোৱাৰে, তেনেকৈ পানীয়েও ভিজাব বা গলাব নোৱাৰে । আৰু বায়ুৱেও শুকাব নোৱাৰে । ২৩ । (সৰ্ব্বতোভাবে) অকাটা, অদাহ্য, অক্লেদ্য আৰু অশোচ্য এই আত্মা নিত্য, সৰ্ব্বব্যাপী, স্থিৰ, অচল ও সনাতন অৰ্থাৎ চিৰন্তন । ২৪ । এই আত্মাকেই অব্যক্ত (ইন্দ্ৰিয় অগোচৰ), অচিন্ত্য (মনৰ অগোচৰ) এবং অবিকাৰ্য্য (যাৰ বিকাৰৰ উপাধি নাই) বুলি কোৱা হয় । এই নিমিত্তে আত্মাক এনেকৈ বুজি তাৰ নিমিত্তে শোক কৰা তোমাৰ উচিত নহয় । ২৫ । অথবা যদি তুমি স্বীকাৰ কৰা যে এই আত্মা (নিত্য নহয় শৰীৰৰ লগতেই) সদায় জন্মে বা মৰে তেনে-হলেও হে মহাবাহো ! ইয়াৰ নিমিত্তে শোক কৰা তোমাৰ উচিত নহয় । ২৬ । কাৰণ, যোনে জন্মে তাৰ মৃত্যু নিশ্চিত, আৰু যোনে মৰে তাৰ জন্ম নিশ্চিত এই নিমিত্তে এই অপৰি-হাৰ্য্য বিষয়ত (তোমাৰ উক্ত মতানুসাৰেও) শোক কৰা উচিত নহয় । ২৭ । সমস্ত ভূতেই আৰম্ভতে অব্যক্ত (ইন্দ্ৰিয় অগোচৰ) মাজতে ব্যক্ত (ইন্দ্ৰিয় গোচৰ) আৰু মৰিলে অব্যক্ত হয় ; (এইয়ে যদি সকলোৰে অৱস্থা হয়) তেন্তে হে ভাৰত ! ইয়াৰ কোন বিষয়ত শোক কৰিবা ? ২৮ । সকলো জীবৰ শৰীৰতে (অবস্থিত) শৰীৰৰ স্বামী (আত্মা) সৰ্ব্বদা অবধ্য অৰ্থাৎ কেতিয়াও নিহত হব নোৱাৰে । অতএব হে ভাৰত ! (অৰ্জ্জুন) সমস্ত অৰ্থাৎ কোনো প্ৰাণীৰ নিমিত্তে তোমাৰ শোক কৰা উচিত নহয় । ৩০

এইবোৰ যুক্তিৰে বিবেকিতায় মৃত্যু মিছা বুলি প্ৰমাণ কৰে। মৃত্যু মিছা হলে মৃত্যুভয়ৰ বিভীষিকা মানুহৰ মনলৈ কেনেকৈ আহিব? যি মিছা, যাৰ অস্তিত্ব নাই তাক ভয় কৰিব কোনে? মৃত্যুভয় যাৰ নাই, সি কি কৰিব নোৱাৰে? মৃত্যুৰ ভয়ে মানুহক সময়ত সঁচা কব নিদিয়ে, সময়ত মিছা কোৱায়, সময়ত পৰক হত্যা কৰায়, সময়ত পৰস্ব হৰণ কৰায়। ই অসত্যৰ বন্ধু, সত্যৰ শত্ৰু; পাপৰ সহায়-কাৰী। পশুত্বৰ যুজত এই যুক্তিবোৰেই কৌমদকী গদা। কাম-ক্ৰোধাদিয়ে এই অক্ষয় কবচ ভেদি বিবেকিতাৰ গাত হাত দিব নোৱাৰে। যি অসত, যি অনিত্য সেইয়ে পশুত্ব। যোনে এইবোৰ তত্ত্ব যি পৰিমাণে উপলব্ধি কৰে, সিয়ে পশুত্বৰ যুজত সেই পৰিমাণে জিতে—মনুষ্যত্বৰ পিনে সেই পৰি-মাণে আগুৱায়। ই, মানব ধৰ্ম্মত সোমাবৰ বাটত জ্বলি থকা ফটফটীয়া আলো। ই, "আত্মবৎ মন্যতে জগত" এই বাক্য অনুসৰণকাৰীৰ শৰীৰ ৰক্ষক পহৰা।

"ভিন্নৰুচিৰ্হি লোকঃ।" অৰ্থাৎ প্ৰত্যেক মানুহৰে ৰুচি বিভিন্ন, কাৰো ৰুচিৰ লগত কাৰো ৰুচি নিমিলে, মানব সমাজৰ প্ৰত্যেক মানুহে এই কথা ভালকৈ জানে। তেওঁ-লোকে আৰু জানে যে সকলো মানুহৰ বিবেকিতায় পশুত্বৰ যুজত সমানে নাহাৰে বা নিজিতে। হাৰা জিতাৰ মাত্ৰা অনুসাৰে মানুহৰ ৰুচিৰ বিভিন্নতা হয়। ৰুচিৰ বিভিন্নতাই মতভেদৰ কাৰণ। সেই নিমিত্তে তেওঁলোকে পৰস্পৰৰ

ভিতৰত নিজা নিজা মত প্ৰকাশ কৰে, যুক্তিৰে বুজাই-বঢ়াই নিজ মতলৈ আনিবৰ চেষ্টা কৰে। নোৱাৰিলে বিৰোধ নকৰে, তাক হিংসা নকৰে, তাক নিৰ্য্যাতনেৰে নিজ মতলৈ আনিবৰ চেষ্টা নকৰে। নিতান্তই যদি সমাজ ৰক্ষা নপৰা কিবা কথাত এনেকুৱা মতভেদ হয়, তেন্তে তাৰ লগত নিৰুপদ্ৰৱ অসহযোগ কৰে। তেওঁলোকে সদায় মনত ৰাখে যে মানুহ অভ্ৰান্ত নহয়। সুতৰাং মতভেদ হলেও অধৈৰ্য্য হোৱা উচিত নহয়। গৃহস্থৰ আটাইবোৰ পৰিয়ালে সকলো ৰকমৰ আঞ্জা ভাল নাপায়। আৰু এনেকুৱা বিভিন্ন ৰুচিৰ মানুহ পৰিয়ালত থকা সত্ত্বেও গৃহস্থে এজনালীতে একান্নে খাইলৈ মিলা-প্ৰীতিৰে থাকে। যোনে যিটো ভাল পায় অইনৰ ৰুচি-অৰুচিলৈ নাচাই সেইটোকে ভাল বুলি প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰি গৃহ-বিচ্ছেদ নঘটায়। কৰাৰ ভিতৰত ইয়াকে কৰে যে যোনে যিটো বেয়া পায় সি সেইটো মাখায়। ঠিক তেনেকৈ সমাজৰ ভিতৰত যাৰ লগত যি বিষয়ত নিমিলে তাৰ লগত মাত্ৰ সেই বিষয়ত যোগ নিদিলেই হয় বুলি মানবধৰ্ম্মাবলম্বীয়ে জানে। তেওঁলোকে মানব সমাজক এখন প্ৰকাণ্ড গৃহস্থি বুলি ভাবে। গৃহ-বিচ্ছেদ হোৱা, গৃহস্থিত অশান্তি হোৱা কোনো কামকে তেওঁলোকে নকৰে।

**ঈশ্বৰক আমি দেখা নাপাওঁ। বুদ্ধি আৰু জ্ঞানেৰে মাত্ৰ তাৰ অস্তিত্ব আৰু কাৰ্য্যপ্ৰণালী উপলব্ধি কৰোঁ। তেওঁৰ আকৃতি-প্ৰকৃতি আৰু গুণ-কৰ্ম্মৰ বিবৰণ সম্বন্ধে প্ৰত্যে-**

কৰ মত বিভিন্ন; কাৰো লগত কাৰো মিল নাই। ঈশ্বৰ উপাসনাৰ আৱশ্যকতা আৰু প্ৰণালী সম্বন্ধেও কাৰো মতৰ লগত কাৰো মত নিমিলে। নিমিলাই স্বাভাবিক আৰু মিলাই অস্বাভাবিক। চাক্ষুষ বস্তু লৈয়ে পৰস্পৰৰ ভিতৰত মতভেদ হয়, এনেস্থলত জ্ঞান-বিজ্ঞানৰ অগোচৰ বস্তু লৈ যে নহব তাৰ যুক্তি কি? সেই নিমিত্তে মানবধৰ্ম্মাবলম্বী সকলে শান্তভাবে পৰস্পৰৰ ভিতৰত পৰস্পৰে ঈশ্বৰ তত্ত্ব আলোচনা কৰিব, নিজৰ মত সমৰ্থন কৰিবই লাগিব বা নিজৰ বুজ অভ্ৰান্ত বুলি প্ৰমাণ কৰিবই লাগিব এই সঙ্কল্প মনত লৈ আলোচনাত নবহিব। সত্যৰ অনুসন্ধানৰ নিমিত্তে মনত কোনো ৰকম অহমিকা লৈ আলোচনাত নবহিব। যি যুক্তি-সঙ্গত, যি মানবোচিত তাকে পালে সাবতি ধৰিবৰ ভাব লৈ আলোচনা কৰিব। নানা ৰকম কুতৰ্কৰ দ্বাৰা অপৰ পক্ষক পৰাস্ত কৰি পাণ্ডিত্যৰ ডঙ্কা বজাবলৈ লালায়িত নহব। আলোচনাত সত্য বাহিৰ হলে তাক মূৰ দোৱাই গ্ৰহণ কৰি বিদ্যাৰ মান, বিবেকিতাৰ সন্মান বজায় ৰাখি সত্যৰ গগণভেদি পতাকা তুলিবৰ চেষ্টা কৰিব। বাক্-যুদ্ধেৰে নোৱাৰিলে লাঠি টোকানেৰে নিজ মতলৈ আনি নিজৰ জিত নেদেখুৱাব। সকলোকে সমানে ধনী, সমানে বিদ্বান, সমানে স্বাস্থ্যবান, সমানে দীৰ্ঘায়ু, সমানে সংযমী, সমানে বিক্ৰমী, সমানে ত্যাগী কৰা যেনে অসম্ভৱ আৰু কৰাৰ চেষ্টাও বাতুলতাৰ কাম; ঈশ্বৰ বিষয়ত সকলোকে

একভাৱৰ, এক বিশ্বাসৰ কৰিব খোজাও তেনে অসম্ভৱ আৰু বাতুলতাৰ কাম। আৰু যি কাৰণে আগৰ কেইটাত সকলোকে সমান কৰিবলৈ সমাজে চেষ্টা কৰা নাই, সেই কাৰণে ঈশ্বৰ বিষয়েও সকলোৰে বিশ্বাস একে ৰকম কৰিবৰ চেষ্টা কৰা উচিত নহয়। যি কাৰণে আগৰ কেইটাত সকলোৱে সমান নোহোৱা সত্ত্বেও সমাজত অশান্তি অহা নাই, সেই কাৰণে ঈশ্বৰ বিশ্বাসত একমত নহলেও সমাজত অশান্তি অনা উচিত নহয়। দাম্পত্য-প্ৰণয়ৰ মাত্ৰা প্ৰত্যেক দম্পতিৰ ভিতৰত সমান কৰিবৰ চেষ্টা নকৰা সত্ত্বেও যেনেকৈ সমাজ চলি আছে, ঈশ্বৰ বিষয়ক কথাত অমিল হলেও তেনেকৈ সমাজ চলি থাকিব। তুমি ধুনীয়া দেখা বস্তুক অইনে ধুনীয়া নেদেখিলে যেনেকৈ শান্তি ভঙ্গৰ কাৰণ নহয়, ঈশ্বৰ বিষয়ত তেনেকৈ মতভেদ হলেও শান্তি ভঙ্গৰ কাৰণ হোৱা উচিত নহয়। মানবধৰ্ম্মাবলম্বীয়ে এনেবুৱা যুক্তিৰে ঈশ্বৰ সম্বন্ধীয় কথাত অৰ্থাৎ পাৰত্ৰিকৰ অনুষ্ঠানত চলিব। খাদ্যত ৰুচিভেদ থকা সত্ত্বেও যেনেকৈ ভাই-ককাই, পুত্ৰ-কন্যাৰ লগত মিলা প্ৰীতিৰে থাকা, ঈশ্বৰ বিষয়ত মতভেদ হোৱা সত্ত্বেও তেনেকৈ মিলা-প্ৰীতিৰে থাকিবা। ধন-ধান, বিদ্যা-বুদ্ধিকে আদি কৰি ঐহিক সুখৰ বিষয়বোৰত অইনক তোমাতকৈ উন্নত, এনেকি তোমাৰ সমান হোৱাও তুমি সহ্য কৰিব নোৱাৰা, অথচ ঈশ্বৰ বিষয়ত অইনে তোমাতকৈ উন্নত, অন্ততঃ তোমাৰ সমান নহলে তোমাৰ ধৈৰ্য্যচ্যুতি হয় ইয়াৰ

কাৰণ কি? এই বিষয়ত তোমাৰ উদাৰতা অবিশ্বাস কৰিবৰ কাৰণ নাই জানো। যাৰ ব্যৱসা-বুদ্ধি প্ৰৱল, দলাদলিয়ে যাৰ একমাত্ৰ জীবিকাৰ উপায়—আধিপত্য বিস্তাৰৰ উপায়—সমাজৰ কান্ধত উঠি ফুৰিবৰ কৌশল—সি সদায় ভেদ-নীতিৰ আশ্ৰয় বিচাৰে। ঈশ্বৰক লৈ যি কথা, তাৰ নিচিনা ভেদ-নীতি প্ৰৱৰ্ত্তক কথা আৰু নাই—যেহেতু সি নেদেখা-নুশুনা, জ্ঞান-বিজ্ঞানৰ অগোচৰ বস্তু সম্বন্ধীয়। সেই নিমিত্তে তেওঁলোকে ইয়াকে লৈ ভেদ-নীতিৰ খেলাত থাকে। মানৱধৰ্ম্মাবলম্বী সকলে যেন এই ব্যৱসাদাৰৰ হাতত খেলাৰ পুতুলা নহয়। সমাজৰ ৰক্তে-মাংসে পৰিপুষ্ট হৈ সমাজৰ অন্যায় কৰা জনক যেন প্ৰশ্ৰয় নিদিয়ে।

আজি অধিকাংশ ব্যৱসাদাৰে সনাতন ধৰ্ম্মক হিন্দুধৰ্ম্ম নামে অভিহিত কৰি প্ৰকৃত ধৰ্ম্মৰপৰা এটা পৃথক ধৰ্ম্ম বুলি বুজাবৰ চেষ্টা কৰিছে,—কৰিছে কিয়, তেওঁলোকে প্ৰায় কৃতকাৰ্য্যই হৈছে। সনাতন মানে সত্ত, অৰ্থাৎ সত্যৰ ভিত্তিৰ উপৰত যি স্থাপিত তাৰে নাম সনাতন। ইয়াৰ নাম উল্লেখ কৰিবৰ যোগ্যৰ প্ৰচাৰক কোনেও নাই। বিচাৰ, বিচাৰৰ পিছত বিচাৰ,—যুক্তি, যুক্তিৰ পিছত যুক্তিৰ দ্বাৰা যি সত্যৰ অনুসন্ধান পাইছিল তাৰ নাম সনাতম। ই, এজনৰ জীৱন, কি এক পুৰুষৰ জীৱনত উদ্ঘাটিত হোৱা কথা নহয়,—ই, বহু মানুহৰ জীৱন, আৰু বহু পুৰুষৰ জীৱনৰ সত্যানুসন্ধানৰ লালায়িত চেষ্টাৰ ফল। এজন

ভ্ৰান্ত হব পাৰে, এক পুৰুষ ভ্ৰান্ত হব পাৰে, কিন্তু বহু জন, বহু পুৰুষ ভ্ৰান্ত বুলি ভাবিবৰ যুক্তি বিৰল। তথাপি তেওঁলোকে মানুহ অভ্ৰান্ত নহয় বুলি ধৰি লৈছিল, আৰু সেই নিমিত্তে নিৰাকাৰ পূজাজনক বৈধ কি অবৈধ শাসনৰ দ্বাৰা নিৰাকাৰ (ঈশ্বৰক) পূজা বুলি কব বাধ্য কৰা নাছিল। দুৰ্গা পূজা জনক কালী, কালী পূজা জনক শিৱ, শিৱ পূজা জনক দুৰ্গা পূজিব বাধ্য কৰা নাছিল। অদৃশ্য হৰিক যোনে যি আকৃতিতে ধাৰণ কৰিব পাৰিছিল, তাক সেই আকৃতিতে পূজা কৰিব দিছিল। যোনে যি প্ৰণালীৰে পূজা কৰিলে হৰি সন্তুষ্ট হব বুলি ভাবিছিল, তাক সেই প্ৰণালীৰে পূজা কৰিব দিছিল। কিন্তু ভিত্তি ঠিক আছে নে নাই সেইপিনে লক্ষ্য ৰাখিছিল। সেই নিমিত্তেই নিৰাকাৰ পূজা জনে যেনেকৈ চুৰি, পৰস্ত্ৰী হৰণ, মিথ্যা কথন আদিক পুণ্য বুলি ঘোষণা কৰা নাছিল, দুৰ্গা, কালী কি শিৱ পূজা জনেও তেনেকৈ কৰা নাছিল। সকলোৰে ভিত্তি সেই এক সত্যৰ উপৰ স্থাপিত আছিল। আজি পৃথিবীত নামত বিভিন্ন যতবোৰ ধৰ্ম্ম আছে, সেই আটাইবোৰেই সত্যৰ উপৰত স্থাপিত। উপাসনা-প্ৰণালী বিভিন্ন হব পাৰে, ধৰ্ম্মাবলম্বী সকলৰ আহাৰ-বিহাৰ, আচাৰ-ব্যৱহাৰ বিভিন্ন হব পাৰে কিন্তু ভিত্তি হলে সত্য,—সেই একসত্য। আটাইবোৰেই এক ভিত্তিৰ উপৰ স্থাপিত, যেহেতু উপাসনা প্ৰণালী আৰু আচাৰ-ব্যৱহাৰ বিভিন্ন হোৱা সত্ত্বেও এইবোৰত বিৰোধ নকৰিলে নৰ সমাজৰ

ঐহিক আৰু পাৰত্রিক বিষয়ত ব্যাঘাত হোৱাৰ সম্ভাবনা নাই। আহাৰ-বিহাৰ, আচাৰ-ব্যৱহাৰ, খাদ্যাখাদ্য স্থানীয় জলবায়ু আৰু অবস্থানৰ উপৰত নির্ভৰ কৰে। ই, সত্যৰ উপৰত নির্ভৰ নকৰে বা ইয়াৰ দ্বাৰা সত্যৰ ব্যাঘাত নহয়। উষা স্নান কৰি নামাৱলী গাত দি উপাসনাৰ নিয়ম তিব্বত দেশত চলাব নোৱাৰি, যেহেতু তাত বৰ জাৰ, অকল বৰ জাৰে নহয়, তাত বৰফ জমে—অলপ-চলপ জমে এনে নহয়, মানুহ তল কৰিব পৰাতকৈও বেছিকৈ জমে। তাত থকা সনাতনীৰ পক্ষে এই নিয়ম পালন সম্ভব হব কেনেকৈ? না তাত সনাতন ধৰ্ম্ম চলিব নালাগে বুলি কবা? নিয়ম এটা পালিব নোৱাৰাৰ নিমিত্তে তাৰ মানুহক সত্যৰপৰা বঞ্চিত কৰিবা নে? তুমি কৰিলেও সত্যই নকৰে। খাদ্যাদি বিষয়েও ঠিক তেনেকুৱা কথা। সেই নিমিত্তেই কব সাহ কৰো যে ব্যৱসায়ীৰ ব্যৱসা বুদ্ধিৰ হাতৰপৰা মুক্ত পালে সনাতন ধৰ্ম্মকে মানব-ধৰ্ম্ম বুলি ঘোষণা কৰা উচিত হব আৰু তাকে কৰিলেই মানব-ধৰ্ম্মৰ বিস্তাৰিত বিবৰণ পোৱা সহজ হব। মানবধৰ্ম্মাবলম্বী সকলে জাতি জন্মগত নহয়—ই, কৰ্ম্মগত,—ই, পৰিবৰ্ত্তনশীল ইয়াকে ভাবি সনাতন ধৰ্ম্মমতে চলিব। অইনক আৱশ্যকমতে নিজৰ ধৰ্ম্ম বুজাবলৈ চেষ্টা কৰিব। মত গ্রহণ নকৰিলে বিৰোধ নকৰিব, ঘৃণা নকৰিব, অস্পৃশ্য কি অনাদৃত নকৰিব। "আত্মবৎ মন্যতে জগত" এই বাক্যৰ আদেশ মতে চলিব, ইয়াৰ লগত পৰামর্শ কৰি কৰ্ত্তব্য অকৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিব।

# উপাসনা।

উপাসনাৰ উদ্দেশ্য তিনটা—পাৰত্ৰিক কল্যাণ, ঐহিক কল্যাণ আৰু ঐহিক-পাৰত্ৰিক কল্যাণ। এই তিনি বিধৰ এবিধৰ নিমিত্তেও নাভাবা অৰ্থাৎ "মুক্তিত নিস্পৃহ" ভকতৰ বিষয় আলোচনা কৰা আমাৰ উদ্দেশ্য নহয়। তেখেতক বাদ দি অইন বিধ ভক্তৰ বিষয় হে দুই ফাকিমান লিখিবৰ মন। যেহেতু, জ্ঞাতেই হ'ক বা অজ্ঞাতেই হ'ক প্ৰায় মানুহেই গোটেই তিনিও বিধৰ কল্যাণ-কামী নহলেও, এবিধ নহয় এবিধৰ কল্যাণ-কামী হয়। আৰু এই কল্যাণ সিদ্ধিৰ নিমিত্তে তেওঁলোকে ঈশ্বৰক উপাসনা কৰে। তেওঁলোকৰ উপাসনাক তিনি ভাগে বিভক্ত কৰিলে বোধ কৰোঁ বৰ বেচি যুক্তি-বিৰুদ্ধ নহব। নাম দিব লাগিলে ইয়াৰ নাম হ্‌ব,—তোষামোদ, ভিক্ষা আৰু তোষামোদে সৈতে ভিক্ষা। উপাসকে উচ্চাৰণ কৰা মন্ত্ৰ বা নাম তোষামোদ, ভিক্ষা আৰু তোষামোদে সৈতে ভিক্ষা প্ৰকাশক নহলে নহ্‌বও পাৰে কিন্তু উপাসকৰ মন হলে সম্পূৰ্ণৰূপে তাত মগ্ন থাকে। চকু মুজি নাম জপা, শঙ্খ-ঘণ্টা-ফুল-চন্দনেৰে পূজা, হাঁহ-ছাগলীৰ বলি, গাজি-কল আগত থৈ ধৰা নামকে আদি কৰি যত প্ৰকাৰৰ উপাসনা-পদ্ধতি দেখা যায়, আটাইবোৰতেই উপাসকৰ মানসিক অৱস্থাৰ লগত পদ্ধতিৰ মিল নোহোৱা দেখা যায়। প্ৰত্যেক উপাসনাতে এটা নহয় এটা কিবা কামনা আছেই আছে। এই কামনা অনেক সময় এনেভাবে

PLEASE HANDLE THE BOOK CAREFULLY



সুষুপ্ত থাকে যে উপাসকে নিজেও তাৰ কৰ্তৃত্ব অনুভৱ কৰিব নোৱাৰে। এনেকুৱা কামনাযুক্ত উপাসনা ভাল নে বেয়া তাক কব নোৱাৰ আগেয়ে ঈশ্বৰৰ উপাসনাৰ ফল দিয়া দস্তুৰ আছে নে নাই তাকেহে বোধ কৰোঁ আলোচনা কৰা উচিত।

ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত গীতা কওঁতে এঠাইত কৈছে,—

"ভূমিৰাপোঽনলো বায়ুঃ খং মনো বুদ্ধিৰেব চ।
অহঙ্কাৰ ইতীয়ং মে ভিন্না প্ৰকৃতিৰষ্টধা॥ গীতা ৭ অ ৪
অপৰেয়মিতস্ত্বন্যাং প্ৰকৃতিং বিদ্ধি মে পৰাম্।
জীৱভূতাং মহাবাহো যয়েদং ধাৰ্য্যতে জগৎ॥ গীতা ৭ অ ৫

পৃথিৱী, জল, অগ্নি, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহঙ্কাৰ এই আঠ প্ৰকাৰে মোৰ প্ৰকৃতি বিভক্ত। এই কেইটা অপৰা অৰ্থাৎ নিম্ন শ্ৰেণীৰ (প্ৰকৃতি)।৪। হে মহাবাহো! জানিবা ইয়াতকৈ ভিন, জগতৰ ধাৰণশীল, পৰা অৰ্থাৎ উচ্চ শ্ৰেণীৰ জীৱস্বৰূপ মোৰ দ্বিতীয়া প্ৰকৃতি এটা আছে।৫।"

তেওঁ আৰু কৈছে,—

"এতদ্‌যোনীনি ভূতানি সৰ্ব্বাণীত্যুপধাৰয়।
অহং কৃৎস্নস্য জগতঃ প্ৰভবঃ প্ৰলয়স্তথা॥ গীতা ৭ অ ৬
মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্বমিদং প্ৰোতং সূত্ৰে মণিগণাইব॥ গীতা ৭ অ ৭

বুজি ৰাখা যে এই দুয়োৰ (পৰা আৰু অপৰা) পৰাই সমস্ত প্ৰাণী উৎপন্ন হয়। সমস্ত জগতৰ প্ৰভৱ অৰ্থাৎ

বিকাশ এবং প্ৰলয় অৰ্থাৎ অন্ত ময়েই।৬। হে ধনঞ্জয়! মোত পৰে আৰু সত কোনো নাই। সূতাত গাঁথা মণি সমূহৰ নিচিনা সমস্ত জগত মোতেই গাঁথা আছে।”

তেওঁ আকৌ কৈছে,—

“ন চ মাং তানি কৰ্ম্মাণি নিবধ্নন্তি ধনঞ্জয়।
উদাসীনবদাসীনমসক্তং তেষু কৰ্ম্মষু॥ গীতা ৯ অ ৯
ময়াধ্যক্ষেণ প্ৰকৃতিঃ সূয়তে সচৰাচৰম্।
হেতুনানেন কৌন্তেয় জগদ্বিপৰিবৰ্ত্ততে॥ গীতা ৯ অ ১০

(কিন্তু) হে ধনঞ্জয়! এই (সৃষ্টি নিৰ্ম্মাণ) কাজত মোৰ আসক্তি নাই; মই উদাসীনৰ নিচিনা থাকোঁ, এই নিমিত্তে কৰ্ম্ম মোৰ বন্ধন নহয় (মই কৰ্ম্মফল ভুগিব নালাগে) ।৯। মই অধ্যক্ষ হৈ প্ৰকৃতিৰ দ্বাৰা এই সমস্ত চৰাচৰ সৃষ্টি কৰাওঁ। হে ধনঞ্জয়! এই কাৰণে জগতৰ এই সৃষ্টি আৰু প্ৰলয় হৈ থাকে।১০।”

তেওঁ আকৌ কৈছে,—

“ন কৰ্ত্তৃত্বং ন কৰ্ম্মাণি লোকস্য সৃজতি প্ৰভুঃ।
ন কৰ্ম্মফলসংযোগং স্বভাবস্তু প্ৰবৰ্ত্ততে॥ ১৪
নাদত্তে কস্যচিৎ পাপং ন চৈব সুকৃতং বিভুঃ।
অজ্ঞানেনাবৃতং জ্ঞানং তেন মুহ্যন্তি জন্তবঃ॥ ১৫
গীতা ৫ অ,

প্ৰভু অৰ্থাৎ আত্মা বা পৰমেশ্বৰে কৰ্ত্তৃত্ব বা ইহঁতৰ কৰ্ম্ম বা কৰ্ম্মফলৰ সংযোগ নিৰ্ম্মাণ নকৰে। স্বভাব অৰ্থাৎ প্ৰকৃতিয়ে (যি কৰে) কৰে। বিভু অৰ্থাৎ সৰ্ব্বব্যাপী আত্মা

বা পৰমেশ্বৰে কাৰো পাপ বা পুণ্য গ্ৰহণ নকৰে। জ্ঞানৰ উপৰ অজ্ঞানৰ পৰ্দ্দা পৰি থকাত (মায়াৰ দ্বাৰা) প্ৰাণী মোহিত হৈ যায়।"

এইবোৰ শাস্ত্ৰীয় প্ৰমাণৰপৰা দেখা যায় যে, পাপ বা পুণ্যৰ ফল পৰমেশ্বৰে নিদিয়ে। জীৱক সুখ-দুখও ঈশ্বৰে নিদিয়ে। কৰ্ম্ম কিম্বা মায়াৰ ছলনাত জীৱে সুখ-দুখ পায়। ঈশ্বৰে উদাসীন ভাবে থাকি প্ৰকৃতিৰ দ্বাৰা জগত চলোৱা, আৰু জীৱে মাত্ৰ কৰ্ম্ম অনুসাৰে সুখ-দুখ পোৱা কথাৰপৰা অনুমান হয় যে, ঈশ্বৰে প্ৰকৃতি সৃষ্টিৰ লগতে প্ৰকৃতিক কিছুমান ক্ষমতা দি দিছে। প্ৰকৃতিয়ে সেই ক্ষমতাৰ বলেৰে জগত সৃষ্টি কৰাৰ লগে লগে কিছুমান নিয়ম, বা আইন কৰিছে যাৰ দ্বাৰা জগত চালিত হৈ আছে। ঈশ্বৰে নিজেও এই আইনৰ বাহিৰে নাযায়। জীৱে কাম কৰিব বাধ্য হোৱাটোও সেই আইনৰ শাসন, আৰু তদনুসাৰে ফল ভোগ কৰাটোও তাৰেই দান। "লভতে চ ততঃ কামান্ ময়ৈব বিহিতান্ হিতান্। (গীতা ৭ম অধ্যায়—২২) অৰ্থাৎ মই বিহিত কৰ্ম্ম-ফলকে জীৱ সমূহে পায়।" ইয়াৰপৰাও বুজা যায় যে যি কামৰ যি ফল তাকো ঈশ্বৰে প্ৰকৃতি সৃষ্টিৰ লগতে বিধান কৰিছে। জীৱ প্ৰকৃতিৰ অধীন গতিকে জীৱৰ মায়া আছে। আৰু সেই নিমিত্তে জীৱে সুখ-দুখ পায়। ঈশ্বৰ প্ৰকৃতিৰ অধীন নহয় গতিকে ঈশ্বৰৰ মায়া নাই। যোনে মায়াৰ অধীন নহয় তাৰ দয়া নাই। যাৰ দয়া নাই তাৰ

ওচৰত কান্দিলে, তাৰ ওচৰত খুজিলে কোনো কিছু পাব নাই। সুতৰাং ঈশ্বৰৰ ওচৰত খুজিলে কি পাবা? তেওঁৰ ক্ষমতা আছে সঁচা কিন্তু দস্তুৰ নাই।

লৰাৰ ৰোগ বৰ প্ৰবল,—যায় যায় অৱস্থা। তুমি গল-বস্ত্ৰ হৈ ঈশ্বৰৰ ওচৰত কাতৰ কণ্ঠে ভিক্ষা কৰিলা—"প্ৰভু! পুত্ৰদান দিয়া।" ঈশ্বৰে হাঁহি মাৰি কলে;—

"দেহিনোঽস্মিন্ যথা দেহে কৌমাৰং যৌবনং জৰা।
তথা দেহান্তৰ প্ৰাপ্তি ৰ্ধীৰস্তত্ৰ ন মুহ্যতি॥ গীতা ২ অ ১৩

অৰ্থাৎ জীৱৰ শৰীৰত শিশুকাল, যৌৱন কাল আৰু বৃদ্ধকাল যেনেকুৱা, দেহান্তৰ প্ৰাপ্তি অৰ্থাৎ মৃত্যুও তেনেকুৱা। লৰা কালত লৰাৰ গাত যি জীৱ আছিল, ডেকা হোৱাতো সেই জীৱেই তাৰ গাত আছে; বুঢ়া হলেও সেই জীৱেই তাৰ গাত থাকিব। শিশুকাল, ডেকাকাল আৰু বুঢ়াকাল শাৰীৰিক পৰিবৰ্ত্তন মাত্ৰ। গাত থকা জীৱৰ পৰিবৰ্ত্তন বা ধ্বংস নাই। শিশুৰপৰা ডেকা হোৱাত যেনেকৈ তুমি নাকান্দা, ডেকাৰপৰা বুঢ়া হোৱাতো তেনেকৈ নাকান্দা। বুঢ়াৰ পৰা মৰিলেও তেনেকৈ তোমাৰ কান্দা উচিত নহয়। ইও, আনবোৰৰ নিচিনা এটা পৰিবৰ্ত্তন মাত্ৰ; ইয়াত জীৱৰ বিনাশ নাই। তেওঁ আৰু কলে,—

"বাসাংসি জীৰ্ণাণি যথা বিহায়
নবানি গৃহ্নাতি নৰোঽপৰাণি।
তথা শৰীৰাণি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নবানি দেহী॥ গীতা ২ অ ২২

অৰ্থাৎ পুৰণা কাপোৰ এৰি মানুহে যেনেকৈ নতুন কাপোৰ লয়, তেনেকৈ জীৰ্ণ শৰীৰ এৰি জীৱে নতুন শৰীৰ লয়।” তেওঁ আকৌ কলে,—

“মাত্ৰাস্পৰ্শাস্তু কৌন্তেয় শীতোষ্ণসুখদুঃখদাঃ।
আগমাপায়িনোঽনিত্যাস্তং স্তিতিক্ষস্ব ভাৰত ॥ গীতা ২অ ১৪

অৰ্থাৎ ইন্দ্ৰিয়গ্ৰাহ্য বস্তু অৰ্থাৎ পুত্ৰকন্যাদিৰ লগত ইন্দ্ৰিয় অৰ্থাৎ মন-বুদ্ধি আদিৰ সংযোগ-বিয়োগ (জন্ম-মৃত্যু) জনিত যি সুখ বা দুখ সি অস্থায়ী। যি অস্থায়ী সি সত্য নহয়। যি সত্য নহয়, তাৰ নিমিত্তে কাতৰ হোৱা উচিত নহয়; তাক সহ্য কৰিব লাগে। তেওঁ আকৌ কলে,—

“কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন।” গীতা ২অ ৪৭

অৰ্থাৎ পুত্ৰ-কন্যাদি ৰক্ষণাবেক্ষণৰ নিমিত্তে যাবতীয় কৰ্ম্ম তুমি ইচ্ছা হলে কৰিব পাৰা, কিন্তু ৰক্ষণাবেক্ষণৰ শক্তি তোমাৰ ক্ষমতাৰ ভিতৰত নাই। তাৰ নিমিত্তে তুমি মোক নকবা। তোমাৰ কৰ্ম্ম-ফল তুমি ভুগিবা, লৰাৰ কৰ্ম্ম-ফল লৰাই ভুগিব। লৰাৰ যদি শৰীৰ জীৰ্ণ হৈছে, আৰু তাৰ দেহান্তৰৰ সময় হৈছে, তেন্তে তাৰ মৃত্যু হবই। যদি হোৱা নাই তেন্তে সি বাচিব। তোমাৰ প্ৰাৰ্থনামতে লৰাক পৰমায়ু দিলে লৰাৰও কৰ্ম্ম-ফল ভোগা নহব, তোমাৰও কৰ্ম্ম-ফল ভোগা নহব। কৰ্ম্ম-ফলৰ পৰা বঞ্চিত কৰা দস্তুৰ প্ৰকৃতিৰ নাই। মানুহে কৰা যাবতীয় কামৰ ফল প্ৰকৃতিয়ে অযাচিতভাবে জোৰ কৰি মানুহক দিয়ে। তোমা-

মোদ বা ভিক্ষাৰ দ্বাৰা ইয়াৰ আইন বদলাবৰ ক্ষমতা কাৰো নাই । নিৰপেক্ষ আইন-কৰ্ত্তাই কেতিয়াও আইন ভঙ্গ নকৰে ।

পাঠক ! যোনে প্ৰকৃতি-পুৰুষৰ প্ৰভেদ নামানে, মাত্ৰ ঈশ্বৰক মানে, তেওঁলোকে কোৱা সম্ভৱ যে ঈশ্বৰৰ দয়া-মায়া আছে, আৰু তেওঁ উপাসনাত বশ হৈ উপাসকক ঈপ্সিত বস্তু দিয়ে । ঈশ্বৰৰ সৃষ্টি কিবা নিয়মৰ অধীন হয় নে নহয় বুলি তেওঁক প্ৰশ্ন কৰিলে, বোধ কৰোঁ হয় বুলিয়ে উত্তৰ দিব, আৰু সম্ভৱতঃ উপাসনাত ঈশ্বৰ বশ হোৱাটোও সেই নিয়মৰ ভিতৰৰে এটা নিয়ম বুলি কব । তেওঁৰ এই বিশ্বাসৰ স্বপক্ষে বা বিপক্ষে কোনো শাস্ত্ৰীয় প্ৰমাণ আছে নে নাই কব নোৱাৰোঁ । কিন্তু সত্যৰ পৰা আজিলৈ যি সকল ভক্তৰ নাম শুনি পাইছোঁ, তাৰ ভিতৰত অনেকে অমৰত্ব পাবলৈ ঈশ্বৰক উপাসনা কৰাৰ উল্লেখ আছে কিন্তু সেই বৰ ঈশ্বৰে তেওঁলোকৰ কোনো এজনকো দিয়াৰ সন্ধান পোৱা নাযায় । সত্যৰ পৰা আজিলৈ কোনো বাঁচি থকাৰ খবৰও কোনেও পোৱা নাই । ঈশ্বৰ নমনা নাস্তিক কৰ্ম্মী-মানুহক অৱস্থাপন্ন হোৱা, আৰু ঈশ্বৰ মনা অকৰ্ম্মা আস্তিকক অন্ন-বস্ত্ৰৰ কষ্টত জীৱন অতিবাহিত কৰাৰ সংখ্যাও আমি কম দেখা নাই । কঠোৰ ৰোগগ্ৰস্ত ৰোগীকো ঈশ্বৰক নাখাটাকৈ মৃত্যু-শয্যাৰ পৰা ফিৰি অহা দেখা গৈছে, আৰু সামান্য ৰোগগ্ৰস্ত ৰোগীকো ঈশ্বৰক খাটি থাকোঁতে মৰা

ঘটনা আমাৰ অবিদিত নাই। ঈশ্বৰক খাটি ধন-ধান, বিদ্যা বুদ্ধি, আৰু পৰমায়ু পোৱা কথা সত্য হোৱা হলে আজিয়ে পৃথিবীৰ যাবতীয় কৰ্ম্ম-ক্ষেত্ৰ বন্ধ হল হেতেন। ঘৰ এটা লাগে—খাটিলে ঈশ্বৰক, ঈশ্বৰে আহি ঘৰ বান্ধি দিলে। ভাত-পানী, কানি-কাপোৰ লাগে—খাটিলে ঈশ্বৰক, ঈশ্বৰে আহি দিলে ভাত-পানী। ৰোগ হ'ল—মাতিলে ঈশ্বৰক,—আহিল ঈশ্বৰ, দিলে ৰোগীক ভাল কৰি। ঈশ্বৰক খাটা আৰু সংসাৰ উপভোগ কৰা ভিন্ন আইন একো কাম নাথাকিল হৈ। কিন্তু সত্যৰ পৰা আজিলৈ কেৱল কাম কৰি তাৰ ফল ভোগ কৰাহে শুনা গৈছে। ঈশ্বৰক খাটি কাকো ঐশ্বৰ্য্য পোৱা দেখাও নাই শুনাও নাই—ঈশ্বৰক খাটি ৰোগী ভাল হোৱা কথাও দেখা নাই, শুনাও নাই। হোৱা হলে ধন্বন্তৰিৰ নাম শুনা নগল হেতেন। এইখিনতে অজ্ঞজনে বিজ্ঞৰ নিচিনা মিচিকি হাহি মাৰি কব যে, "খাটাৰ নিচিনা খাটিব পাৰিলেহে পাব।" ভাল কথা; খাটাৰ নিচিনা খাটা কাক বোলে তাৰ নমুনা চকুৰেতে দেখিছে নে? তিনি যুগৰ ভিতৰত যদি এজনেও খাটাৰ নিচিনা খাটিব জনা নাই, তেন্তে ভবিষ্যতে যে জানিব তাৰ নিশ্চয়তা কি? আৰু যিটো বস্তু চকুৰেতে দেখা নাই, যাৰ কথা নিজে জনা নাই, তাকনো বিশ্বাস কৰিবৰ হেতু কি পাইছে? যুক্তিবিহীন শাস্ত্ৰও শাস্ত্ৰ নহয় ই, শাস্ত্ৰৰ বচন। যদি কোনবা উপশাস্ত্ৰত কোনবা দুৰ্ব্বল

লিখকে লিখিও থৈ গৈছে, তাক বিশ্বাস কৰিবলৈ যুক্তি কি? এই উপাসনা সমাজত চলিল কেনেকৈ? চলালে দুৰ্ব্বলতাই। দুৰ্ব্বলতাৰ নিচিনা সবল বস্তু বৰ্ত্তমানে দ্বিতীয় এটা দেখা নাযায়। দান-দক্ষিণা, শিক্ষা-দীক্ষা, উপাসনা-আৰাধনা, সাধুতা-সভ্যতা, মিষ্টভাষিতা, নিষ্ঠাচাৰিতাকে আদি কৰি যাবতীয় কথাৰ প্ৰবৰ্ত্তক হৈছে দুৰ্ব্বলতা। সমাজে বেয়া বুলিব, লগে লগে স্বাৰ্থতও বাধা পৰিব, এই নিমিত্তে সৎচৰিত্ৰতা দেখাওঁ; প্ৰকৃততে অন্তৰত চৰিত্ৰবান নহওঁ। নামৰ নিমিত্তে দাতব্যতা-দাক্ষিণ্য, দহক ঠগাবৰ নিমিত্তে সাধুতা-সভ্যতা দেখাওঁ প্ৰকৃততে মনৰ ভিতৰত দাতব্যতা আৰু সাধুতা নাই। দুৰ্ব্বলে আশ্ৰয় বিচাৰে ই, তাৰ স্বাভাৱিক ধৰ্ম্ম। মানুহ যিমানে নৈতিক বলত দুৰ্ব্বল হৈছে, স্বাৰ্থকামী উপাসনা সিমানে বৃদ্ধি পাইছে। প্ৰবৃত্তিৰ তাড়নাত নীতি-বিৰুদ্ধ, ধৰ্ম্ম-বিৰুদ্ধ কাম কৰি আহি, তাৰ ফলাফলৰ হাত এৰাব নিমিত্তে উপাসনা কৰে। ঈশ্বৰ ক্ষমাশীল, স্মৃতিশক্তিবিহীন, আৰু তোষামোদপ্ৰিয় হলে বৰ সুবিধা-জনক বুলি ভাবে, আৰু সেইয়ে হলে স্বেচ্ছামতে যাবতীয় অপকৰ্ম্ম কৰিব পাৰে। হজমি বড়ি জেপত থাকিলে ভোজনত সঙ্কোচ নাহে, সেই নিমিত্তে দুৰ্ব্বলে নিজৰ অভি-ৰুচিমতে ঈশ্বৰৰ স্বভাৱ বনাইছে। নিজে তোষামোদত সন্তুষ্ট হৈ নকৰিব লগা কৰে, নিদিব লগাক দিয়ে, সেই নিমিত্তে ঈশ্বৰকও তোষামোদপ্ৰিয় বুলি ভাবে। নিজে

দুৰ্ব্বল সুতৰাং, ঈশ্বৰকো দুৰ্ব্বল বুলি ভাবে। এই ভাবৰ দ্বাৰা ঈশ্বৰক যে মানুহৰ শ্ৰেণীলৈ টানি আনি অপমান কৰা হয় এই কথা তেওঁলোকে এবাৰৰ নিমিত্তেও নাভাবে। ভাগ্যে ঈশ্বৰ তেওঁলোকৰ নিচিনা অভিমানী নহয়, হোৱা হলে এই অপমান কেতিয়াও সহ্য নকৰিলে হৈ।

ঈশ্বৰৰ সৃষ্টি কিছুমান নিয়মৰ অধীন। যোনে ফল কামনাৰে উপাসনা কৰে, সিও এই কথা স্বীকাৰ কৰে। উপাসনাৰে ঈশ্বৰক বশ কৰি কোনো কাম্যফল পালে বুজিব লাগিব, যে উপাসনা নকৰিলে সেই ফল পোৱা নগল হেতেন। উপাসনাৰ দ্বাৰা পোৱাৰ পৰা বুজিব লাগিব, যে সৃষ্টিৰ নিয়ম অনুসাৰে সেইটো যেনেকুৱা হব লাগিছিল তেনেকুৱা হব দিয়া নগ'ল। অৰ্থাৎ সৃষ্টিৰ নিয়মৰ বিৰুদ্ধে কাম কৰোৱা হ'ল। যোনে প্ৰকৃত মানুহ, সিয়ে তোষামোদত বশ হৈ নিয়মবিৰুদ্ধ কাম নকৰে, এনেস্থলত ঈশ্বৰে কৰিব বুলি ভাবিবলৈ আমি ঠাই নাপাওঁ। সৃষ্টিৰ নিয়ম থকা সত্ত্বেও আমি সৃষ্টি-কৌশল বুজিব টান পাইছোঁ, তদুপৰি যদি তেওঁ তোষামোদত বশ হৈ মিনিটে মিনিটে ঘূৰিব আৰম্ভ কৰে, তেনেহলে আমাৰ পক্ষে যে কি অবিচাৰ কৰা হব তাক কোৱা বাহুল্য মাত্ৰ। তেতিয়া হলে আজিৰ দিনৰ শেষত ৰাতি হব নে নহব তাকো আমি ভাবিব নোৱাৰিম, কাৰণ, নাজানোঁ কোন ভক্তই তেওঁক ঘূৰাই কি কৰি থৈছে। ৰামে সুন্দৰী এজনী বিয়া কৰাই ঘৰলৈ

আনোঁতে শ্যামে দেখা পাই গৈ ঈশ্বৰক খাটিলে। তেওঁ বশ হৈ তিৰোতাজনী শ্যামক দিলে। শ্যামৰ ঘৰলৈ তাই আহোঁতে হৰিয়ে দেখিলে, আৰু ঈশ্বৰক গৈ খাটিলে; এইবাৰ ঈশ্বৰে হৰিক দিলে। এনেকুৱা হলে ঈশ্বৰক পৰস্ব-লোভীৰ এজন সুচতুৰ সহায়কাৰী বুলিব লাগিব। আমাৰ স্ৰষ্টাক এনেকুৱা হোলগোজ উপাধি দিয়াটো আমাৰ পক্ষে সন্মানজনক নহয়।

টেলিগ্ৰাফ, বিজুলীবাতি, ৰেলগাড়ী, জাহাজ, এৰোপ্লান, বিনাটাৰে টেলিগ্ৰাফ, গ্ৰামোফোন, মটৰকাৰ আৰু ফটোগ্ৰাফকে আদি কৰি যাবতীয় বৈজ্ঞানিক ক্ৰিয়াবোৰ সাধাৰণৰ চকুত আচৰিত যেন লাগে। লাগে কিয়;—এইবোৰ কাম যে মানব-শক্তিৰ ভিতৰৰ কাম, এই কথা, এইবোৰ উদ্ভাৱন কৰাৰ আগেয়ে কল্পনা কৰাও পাগলৰ কাম যেন লাগিছিল। বিজ্ঞান-চৰ্চ্চাৰ ফলত বৈজ্ঞানিকসকলে এই কল্পনাতীত কথাবোৰ কামত পৰিণত কৰিছে। তেওঁলোকৰ জীৱনক দেৱ-জীৱন বা অমৃতময় জীৱন বুলি মানুহে ভাবে। এইবোৰ উদ্ভাৱন কৰাত, আৰু তাৰ ৰহস্য জনাত, তেওঁলোকৰ মনলৈ কি সুখ আহে, তাক বুজিবৰ নিমিত্তে লালায়িত হৈ যদি কোনবা অবৈজ্ঞানিকে বিজ্ঞানক (বিজ্ঞান বিদ্যাক) নিৰাকাৰ ধৰিয়ে হ'ক, বা সাকাৰ ধৰিয়ে হ'ক, ফুল-চন্দনেৰে পূজা কৰে, নানা ৰকম তোষামোদজনক গীতেৰে স্তব-স্তুতি কৰে, তেনেহলে তেওঁ বিজ্ঞান জানিব নে?

তেতিয়া তেওঁ বৈজ্ঞানিকৰ মূল্য বুজিব নে ? তেতিয়া তেওঁ বৈজ্ঞানিকে প্ৰাণত উপভোগ কৰা সুখ পাবনে ? আমাৰ বিবেচনাত কেতিয়াও নাপাৱ। এজনে দিনত হাজাৰ বাৰকৈ পাটীগণিতৰ নাম জপে, আৰু সৰস্বতী পূজা কৰে, কিন্তু গণিত নপঢ়ে। অইন এজনে দিনত এক ঘণ্টাকৈ পাটী-গণিত শিকে, কিন্তু তাৰ নামও নজপে, সৰস্বতী পূজাও নকৰে। বছৰৰ মূৰত উভয়ৰে পৰীক্ষা ললে কোনে কিমান নম্বৰ পাব ? নাম জপাজপে পাটীগণিতৰ কিবা জনাৰ সম্ভৱ আছে নে ? আমি জানো মুঠেও নাই। বিজ্ঞান বা পাটী-গণিত অধ্যয়ন নকৰাকৈ তাক পূজাৰ দ্বাৰা জনা যেনে অসম্ভৱ, ঈশ্বৰক ফুল-চন্দনেৰে পূজি স্তৱ-স্তুতিৰে জনাও তেনে অসম্ভৱ। বিজ্ঞান বা পাটীগণিত পঢ়িব লাগিলে যেনেকৈ তাক অধ্যয়ন কৰিব লাগে, ঈশ্বৰক জানিব লাগিলেও ঠিক তেনেকৈ ঈশ্বৰক অধ্যয়ন কৰিব লাগে। ঈশ্বৰ কি, তেওঁৰ লগত জগতৰ সম্বন্ধ কি, তেওঁ থাকে ক'ত, কৰে কি ইত্যাদি কথাৰ সন্ধান পাবলৈ যি চেষ্টা তাৰে নাম উপা-সনা। উপাসনা শব্দৰ অৰ্থ অধ্যয়ন। বিজ্ঞান জানিবলৈ যি অধ্যয়ন তাৰ নাম বিজ্ঞান-উপাসনা, অঙ্ক জানিবলৈ যি অধ্যয়ন তাৰ নাম অঙ্ক-উপাসনা আৰু ঈশ্বৰ জানিবলৈ যি অধ্যয়ন তাৰ নাম ঈশ্বৰ-উপাসনা। তোষামোদ, ভিক্ষা বা ঈশ্বৰৰ ওচৰত নিজৰ হীনতা জ্ঞাপক ভাব প্ৰকাশ বা কাম কৰাৰ নাম উপাসনা নহয়। সদায় মটৰ গাড়ীৰে যাতায়াত

কৰা জনে মটৰ গাড়ী জনা বুলি ভাবে, কিন্তু মটৰ গাড়ী কিহে চলায়, যি পেট্ৰোল গাড়ীৰ কলত ঢালি দিয়া হয় সি কলৈ যায়, গৈ তাত কি কৰে, কেনেকৈ কল ঘূৰায় দিয়ে ইত্যাদি কথাবোৰ নাজানে। এই ক্ষেত্ৰত এইজন মানুহৰ মটৰ গাড়ী সম্বন্ধে যি জ্ঞান সি সম্পূৰ্ণ জ্ঞান নহয়। এবং সেই নিমিত্তে মটৰ উদ্ভাবনকাৰীৰ জ্ঞানৰ লগত তাৰ জ্ঞানৰ তুলনা নহয়। মটৰ * উদ্ভাবনকাৰীজন মটৰৰ উপাসক আৰু মটৰ গাড়ীত ভ্ৰমণ-কাৰীজন মটৰৰ অন্ধ বিশ্বাসী সেৱক। উভয়ৰ সুখ উভয়ৰ প্ৰাণত সমানে আনন্দদায়ক নহয়। ঈশ্বৰ আছে আৰু তেওঁ জগতৰ আধাৰ, এই কথা পুৰুষ পৰম্পৰাই শুনি অহাৰ নিমিত্তে প্ৰত্যেক মানুহে ঈশ্বৰক জনা বুলি ভাবে, কিন্তু ঈশ্বৰ কি, আৰু তেওঁৰ লগত জগতৰ সম্বন্ধ কি এই সম্বন্ধে প্ৰশ্ন কৰিলে কোনো এটা যুক্তি-যুক্ত উত্তৰ দিব নোৱাৰে। উত্তৰ দিব নোৱাৰক তাত লোকচান নাই, যেহেতু মানুহৰ ভাষা অসম্পূৰ্ণ কিন্তু প্ৰাণতো অনুভৱ কৰিব নোৱাৰে। মটৰ গাড়ীৰে ভ্ৰমণকাৰীৰ লগত মটৰ বিষয়ক জ্ঞানৰ যি সম্বন্ধ এই জাতীয় ঈশ্বৰ বিশ্বাসীৰ লগত ঈশ্বৰবিষয়ক জ্ঞানৰ সেই সম্বন্ধ। ঈশ্বৰবিষয়ক যি জ্ঞান প্ৰাণত উপলব্ধি কৰা যায়, সেই জ্ঞানৰ লগত পুৰুষ পৰম্পৰাই শুনি লাভ কৰা জ্ঞানৰ তুলনা নহয়। আগৰ জনৰ জ্ঞানৰ নাম জ্ঞান, পৰবৰ্ত্তীজনৰ জ্ঞানৰ নাম অন্ধ বিশ্বাস। মটৰ গাড়ী ব্যৱহাৰ-

---

* গতি সঞ্চালক শক্তি

কাৰীজনে যেনেকৈ মটৰ গাড়ী জনা বুলি ভাবি আত্ম-বঞ্চনা কৰি সেই বিষয়ত পূর্ণ জ্ঞান লাভ কৰাৰ আৱশ্যকতা নেদেখে, ঠিক তেনেদৰে, পৰবর্ত্তী ঈশ্বৰ বিশ্বাসীসকলেও ঈশ্বৰক পূজা কৰে, স্তবস্তুতি কৰে, এবং তাতে তেওঁৰ উপাসনা হোৱা বুলি তেওঁৰ তত্ত্ব জানিবলৈ চেষ্টা নকৰে। তেওঁৰ তত্ত্ব জানিবলৈ যি চেষ্টা তাৰ নাম উপাসনা। তাকে নকৰি যি পূজা কৰা হয় সি আত্ম-বঞ্চনাৰ চেষ্টা মাত্র।

মটৰৰ লগত কলৰ সম্বন্ধ জনা জনে মটৰ আৰু কলৰ গাতৰ এনেকৈ মিল ৰাখে, যাতে পৰস্পৰে পৰস্পৰক সহায় কৰি সুচাৰুৰূপে কল চলাব পাৰে। যোনে এই ৰহস্য নাজানে সি তাক চলাব নোৱাৰে। অইনে মিল কৰি দিলে অনেক সময় চলাব পৰা দেখা যায় সঁচা, কিন্তু তাত পদে পদে দুর্ঘটনা হোৱাৰ সম্ভৱ; সম্ভৱ কিয়, ই, অনিবার্য্য। সি গন্তব্য স্থানত কেতিয়াও উপস্থিত হব নোৱাৰে, আৰু তাত আৰোহণজনিত সুখ কেতিয়াও নাপায়। তাত আৰোহণ কৰাটো তাৰ মনত এটা ভয়ানক অশান্তিপূর্ণ বিভীষিকাময় ঘটনা মাত্র। ঠিক তেনেদৰে, ঈশ্বৰ কি, আৰু জগতৰ লগত তেওঁৰ সম্বন্ধ কি, এইকথা জনা জনে সৃষ্টি কৌশলৰ লগত সৃষ্টবস্তুৰ (অইনৰ লগত নিজৰো) কার্য্য-প্রণালীৰ মিল ৰাখি চলিব জানে। তেওঁৰ পক্ষে জগত শান্তিপূর্ণ খেলা খেলিবৰ নন্দন কানন। যি জনে এনেকৈ চলিব নাজানে তেওঁৰ পক্ষে ই সাপ-বৰল, বাঘ-বিছাৰে

পৰিপূৰ্ণ অশান্তিময় কাঁটাৰ বন । তেওঁ সৃষ্টি-ৰহস্য জানিবৰ চেষ্টা নকৰি অবাটে বাট কৰে, আৰু তদ্‌জনিত দুখ-কষ্ট দূৰ কৰিবলৈ ঈশ্বৰক অযথা স্তবস্তুতি কৰি বিফল-মনোৰথ হৈ অন্ধকাৰ দেখে । গন্তব্য স্থান কোন পিনে আৰু কি কৰিলে তালৈ যাব পাৰি ইয়াৰ সন্ধান এওঁ নাপায় ।

ঈশ্বৰক বুজিব লাগিলে সৃষ্টি-ৰহস্য বুজিবলৈ চেষ্টা কৰিব লাগে । সৃষ্টি-ৰহস্যত অগ্ৰসৰ হলে, সত আৰু অসত দুই প্ৰকাৰ বস্তুই শ্ৰেণীবদ্ধ হৈ সাধকৰ চকুৰ আগত দেখা দিয়ে । যি সত, সি স্থায়ী, সি অমৃতময়, সেইয়ে স্বৰ্গ । যি অসত, সি অস্থায়ী, সি বিষময়, তাৰ জ্বালা-যন্ত্ৰণা বুজাবৰ আবশ্যকতা নাই সেইয়ে নৰক । গান-বাজনা, আলাপ-প্ৰলাপ-কান্দন, মেঘৰ গৰ্জ্জন, বজ্ৰৰ নিনাদ, ঘোড়াৰ-হ্ৰেষাৰব, গৰুৰ হাম্বাৰব, পক্ষীৰ কূজন, হাতীৰ বৃংহতি ধ্বনি, সমুদ্ৰৰ নিৰ্ঘোষ, মেঘৰ গৰ্জনকে আদি কৰি যাবতীয় শব্দৰ উৎপত্তি, লয়, মধুৰতা, ভীষণতা আৰু ক্ষমতাৰপৰা সাধকে ভাবে "সামান্য বংশীধ্বনি এটিয়ে যদি ইমান প্ৰাণমোহা, নাজানো যাৰপৰা এই সমুদায় শব্দ ওলাইছে সি কি মোহন ?" তেতিয়া তেওঁ শব্দকে ব্ৰহ্ম বুলি ভাবে । নানা ৰকমৰ জীৱ-জন্তু, নানা ৰকমৰ তৰু-তৃণ-লতা, নানা ৰকমৰ নদ-নদী-খাল-বিল, নানা ৰকমৰ পৰ্ব্বত-পাহাৰ-বন-উপবন-চন্দ্ৰ-সূৰ্য্য-গ্ৰহ-নক্ষত্ৰ-তৰা আৰু অগ্নিকে আদি কৰি প্ৰাকৃতিক বস্তুৰ সৌন্দৰ্য্য দেখি সাধকে ভাবে,—"অনন্ত কোটি ব্ৰহ্মাণ্ডৰ এটি ৰেণু

পখিলা এটি যদি ইমান সৌন্দৰ্য্যময়, নাজানো, যোনে এই বিশ্বৰ আধাৰ সি কি সৌন্দৰ্য্যময়।" তেতিয়া তেওঁ সৌন্দৰ্য্যকে ব্ৰহ্ম বুলি ভাবে। এনেকৈ প্ৰত্যেক বিষয়তে সাধকে ঈশ্বৰৰ অমৃতময়ত্ব অনুভব কৰে। আৰু তেতিয়া তেওঁৰ মনত ঈশ্বৰৰ প্ৰতি প্ৰীতি আপোনা-আপুনি আহে। প্ৰিয়জনৰ প্ৰীতিকৰ কাম কৰিবলৈ প্ৰিয়জনৰ ইচ্ছা স্বাভাবিকে হয়। সুতৰাং সাধক তেতিয়া সৃষ্টিকৌশলৰ লগত সৃষ্টৰ (সেইসকল বস্তুৰ লগত নিজৰো) কাৰ্য্য-কলাপৰ মিল ৰাখি চলিবৰ চেষ্টা কৰে। ইয়াত সৃষ্টিকৌশলৰ অনুসৰণ কৰিব লগা হোৱাত, তেখেতে শান্তি ভিন্ন অশান্তি নাপায়, সহায় ভিন্ন বিঘ্ন-বাধা নাপায়, লগে লগে সমাজেও নাপায়। এনেকৈ চলাজনৰ নাম কৰ্ম্ম-যোগী। কাম সকলোৱে কৰে, কিন্তু যোনে এই নিয়মে নকৰে তেওঁৰ নাম কৰ্ম্ম-যোগী নহয়। কৰ্ম্ম-যোগীৰ কামনা নাই, কিন্তু কৰ্ত্তব্য আছে। কামনা থাকিলে কাম্যবস্তু পাবলৈ সত, অভাবে অসত উপায়ও অবলম্বন কৰিব বাধ্য হয়। সৃষ্টিৰ গতি সত, সৰল আৰু নিয়মাবদ্ধ। দহজনে সৰলভাবে বান্ধা নিয়মে একেটা লক্ষ্যাভিমুখে দৌৰিছে। এনেতে এজনে যদি নিয়ম ভাঙ্গি বেকা বেকিকৈ দৌৰে তেন্তে অইনৰ লগত তাৰ খুন্দা লাগিব। ই গৈ, যাৰ গাত খুন্দা খাব, সি গৈ অইন এজনৰ গাত পৰিব। সেইজন গৈ আকৌ অইন এজনৰ গাত পৰিব। আৰু এনেকৈ আটাইকেইজনৰে গতিৰ ব্যাঘাত

জন্মাত এটা অশান্তি আহিব। কামীৰ কামাবস্তু পাবৰ নিমিত্তে সময়ত সৃষ্টিকৌশলৰ বাহিৰে যাব লগা হয়, আৰু সেইয়ে হলে সি আঘাত পায়। আঘাতৰ পিছত প্ৰতিঘাত স্বাভাবিক। ঘাত-প্ৰতিঘাতত শান্তি ভঙ্গ হয়। কৰ্ত্তব্যৰ খাতিৰত কাম কৰিলে নিয়মৰ বাহিৰলৈ যাব কৰ্ম্মী বাধ্য নহয়; যেহেতু তাত কামনা নাই। নিয়মৰ ভিতৰত থাকি যিমানলৈ কৰিব পাৰি তিমানলৈ কৰে, নোৱাৰিলে কৰ্ম্মী ক্ষান্ত হৈ ভাবে—"কৰ্ত্তব্য শেষ হল"। ঠিক কৰাৰ নিচিনা কাম কৰি হয় কৰ্ত্তব্য সিদ্ধ কৰিলে, নোৱাৰিলে অসত উপায়েৰে তাক সিদ্ধ নকৰে, এবং সিদ্ধ কৰিব নোৱাৰি কৰ্ম্মী ক্ষুণ্ণ নহয়। এই পথৰ কৰ্ম্মীৰ মনত সদায় আনন্দ, মুখত সদায় হাঁহি বিৰাজ কৰে। তেওঁ ভাবে, যি যি বিষয়ত যিমান যিমান নম্বৰ পালে—পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ নিয়ম, সেই সেই বিষয়ত তিমান তিমান নম্বৰ পালে পৰীক্ষকক তোষামোদ কৰাৰ প্ৰয়োজন নাই, প্ৰমোচন হবই

---

# কলৌ পৰাশৰঃ স্মৃতঃ।

"কলৌ পৰাশৰঃ স্মৃতঃ" অৰ্থাৎ কলিকালত পৰাশৰ মুনিৰ লিখিত সংহিতা মতে সমাজ শাসিত হব। লিখকে উনৈশখন সংহিতাৰ খবৰ পায়। তাৰে ভিতৰত মনু প্ৰথম পৰাশৰ শেষ। মনুৰ দিনত যি হিন্দু-ধৰ্ম্ম চলিত

আছিল, আজিও, সেই হিন্দুধৰ্ম্মই চলি আছে, এনেস্থলত সংহিতা উনৈশখন হোৱাৰ কাৰণ কি? সংহিতা মানে সমাজ শাসক আইন। এই আইন আজিৰ আইনৰ নিচিনা অকল শান্তিৰক্ষক আইন নাছিল। সমাজত শান্তি ৰক্ষাৰ লগে লগে সামাজিক ধৰ্ম্ম ৰক্ষাৰ ব্যৱস্থা কৰাও এই আইনৰ কাম আছিল। কিন্তু, আইন কৰ্ত্তাসকলৰ অদূৰদৰ্শিতা, আৰু স্বাৰ্থান্ধতাৰ দোষত এই আইনৰ ব্যৱস্থা মনুষ্যমাত্ৰৰে প্ৰতি সমান নোহোৱাত, আৰু সমাজ চিৰকাল একে ৰকমৰ অৱস্থাতে নথকাত সময়ে সময়ে ইয়াৰ ব্যৱস্থা শিথিল, আৰু পৰিবৰ্ত্তন কৰিব লগা হৈছিল। সেই নিমিত্তে সংহিতা উনৈশখন হৈছে। মানুহ ক্ৰমোন্নত জীৱ। ই, চিৰকাল একে নীতি-নিয়মৰ অধীনত থাকিব পৰা জীৱ নহয়। আজিৰ সমাজত জ্ঞান-বিজ্ঞান, নীতি-ধৰ্ম্মৰ আলোচনা যি ভাবে হব ধৰিছে, ত্ৰেতা কি দ্বাপৰত তেনেকুৱা নাছিল। সেই নিমিত্তেই আজিৰ মানুহৰ খোৱা-লোৱা, পিন্ধা-উৰা, বাণিজ্য-ব্যৱসাকে আদি কৰি মানুহৰ জীৱন সংগ্ৰামৰ কাম আগৰ মানুহৰ লগত নিমিলে। গতিকে সময়ৰ সোঁত বৈ যোৱাৰ লগে লগে, সমাজৰ আকাৰ-প্ৰকাৰ বদলি গৈ আছে। এবং সেই নিমিত্তেই সংহিতাৰ আকাৰও লগে লগে বদলি গৈ আছিল। পৰাশৰে সংহিতা লিখাৰ পিছত বহু শতাব্দী সমাজৰ উপৰেদি বৈ গৈছে। তেওঁৰ দিনৰ সমাজ আজিৰ দিনত নাই। সুতৰাং পৰাশৰৰ সংহিতামতে আজিৰ সমাজ চলিব

নোৱাৰে। আজি সংহিতা বদলাই লিখাব দৰকাৰ হৈছে, কিন্তু লিখোঁতা নাই। লিখোঁতা ওলালেও ওলাব পাৰে, কিন্তু তাক মানিবলৈ বাধ্য কৰোঁতা নাই। যেহেতু হিন্দু ক্ষত্রিয়-সকলৰ আগৰ ক্ষমতা নাই। মনুকে আদি কৰি পৰাশৰ পৰ্য্যন্ত সংহিতা লিখকসকল লগ হলেও আজিৰ সমাজক তেওঁলোকৰ ক্ষমতাৰ ভিতৰক নিব নোৱাৰিব যেতিয়ালৈ তেওঁলোকৰ মনৰ সংকীৰ্ণতা দূৰ নকৰিব; যেতিয়ালৈ মানুহ মাত্ৰকে মানুহ বুলি ভাবিব নোৱাৰিব। আজিৰ সমাজ তেতিয়াৰ সমাজতকৈ বহুত উন্নত। আজিৰ সমাজত নৰ-নাৰায়ণৰ পূজা আছে।

সংহিতা নাই, সংহিতা লিখক নাই বুলি সমাজ বহি থাকিব নোৱাৰে। সমাজ একচক্ৰ ৰথত উঠি চলিছে। সমাজ দেখি আইন লিখে; আগে সমাজ পিছে আইন; আগে ভাষা, পিছে ব্যাকৰণ। সমাজে আইন প্ৰকাশ কৰি গৈ আছে কিন্তু শ্ৰেণীবদ্ধ কৰি লিখোঁতা নাই। শ্ৰেণীবদ্ধ কৰি লিখিত আইন নথকাত সমাজৰ ক্ৰমোন্নতিৰ গতি কিছু মন্দ হৈছে সঁচা, কিন্তু সেই বুলিয়েই সমাজৰ উন্নতিৰ গতি ৰোধ নহব বা সমাজ অবাটে নাযাব। নদীৰ গতি সমুদ্ৰলৈ। যিপিনে নদী যাব পাৰে আৰু যায় সেইয়ে তাৰ বাট। নদীক কোনেও বাট কাটি নিদিয়ে। যাওঁতে যাওঁতে যিপিনে যায় সেইয়ে তাৰ বাট। তাক বাট কৰি দিলেও ঠিক সেই বাটে দি নাযায়। তাতো সি খান্দি-কুৰি তাৰ সুবিধা কৰি

লয়। সমাজেও ঠিক তেনেকৈ উন্নতিৰ পথত গতি কৰোঁতে কৰোঁতে আপোনা আপুনি গৈ শান্তি ৰাজ্যত উপস্থিত হব। যিহেতু ই, জ্ঞাতসাৰে হ'ক বা অজ্ঞাতসাৰেই হ'ক, "আত্মবৎ মন্যতে জগত" এই বাক্যৰ উপদেশ মতে চলিব আৰম্ভ কৰিছে। পানীৰ গতিয়ে মাছৰ গতি। নদী পুৰণা বাট এৰি নতুন বাটে যাওঁতে মাছে যদি সুপুত্ৰ হবৰ কামনাই পিতৃ-পিতামহৰ থকা ঠাই বুলি পুৰণা ঠাই নেৰে, তেন্তে তাৰ মৰণ নিশ্চিত। সংহিতাত খামোচ মাৰি ধৰি থকা মানুহৰ অৱস্থাও তেনে। জগতৰ গতিৰ লগত যোনে নিজৰ গতি মিলাব সি বাচিব।

লিখকে উপৰত লিখা প্ৰবন্ধবোৰত উল্লেখ কৰা সংহিতাৰ বচনবোৰ উকুৱাই দিবলৈ অনেকে কব, "কলৌ পৰাশৰঃ স্মৃতঃ। অৰ্থাৎ লিখকে উল্লেখ কৰা বচনবোৰ কলিৰ নিমিত্তে নহয়। কলিৰ সমাজত জাতি-ভেদ পৰাশৰৰ মতেহে হব। সুতৰাং লিখক ভ্ৰান্ত।" ইয়াৰ উত্তৰ স্বৰূপে লিখকে পাঠকৰ অবগতিৰ নিমিত্তে কয়, যে পৰাশৰে তেওঁৰ সংহিতাত নতুনকৈ জাতি সৃষ্টি বা বিভাগ কৰা নাই। মনুসংহিতাত যি আছিল তাকেই বজায় ৰাখিছে। মনু মূল ও সম্পূৰ্ণ সংহিতা। পৰবৰ্ত্তী সংহিতাবোৰ তাৰ সংশোধন পত্ৰ মাত্ৰ। অৰ্থাৎ পৰবৰ্ত্তী সংহিতাবোৰে মনুত লিখিব বাদ পৰা দুটা চাৰিটা ব্যৱস্থা যোগ দিছে, আৰু সমাজৰ অৱস্থালৈ চাই ঠাইয়ে ঠাইয়ে কোনোটো ব্যৱস্থা শিথিল বা কঠিন কৰিছে। সেই নিমিত্তে

পাঠকক অনুৰোধ কৰোঁ, যেন "কলৌ পৰাশৰঃ স্মৃতঃ" শুনিলে বিচলিত নহয়। আৰু পৰাশৰ সংহিতা এই যুগৰ উপযোগী বুলি বা উদাৰ বুলি নাভাবে। শূদ্রৰ ধৰ্ম্ম সম্বন্ধে পৰাশৰে যি লিখিছে, তাক "অতীত আৰু বৰ্ত্তমান" নামক প্ৰবন্ধত উল্লেখ কৰা হৈছে। তাকে দেখিলে ধৰ্ম্ম বিষয়ত পৰাশৰৰ উদাৰতাৰ গভীৰতা দেখা পাব। ইয়াতো নমুনা স্বৰূপে দুটা শ্লোক উদ্ধৃত কৰি তলত দিয়া হ'ল। তাকে দেখি পাঠকে তেখেতৰ ব্যৱস্থাৰ দীৰ্ঘ প্ৰস্থ অনুমান কৰিব।

"হলমষ্টগবং ধৰ্ম্ম্যং ষড়্গবং মধ্যমং স্মৃতম্।
চতুৰ্গবং নৃশংসনাং দ্বিগবং বৃষঘাতিনাম্॥ ২য় অধ্যায়।

আঠটা বলদেৰে হাল বোৱা ধৰ্ম্মসঙ্গত। ছয়টাৰে বোৱা মধ্যম। চাৰিটাৰে হাল বালে নিষ্ঠুৰৰ কাম হয়। দুটাৰে হাল বালে বৃষঘাতী হয় অৰ্থাৎ গো-বধীয়া হয়।"

তেন্তে কি বৰ্ত্তমান সময়ৰ আটাইবোৰ হালুয়েইয়ে সেই বিধৰ? হালতকৈ গাড়ী টানা কঠিন। গাড়োৱানবিলাক কি?

"শল্লকী, শশকা, গোধা মৎস্য কূৰ্ম্মভিপাতিনে॥
বৃন্তাফল ভোক্তা চ হ্যহোৰাত্ৰেন শুধ্যতি॥ ৬ষ্ঠ অধ্যায়।

শল্লকী, শশক, গোধা, মৎস্য আৰু কূৰ্ম্ম হত্যা কৰিলে এক দিবা-ৰাত্ৰি বাৰ্ত্তাকু (বেঙেনা) খাই থাকিলে শুদ্ধ হয়।'

এইবোৰ হত্যাজনিত দোষ কি কৰিলে দূৰ হয় বাৰু বুজিলোঁ। কিন্তু এইবোৰ মাৰি খালে কি হয়? মৎস্য হত্যা-

জনিত পাপ প্ৰক্ষালন কৰিবলৈ একদিন একৰাতি বেঙেনা খাই উপবাস কৰাৰ পৰিবৰ্ত্তে আজিৰ মানুহে দেখোঁ মাছ বেঙেনাৰে সৈতে ৰান্ধি খায়?

মাছ, সাৰলী, পঠা, কুঁই আৰু কাছ খাবৰ সময় পৰাশৰ নমনা কিয়? কেৱল জাতি বিচাৰৰ সময়তহে পৰাশৰক লাগে?

---

# স্বাধীন চিন্তা।

কলিৰ যুগত অন্ন-যোনি আৰু জাতিৰ বিচাৰ নাথাকিব, মানুহবিলাক কামী, মিথ্যাবাদী, পৰস্বলোভী, দুষ্ট, শঠ, খল ইত্যাদি হব, এই ৰকমৰ নিৰাশাৰ বাণীয়ে আমাৰ উপশাস্ত্ৰবোৰ ভৰপূৰ। এইবোৰ নিৰাশাৰ বাণী পুৰুষানুক্ৰমে শুনোঁতে শুনোঁতে প্ৰায়বিলাক মানুহৰ মনত এনেকুৱা এটা ধাৰণা হোৱা দেখা যায়, যে "এই যুগত ইচ্ছা কৰিলেও কোনেও ভাল হব নোৱাৰে। ই, যুগ ধৰ্ম্ম। ইয়াৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ ক্ষমতা মানুহৰ নাই। কোনো নহয় কোনো এটা চুতা লাগি, মানুহ বেয়া হবই হব। এই যুগত বেয়া হোৱাটোৱে স্বাভাবিক।" এই সংস্কাৰটোৱে হিন্দু সমাজৰ উপৰত ডাৱৰীয়া বতৰৰ মেঘৰ নিচিনা দিগ্‌দিগন্ত ঢাকি আছে। এনেকুৱা নিৰাশাৰ অন্তঃকৰণ লৈ, কেনেকৈ যে হিন্দু সমাজে মাজে

মাজে উন্নতিৰ নিমিত্তে একোটা বল দিয়ে, বুজা নাযায়। সত্যযুগৰপৰা ক্রমান্বয়ে মানুহবিলাক আকৃতি-প্রকৃতি, ৰূপ-গুণ, শৌর্য্য-বীর্য্য, বিদ্যা-বুদ্ধি, ধৰ্ম্ম-কৰ্ম্ম, আচাৰ-নীতিকে আদি কৰি মানবোচিত গুণবোৰত হীন হব লাগে, ইয়াৰ কাৰণ কি? ইয়াত ভগৱানৰ কোন উদ্দেশ্য সাধিত হয়? শাস্ত্রে কয় কলিৰ শেষত সত্য প্রবর্ত্তিব। এই কথা সত্য হলে, মানুহবিলাক ক্রমান্বয়ে সত্যৰ উপযোগী হৈ হব লাগিছিল? উপশাস্ত্রৰ পৰা দেখা যায়, যে সত্যৰ মানুহবিলাক জ্ঞান-বিজ্ঞান আৰু ধৰ্ম্মত যেন এম, এ, আছিল। যুগৰ ঠেলাত বিদ্যা পাহৰি ত্রেতাত বি, এ, হল। তাৰ পিছত সত্য আৰু ত্রেতাৰ ইতিহাস আৰু শাস্ত্র পঢ়ি থাকোঁতে থাকোঁতে দ্বাপৰত গৈ এফ, এ, হল। তাৰ পিছত সত্য, ত্রেতা আৰু দ্বাপৰৰ ইতিহাস আৰু ধৰ্ম্ম শাস্ত্রবোৰৰ অনুশীলন কৰি থাকোঁতে কলিত গৈ এণ্ট্রান্স পাছৰ সমান হল। তৎপৰ সত্য, ত্রেতা, দ্বাপৰ আৰু কলিৰ ইতিহাস আৰু ধৰ্ম্মশাস্ত্র পঢ়োতে যেতিয়া গৈ নিৰক্ষৰ আৰু পাপী হব, তেতিয়াই সত্য প্রবর্ত্তিব। অর্থাৎ ক্রমশঃ অৱনত হোৱাটোৱে মানুহৰ ধৰ্ম্ম, আৰু চৰ্চ্চা কৰি থাকোঁতে বিদ্যা পাহৰাটোৱে প্রকৃতিৰ গতি। এইবোৰ কথা সত্য হলে, আমাৰ আৰু উন্নত হবলৈ চেষ্টা কৰা বৃথা। কিন্তু আমি দেখোঁ তেনেকুৱা নকৰোঁ? দিনে ৰাতিয়ে, বাৰ মাহে, তিনিশ পয়ষষ্টি দিনে উন্নতি কামনাৰে কাম কৰিয়ে আছোঁ, আৰু ক্রমশঃ উন্নত হোৱা বুলি ভাবিয়ে আছোঁ।

এই চেষ্টা, আৰু এই চিন্তা, কি প্ৰকৃত চেষ্টা আৰু প্ৰকৃত চিন্তা নহয়? আমি সপোন দেখিছোঁ, না পাগ্‌লামী কৰিছোঁ? শাস্ত্ৰকাৰৰ মান ৰক্ষাৰ নিমিত্তে সপোন দেখা, আৰু পাগ্‌লামী কৰা বুলি স্বীকাৰ কৰিব আমি সম্মত নহওঁ। আত্ম-সম্মানৰ মূৰত পদাঘাত পূৰ্ব্বক তেওঁলোকৰ অবিবেকিতা, আৰু হঠ-কাৰীতাৰ মৰ্য্যাদা ৰাখি, সুপুত্ৰ নামে অভিহিত হোৱাও আম সম্মানজনক বুলি ভাবিব প্ৰস্তুত নাই। পূৰ্ব্ববৰ্ত্তীসকলত কৈ আমি ভাল এই কথা অহঙ্কাৰ কৰি কবলৈ আমাৰ সম্পূৰ্ণ স্বত্ব আছে, আৰু তাকে কৰিলেহে আমাৰ আত্ম-সম্মানত আঘাত নপৰে, লগে লগে নিৰুৎসাহৰ ভাৰেও বান্ধিব নোৱাৰে। নৈতিক বিচাৰত ই, পাপ বুলি গণ্য নহব বৰং পুণ্য বুলিহে বিবেচিত হব। মানুহ ক্ৰমোন্নত জীৱ। আগৰ সকলতকৈ আজিৰ সকল বহু ভাল, পিছৰ সকল ইয়াতকৈও ভাল হব। ইয়াৰ সত্যাসত্য বিচাৰৰ নিমিত্তে ত্ৰেতা, দ্বাপৰ আৰু কলিৰ সামাজিক অৱস্থা বিচাৰ কৰি চাবানে?

ৰামায়ণ পৰস্ত্ৰী হৰণলৈয়ে লিখিত। বালি বধ, ইন্দ্ৰজিৎ বধৰ নিচিনা ঘটনা ত্ৰেতাতও আছিল, আজিও আছে। প্ৰভেদ এই, তেতিয়া ইন্দ্ৰজিৎ বধ কৰি লক্ষ্মণে বীৰ নাম পাইছিল, আজিৰ দিনত তেনেকুৱা কৰা জনক গুণ্ডা বোলে। সম্বুক বধৰ নিচিনা ঘটনা আজিৰ মানুহে নকৰে। অকল নকৰিয়ে যে ক্ষান্ত থাকে এনে নহয়, কৰাজনক অত্যন্ত সমাজদ্ৰোহী,

ধৰ্ম্মদ্ৰোহী, আৰু ক্ষুদ্ৰ মনৰ মানুহ বুলি কয় । দশৰথ আৰু কৈকেয়ীৰ নিচিনা মানুহ তেতিয়াও আছিল, আজিও আছে । মন্দোদৰীৰ হাতৰপৰা ৰাৱণৰ মৃত্যুবাণ অনা মানুহ তেতিয়াও আছিল, এতিয়াও আছে । মহাভাৰত পৰস্ত্ৰী আৰু পৰস্ব লৈ লগা কাজিয়ালৈয়ে ৰচিত । জৰাসন্ধ, শিশুপাল, দন্তবক্ৰ আদিৰ দলে শ্ৰীকৃষ্ণক সাক্ষাত দেখা পাইও ঈশ্বৰ বুলি মনা নাছিল; আজিৰ মানুহে নেদেখিও মানে । আত্ম-ৰক্ষাৰ নিমিত্তে জতুগৃহত যুধিষ্ঠিৰে কৰা কামৰ * নিচিনা কাম কৰা মানুহ তেতিয়া আছিল, আজি নাই । এজনৰ বিয়াৰ কন্যা আন এজনে টানি নিয়া ঘটনাৰ নিচিনা ঘটনা, মহাভাৰতত গণ্য-মান্যৰ ভিতৰত দেখা যায় । দেবৰাজ ইন্দ্ৰকে আদি কৰি বহু ঋষিয়ে পৰস্ত্ৰী হৰণ কৰা ঘটনাৰ অভাবও তেতিয়া নাছিল । অন্ন আৰু যোনিৰ বিচাৰ নকৰা সমাজ দ্বাপৰৰ নিচিনা আৰু নাই । সবলে দুৰ্ব্বলৰ উপৰত কৰা অত্যাচাৰৰ নমুনা, দ্বাপৰত বৰ বেচিকৈ পোৱা যায় । আজিৰ মদাপীয়ে মদ খাই বৰ বেচি কৰিলে মাৰামাৰি কৰে, কিন্তু দ্বাপৰত মদ খাই মাৰামাৰি কৰি সবংশে নিধন হোৱাৰ খবৰ আমি পাওঁ । আজিৰ জুৱাৰীয়ে জুৱা খেলাই সৰ্ব্বস্ব হৰুৱাৰ অভাব নাই সঁচা, কিন্তু দ্বাপৰত নিজৰ বিবাহিতা স্ত্ৰী পৰ্য্যন্তও জুৱাত পণস্বৰূপে ৰখা দেখা যায় । ৰাজ-দৰবাৰত ভদ্ৰমহিলাক উলঙ্গ কৰিবৰ চেষ্টা কৰিবৰ নমুনা মাত্ৰ দ্বাপৰতহে দেখা

* পাঁচ পুত্ৰ সহ চাণ্ডালনীৰ দাহ ।

যায়। একলব্যৰ দানৰ নিচিনা দান গ্ৰহণ কৰিব পৰা মানুহ জন্মিব পাৰে বুলি আজিৰ মানুহে কল্পনা কৰিবও নোৱাৰে। এনেকুৱা নিষ্ঠুৰ গ্ৰহীতাক আজিৰ মানুহে কাপুৰুষ, ভণ্ড অমানুষ বুলি উপাধি দিয়ে।

পাঠক! কলি যুগৰ গাত দোষ কি? ত্ৰেতা আৰু দ্বাপৰত যিসকল ৰজা, ঋষি আৰু গণ্যমান্য মানুহ আছিল তাৰেহে ইতিহাস আমি পাইছোঁ। সাধাৰণ মানুহৰ ইতিহাস আমি নাপাওঁ নহয়। যিসকলৰ ইতিহাস পাইছোঁ, সেইসকল যদি এনেকুৱা, নাজানো সাধাৰণ মানুহবোৰ কেনেকুৱা আছিল? বিশেষতঃ সেই সেই যুগত দ্বিজাতি ভিন্ন অইন জাতিৰ মানুহে লিখা-পঢ়া আৰু ধৰ্ম্ম-কৰ্ম্মত অধিকাৰ নাপাইছিল। আৰু এই শ্ৰেণীৰ মানুহৰ সংখ্যাই বৰ বেচি আছিল। যি সমাজত শিক্ষিত মানুহৰ সংখ্যা বেচি, সেই সমাজ ভাল, আৰু যত নাই, বা কম, সেই সমাজ বেয়া ইয়াক কোৱা বাহুল্য মাত্ৰ। ত্ৰেতা আৰু দ্বাপৰৰ মানুহৰ যিবোৰ দোষ আছিল সেইবোৰ আজিৰ মানুহৰ গাত কিছু কম পৰিমাণে আছে। আৰু যেতিয়ালৈ পৃথিবী থাকিব, সম্ভৱতঃ তেতিয়ালৈ কিছু নহয় কিছু থাকিবই। আজিৰ দিনত সকলো জাতিৰ মানুহে বিদ্যা-চৰ্চ্চা আৰু ধৰ্ম্ম-চৰ্চ্চাত অধিকাৰ লৈছে। আজিয়ে আটাইবিলাক মানুহ শিক্ষিত হোৱা নাই সঁচা, কিন্তু অতি সোনকালে যে হব, তাক বুজাবৰ আৱশ্যকতা নাই। দ্বাপৰ আৰু ত্ৰেতাতকৈ আজিও আমাৰ সমাজত শিক্ষিত মানুহৰ

সংখ্যা বৰ বেঁচি। আৰু এই নিমিত্তে দ্বাপৰ ত্ৰেতাৰ সমাজতকৈ আজিৰ সমাজ বহুত ভাল। তথাপি উপশাস্ত্ৰবোৰত ইমান বিভীষিকাপূৰ্ণ ভবিষ্যত বাণী পোৱা যায় কিয়? ব্যক্তিগত হিচাবে পুত্ৰ-পৌত্ৰাদিৰ প্ৰতি এনেকুৱা নিৰাশাৰ বাণী কোৱা মানুহ কোনোবা আছে নে? এনেকুৱা নিৰুৎসাহ বাণী প্ৰচাৰ কৰা কোন নীতিমূলক,—কোন যুক্তিমূলক? তেওঁলোকৰ এইবোৰ নিৰাশা জ্ঞাপক বাক্যৰ দ্বাৰা সমাজৰ কি কল্যাণ সাধিত হৈছে বা হব পাৰে? দেখা যায় ইয়াৰ দ্বাৰা তেওঁলোকৰ সুবিধা ভিন্ন—তেওঁলোকৰ উপকাৰ ভিন্ন, সমাজৰ সুবিধা বা উপকাৰ একো হোৱা নাই, বৰং সমূহ অপকাৰ হৈছে। তেওঁলোক আছিল সমাজৰূপ বৃক্ষৰ ঘাঁড়ত বহি ৰসটানা ৰঘুমালা। জাতি-ভেদ উঠি গলেই অন্ন গ্ৰহণ, আৰু কন্যাগ্ৰহণ জনিত প্ৰায়শ্চিত্তাদি আপোনা আপুনি উঠিল—ৰঘুমালাও আপোনা আপুনি ঘাঁড়ৰপৰা মাটিত পৰিল। মাটিত পৰিলেই ৰঘুমালাৰ মৰণ। যিহেতু মাটিৰপৰা ৰসটনা তাৰ অভ্যাস নাই। এইয়ে নহয় নে এই নিৰুৎসাহ আৰু নিন্দাজনক বাণীৰ মূল?

পাঠক! ত্ৰেতা আৰু দ্বাপৰৰ ঘটনাবোৰ যদি লীলা বুলি ধৰা তেন্তে আমাৰ মাত নাই। কেবল সুধিব পাৰিম যে আমি কৰা কামবোৰক আমাৰ বা ঈশ্বৰৰ লীলা বোলাত যুক্তিৰ অভাব হব নেকি? তেতিয়া ইমান ব্যাভিচাৰ সত্ত্বেও যেতিয়া কাটি-মাৰি বৃন্দাবাৰ কৰা নাই, কলিত কৰাৰ

কাৰণ কি? স্পষ্টই দেখা যায় যে ত্ৰেতা আৰু দ্বাপৰতকৈ কলিৰ মানুহ বহুগুণে নৈতিক, বহুগুণে ধাৰ্ম্মিক, বহুগুণে সংযমী। ইয়াত ঈশ্বৰৰ খং উঠিব কিয়? আৰু কাটি-মাৰি বুন্দামাৰ নকৰাকৈ নতুন যুগ সৃষ্টি কৰিবলৈ ঈশ্বৰ অসমৰ্থ জানো? আমি মানুহ, তথাপি দেখোঁ আমি ভঙা ঘৰ মেৰামত কৰি নতুন কৰিব পাৰোঁ। ঈশ্বৰৰ অনন্ত শক্তি। তেওঁনো এই সৃষ্টিখনৰ মতিগতি বদলাই দি নতুন কৰিব নোৱাৰে কিয়? আমি কওঁ, যুগবোৰ কাল বিভাগৰ নাম মাত্ৰ। এই নাম ঈশ্বৰে দিয়া নাই। আমি আমাৰ সুবিধাৰ নিমিত্তে নাম দি লৈছোঁ মাত্ৰ। ইয়াৰ একো ধৰ্ম্ম নাই, ইয়াৰ একো ক্ষমতা নাই। ইয়াত নিৰুৎসাহ হবৰ কাৰণ একো নাই।

যোনে ঈশ্বৰক সৰ্ব্বশক্তিমান, মঙ্গলময় আৰু সৰ্ব্বঘটে বিৰাজমান বুলি ভাবে, তেওঁ এইবোৰ কথা বিশ্বাস কৰিব নোৱাৰে। ঈশ্বৰক সৰ্ব্বশক্তি-শূন্য, অমঙ্গলময়, নিষ্ঠুৰ আৰু সৃষ্টিৰ বাহিৰে থকা বুলি এক চকুৰে ইতিকিঙৰ তিপ দি আন চকুৰে সৰ্ব্বশক্তিমান, মঙ্গলময়, সৰ্ব্বব্যাপী ইত্যাদি ভাল ভাল গুণসম্পন্ন বুলি তিপ্ দিয়াটো ঈশ্বৰ বিশ্বাসীৰ লক্ষণ নহয়। যিসকলে স্বাধীন চিন্তাক স্বৰ্গ বুলি ভাবে আৰু সমাদৰ কৰে, যিসকলে অন্ধ বিশ্বাসক নৰকৰ দ্বাৰ বুলি ঘৃণা কৰে, সেইসকলে ইয়াৰ বিচাৰ কৰিব।

নবীন যুবক! নিৰুৎসাহৰ কাৰণ নাই। ইতিহাস পঢ়িবা,—দোষীক অনুকৰণ নকৰিবা, পাপীক অনুকৰণ নক-

ৰিবা, পুণ্যকৰ্ম্মা নিৰ্ম্মল চৰিত্ৰ প্ৰকৃত মানুহক অনুসৰণ কৰিবা। যুগে একো কৰিব নোৱাৰে। আমি সত্যৰ সন্তান, সত্য সদায় আমাৰ ভিতৰে বাহিৰে বিৰাজ কৰিছে, মাত্ৰ চিনি লবৰ চেস্টা কৰিবা। সত্যই স্বৰ্গ—অসত্যই নৰক।

---

## ঈশ্বৰৰ স্বৰূপ, অৱস্থান আৰু তেওঁৰ লগত জগতৰ সম্বন্ধ।

ঈশ্বৰৰ স্বৰূপ, অৱস্থান আৰু তেওঁৰ লগত জগতৰ সম্বন্ধ কি, লিখকে আবিষ্কাৰ কৰা নাই;—কেতিয়াবা যে কৰিব পাৰিব এনেকুৱা সপ্নও তেওঁ দেখা নাই। আবিষ্কৰ্ত্তা সকলে প্ৰকাশ কৰা কথা তেওঁ কি ভাবে বুজিছে তাকেহে সংক্ষেপে প্ৰকাশ কৰিলে। পাঠকে নিজে বুজিবৰ চেষ্টা নকৰিলে লিখকে বুজাই দিব পাৰিব বুলি বিশ্বাস নকৰে। ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত কৈছে,—

> "ময়া ততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিণা।
> মস্থাণি সৰ্ব্বভূতাণি ন চাহং তেষ্বৱস্থিতঃ॥ গীতা ৯ অ ৪

অব্যক্তৰূপে মই জগতৰ সৰ্ব্বত্ৰই ব্যাপী আছোঁ। সমস্ত ভূতেই মোত অৱস্থান কৰিছে, মই কিন্তু সেইসকলত অৱস্থান কৰা নাই।

> মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
> ময়ি সৰ্ব্বমিদং প্ৰোতং সূত্ৰে মণি গণাইব॥ গীতা ৭ অ ৭

হে ধনঞ্জয়! মোত পৰে কোনো বস্তুই সত্য বা স্বতন্ত্র নহয়। মণিসমূহ যেনেকৈ সূতাত গাঁথা থাকে, সমস্ত বিশ্বই তেনেকৈ মোত আছে।"

ঈশ্বৰ ভিতৰত মইও এজন। যোনে অব্যক্তৰূপে সমস্ত বিশ্ব ব্যাপী আছে, সি অৱশ্যে মোকও ব্যাপী আছে। এনেকৈ ব্যাপী থকা সত্ত্বেও যেতিয়া তেওঁক দেখা নাপাওঁ,—তেওঁ অৱশ্যে নিৰাকাৰ। সমস্ত ভূতেই যাত অৱস্থিত (বাস কৰে) তাৰ নাক-মুখ, হাত-ভৰিৰ খবৰ পোৱা দূৰৰ কথা,—তাৰ সীমা দিয়াই অসম্ভব—সি অনন্ত—নিৰাকাৰ। যি বস্তুই সূতাৰ নিচিনা অণু-পৰমাণুৰপৰা পৃথিবী, চন্দ্র-সূর্য্য, গ্রহ-নক্ষত্রকে আদি কৰি অনন্ত কোটি ব্রহ্মাণ্ড আৰু বায়ু সহিতে আকাশ মণ্ডলক গাঁথি আছে, অথচ আমি দেখা নাপাওঁ—সি অৱশ্যে নিৰাকাৰ।

"ময়া সর্ব্বমিদং ততম্ * * *। মই সমস্ত ব্যাপী আছোঁ।" এই ব্যাপী থকা অৱস্থাটো বুজিব টান পোৱা মানুহ বহুত আছে। অদৃশ্য বস্তুৰ ভিতৰত সকলোৱে অস্তিত্ব অনুভব কৰিব পৰা বস্তু মাত্র বায়ু। ই, ব্যাপক। কিন্তু বায়ুৱে যেনেকৈ জগত ব্যাপী আছে, ঈশ্বৰে তেনেকৈ থকা নাই। জগতত বহু বস্তু আছে যাৰ ভিতৰত বায়ুৰ যাতায়াত নাই, সেই পদাৰ্থবোৰৰ উপৰ খনহে ই ঢাকি আছে। বৈজ্ঞানিকসকলে যন্ত্ৰৰ সাহায্যেৰে ঠাই এখন বায়ুশূন্য কৰি লব পাৰে, আৰু সময়ত লয়। সেই নিমিত্তে ঈশ্বৰে জগত ব্যাপী

থকা বিষয়েও অনেকে ভাবিব পাৰে যে, ঈশ্বৰ আৰু জগত পৰস্পৰ বিভাজ্য বস্তু, আৰু ঈশ্বৰ নোহোৱা ঠাইও থাকিব পাৰে । "* * * সূত্রে মণি গণাইব । সূতাত গাঁথা থকা মণি সমূহৰ নিচিনা ।" এই বাক্যৰপৰাও সূতা আৰু মণিৰ স্বতন্ত্রতা বুজে । দুয়োটা বস্তু ওতপ্রোত ভাবে থকা নুবুজে । কিন্তু দুয়োটা বস্তু ওতপ্রোতভাবে থকা বুলি বুজোৱাটোহে গীতা লিখকৰ উদ্দেশ্য বুলি লিখকে ভাবে । তেওঁ গীতাৰ শ্লোক এটা তলত লিখা মতে অলপ লৰচৰ কৰি নিজৰ বুজ ব্যক্ত কৰিলে ।

"মত্তঃ পৰতৰং নান্যং কিঞ্চিদস্তি ধনঞ্জয় ।
ময়ি সৰ্ব্বমিদং প্রোতং দীপ্তাঙ্গাৰ ইবানলে ॥

হে ধনঞ্জয় ! মোত পৰে অইন কোনো বস্তুৱে সত্য বা স্বতন্ত্র নহয় । জুইত জলন্ত আঙ্গাৰ থকাৰ দৰে সমস্ত জগত মোত প্রকাশ পাইছে ।" আঙ্গাৰ কলা, জুই উজ্জ্বল । আঙোঠাৰ জুই কোন খিনি, আৰু আঙ্গাৰ কোনটো যেনেকৈ বুজা নাযায়, ঈশ্বৰ আৰু জগতকও তেনেকৈ পৃথক ভাবে বুজা টান । আঙ্গাৰৰ প্রত্যেকটো অণু-পৰমাণুৰ ভিতৰে বাহিৰে জুই ব্যাপী থকাৰ দৰে ঈশ্বৰে জগত ব্যাপী আছে । জুই আৰু আঙ্গাৰ পৰস্পৰ বিভাজ্য বস্তু, অর্থাৎ জুই নুমাই দিলেই আঙ্গাৰৰ স্বৰূপ দেখা যায় । ইহঁত পৰস্পৰ অবিভাজ্য বস্তু হোৱা হলে ইহঁতৰ পৃথক পৃথক অস্তিত্ব বুজা যেনে টান হ'ল হৈ, আৰু যি উপায়েৰে বুজা গ'ল হৈ, ঠিক তেনেকৈ

ঈশ্বৰ আৰু জগতৰ স্বতন্ত্ৰ অস্তিত্ব বুজাও টান, আৰু সেই উপায়েৰে বুজিবৰ চেষ্টা কৰিব লাগিব। যিহেতু ঈশ্বৰ আৰু জগত পৰস্পৰ অবিভাজ্য বস্তু। এটাৰপৰা আনটো পৃথক কৰিব নোৱাৰি। পাত্ৰত থকা বস্তু নষ্ট হলেও পাত্ৰতে থাকিব; যিহেতু অইন পাত্ৰলৈ যাবৰ তাৰ ক্ষমতাও নাই আৰু অইন পাত্ৰও নাই। আঙ্গাৰত থকা জুইৰ সীমা আছে, কিন্তু ঈশ্বৰৰ সীমা নাই—ই. অনন্ত। জুইৰ মাজত থকা আঙোঠাবোৰৰ প্ৰত্যেকৰে স্বতন্ত্ৰতা আছে, ইটোৰপৰা সিটো পৃথক, অথচ আটাইবিলাক লগ হৈ এক কুৰা জুই। এই জুইৰ ভিতৰত থকা প্ৰতিটো আঙ্গাৰৰ গাত জুই, ভিতৰত জুই, অণু-পৰমাণুত জুই, সিহঁতৰ পৰস্পৰৰ ভিতৰত থকা ব্যৱধানতও জুই; ঠিক তেনেদৰে প্ৰতিটো জীৱ-জন্তু, মাটি-পানী, তৰু-তৃণ, আকাশ-বায়ু, চন্দ্ৰ-সূৰ্য্য আদি কৰি আটাই-বিলাক গ্ৰহ-নক্ষত্ৰই জানিবা ঈশ্বৰ ৰূপ জুইৰ দ্বাৰা উজ্জ্বলিত একোটা আঙোঠা। এইবোৰৰ প্ৰতিটোৰ ভিতৰত, বাহিৰত, ইহঁতৰ অণু-পৰমাণুৰ ভিতৰত বাহিৰত, আৰু ইহঁতৰ পৰস্পৰৰ ভিতৰত যি ব্যৱধান আছে তাতও ঈশ্বৰ। ঈশ্বৰৰূপ পাত্ৰত জগত আছে, কিন্তু ঈশ্বৰ কোনো পাত্ৰতে নাই। পানী আধেয়, বাটি আধাৰ, কিন্তু ইহঁতৰ প্ৰত্যেকৰে স্বতন্ত্ৰতা আছে। জগত আধেয়, ঈশ্বৰ আধাৰ, কিন্তু ঈশ্বৰৰ স্বতন্ত্ৰতা আছে, জগতৰ নাই। জুই কুৰাৰ ভিতৰতে ইপিনৰ আঙোঠা সিপিনলৈ, সিপিনৰ আঙোঠা ইপিনলৈ নিয়া-

অনা কৰিলে তাৰ গাৰ ভিতৰে-বাহিৰে অণু-পৰমাণুত জুই লৈ, জুইৰ ভিতৰতে অহা যোৱা কৰে। ঠিক তেনেকৈ এই জগতৰূপ আঙোঠা, জীৱৰূপ ফিৰিঙতি, ঈশ্বৰৰূপী সামাবিহীন জুই একুৰাৰ ভিতৰতে আছে, ইয়াৰ ভিতৰতে প্ৰকাশ পায়, ইয়াৰ ভিতৰতে লয় পায়। ঈশ্বৰ নথকা ঠাই এখন হব নোৱাৰে।

ঈশ্বৰ থকা মন্দিৰ নাই, হবও নোৱাৰে—তেওঁক নালাগেও। যোনে দেখাৰ নিচিনা দেখে, তাৰ পক্ষে চৰাচৰ বিশ্বই ঈশ্বৰৰ আকৃতি বা ৰূপ। সেই নিমিত্তে অৰ্জ্জুনে ঈশ্বৰৰ ৰূপ দেখি কৈছিল,—

পশ্যামি দেবাং স্তব দেব দেহে
সৰ্ব্বাংস্তথা ভূতবিশেষ সঙ্ঘান্।
ব্ৰহ্মাণমীশং কমলাসনস্থ
মৃষীংশ্চ সৰ্ব্বানুৰগাংশ্চ দিব্যান্॥

—গীতা ১১ শ ১৫

অনেকবাহূদৰবক্ত্ৰনেত্ৰং
পশ্যামি ত্বাং সৰ্ব্বতোঽনন্তৰূপম্।
নান্তং ন মধ্যম্ ন পুনস্তবাদিং
পশ্যামি বিশ্বেশ্বৰ বিশ্বৰূপ॥

—গীতা ১১ শ ১৬

❀ ❀ ❀ ❀

হে দেব! তোমাৰ দেহত সমস্ত দেবতাগণ, পৃথক পৃথক ভূত বিশেষসকল, দিব্য ঋষিগণ, সমস্ত সৰ্পগণ

আৰু দেৱাদিৰ ঈশ্বৰ কমলাসনস্থ ব্ৰহ্মাক দেখা পাইছোঁ। হে বিশ্বেশ্বৰ! অনেক বাহু, বহু উদৰ, অনেক মুখ আৰু বহু চক্ষু বিশিষ্ট অনন্তৰূপ তোমাক দেখা পাইছোঁ। হে বিশ্বেশ্বৰ! তোমাৰ আদি, অন্ত আৰু মধ্য দেখা নাপাওঁ। অৰ্থাৎ অৰ্জ্জুনে দেখিলে যে সৃষ্টিত থকা আটাইবোৰ জীৱৰ আটাই-বোৰ হাত-ভৰি-মুখ-বাহু-পেট-চকু নাক-কাণেই ঈশ্বৰৰ হাত-ভৰি পেট-চকু-মুখ-বাহু-নাক-কাণ।

ঈশ্বৰৰ লগত মানুহৰ পৰিচয় যিমানেই কমি আহিব ধৰিছিল তিমানেই ঈশ্বৰ থবলৈ মঠ-মন্দিৰ বন্ধাৰ সংখ্যা বাঢ়ি যাব ধৰিছিল। ঈশ্বৰ যেতিয়া ব্যাপক,—অৱশ্যে, এই মঠ-মন্দিৰৰ ভিতৰে-বাহিৰে, তলে-উপৰে, তাৰ প্ৰত্যেক খন ইটাতে, প্ৰত্যেক দাল কাঠতে, এইবোৰৰ প্ৰত্যেকটো অণু পৰমাণুতে তেওঁ আছে। ইয়াত ঈশ্বৰৰ ঈশ্বৰত্বৰ হ্ৰাস-বৃদ্ধি হোৱা নাই। যদি কিবা হৈছে, সি ঈশ্বৰ বিশ্বাসীৰ জ্ঞানহে। মানুহে বন্ধা মন্দিৰত ঈশ্বৰে বন্ধা মন্দিৰ (চণ্ডাল) প্ৰবেশ কৰাত সি পবিত্ৰ নহৈ অপবিত্ৰ হোৱা শুনিলে ঈশ্বৰ বিষয়ত সাধকৰ অজ্ঞতা বুজা ভিন্ন আইন একোকে বুজা নাযায়। এবং এই নিমিত্তেই মানুহে বনোৱা মন্দিৰ পবিত্ৰ ৰখাৰ নিমিত্তে, ঈশ্বৰে বনোৱা মন্দিৰক শাসন কৰে, ঘৃণা কৰে, অৱজ্ঞা কৰে। মানুহে বনোৱা দেশ-বিদেশস্থ মন্দিৰৰ ভিতৰলৈ ঈশ্বৰক বিচাৰি যায়। তেনেকৈ ঈশ্বৰ বিচাৰি ফুৰা জনক দয়া কৰা ভিন্ন কৰব একোৰে নাই।

PLEASE HANDLE THE BOOK CAREFULLY



পাঠক ! আঁহা, অৰ্জ্জুনৰ ভাষাৰে আমিও এবাৰ গাই প্ৰাণৰ হেঁপাহ পলাওঁ—,

* * * *

নান্তং নমধ্যং নপুনস্তবাদিং।
পশ্যামি বিশ্বেশ্বৰ বিশ্বৰূপ॥

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

# জাননী ।

মোৰ নিম্নলিখিত কিতাপ দুখন তলত লিখা ঠাইবোৰত পোৱা যায় ।

স্বাস্থ্য আৰু সমাজ—।৷০

জাতি আৰু ধৰ্ম্ম— ।৷০

শ্ৰীনিধিৰাম দাস, পানবজাৰ, গুৱাহাটী ।

ভূঞা এজেন্সি গুৱাহাটী, পানবজাৰ ।

বৰুৱা এজেন্সি গুৱাহাটী, উজানবজাৰ ।

গ্ৰেজুৱেটচ য়ুনিয়ন, গুৱাহাটী, পানবজাৰ ।

---

তলত লিখা কিতাপ আমাৰ ওচৰত পাব ।

ছাপা হব ধৰিছে—এতিয়াই গ্ৰাহক হলে দুই অনা কমত পাব ।

আজি ১৪ বছৰ আগেয়ে "তুমি" "বীণা" "বেণু" "জগতৰ শেষ আদৰ্শ আৰু বিশ্ব-ব্যাপী মহাশক্তি স্থাপনৰ উপায়" আদি কিতাপ প্ৰকাশ কৰি অসমীয়া কবিতা আৰু চিন্তা জগতত যুগান্তৰ উপস্থিত কৰোঁতা অসমৰ প্ৰথম মিষ্টিক কবি শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰীয়ে জেলত লিখা—

জেল-সঙ্গীত—।৷০

গ্ৰেজুৱেটচ্ য়ুনিয়ন ।

পানবজাৰ, গুৱাহাটী ।